www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

□ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সকলো কাহিনীয়ে আমাক কিবা নহয় কিবা এটা প্ৰতিশ্ৰুতি দিয়ে- সেই কাহিনী সঁচা বা কল্পিত বা জনশ্ৰুতিয়েই নহওক কিয়! — ষ্টিবাৰ্ট অ'. নান

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

□ প্ৰথম বছৰ □ সংখ্যা- ১০৯ □ শুকুৰবাৰ □ ২৩ জানুৱাৰী, ২০২৬ চন □ Volume/Year- I □ Issue- 109 □ Friday □ 23rd January, 2026 □ Asom Barta, Majuli □ PRGI Reg. No.- ASASS/25/A2361 □ Price- Rs. 10 □ Total Page- 8

বুলেটপ্ৰুফ বাহন নিয়ন্ত্ৰণ হেৰুৱাই পৰিল ২০০ ফুট গভীৰ খাদত



## জম্মু-কাশ্মীৰৰ ডোডাত সেনাৰ বাহন খাদত পৰি ১০ জোৱান শ্বহীদ, ১১জন আহত

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২২ জানুৱাৰী ঃ** জম্মু-কাশ্মীৰৰ ডোডা জিলাৰ ভাদেৰৱাহ-চাম্বা আন্তঃৰাজ্যিক ৰাজপথৰ খানী টপ নামৰ স্থানত বৃহস্পতিবাৰে এটা মৰ্মান্তিক দুৰ্ঘটনাত ভাৰতীয় সেনাবাহিনীৰ ১০জন সাহসী জোৱান শ্বহীদ হৈছে আৰু ১১জন আহত হৈছে। সেনাৰ এখন বুলেটপ্ৰুফ বাহন (কেচপিৰ নামৰ সাঁজোৱা বাহন) ▸▸৬ পৃষ্ঠাত

■ জুবিন গাৰ্গৰ হত্যাৰ গোচৰৰ দুই অভিযুক্তৰ জামিন আবেদন প্ৰত্যাহাৰ ■

## জামিন আবেদন প্ৰত্যাহাৰ কৰিলে শ্যামকানু মহন্ত আৰু সন্দীপন গাৰ্গে

ন্যায়ালয়ে ৰায় সংৰক্ষিত ৰাখি ৩১ জানুৱাৰীত পুনৰ ৰায়দানৰ দিন নিৰ্ধাৰণ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২২ জানুৱাৰী ঃ** কিংবদন্তি অসমীয়া শিল্পী জুবিন গাৰ্গৰ হত্যাৰ অভিযোগত চলি থকা গোচৰৰ পঞ্চম শুনানি আজি কামৰূপ জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতত অনুষ্ঠিত হৈছে। এই শুনানিত অভিযুক্ত শ্যামকানু মহন্ত, সন্দীপন গাৰ্গ আৰু সিদ্ধাৰ্থ শৰ্মাই নিজৰ জামিন ▸▸৬ পৃষ্ঠাত



◂ সমসাময়িক ▸

### আধুনিক যুগত সৰস্বতী পূজাৰ প্ৰাসংগিকতা

✍ কানুপ্ৰিয়া ডেকা

ভাৰতীয় সংস্কৃতি আৰু সভ্যতাত সৰস্বতী পূজাই এক বিশেষ স্থান দখল কৰি আহিছে। বিদ্যা, ▸▸৭ পৃষ্ঠাত

■ কলেজীয়া ছাত্ৰী, দুখীয়া যুৱতীক টাৰ্গেট ■ একাংশ যুৱতীও নামিছে দেহ ব্যৱসায়ত ■

# মহানগৰীৰ স্পাত চলিছে নিষিদ্ধ দেহাৰ বেহা

গুৱাহাটীত চলা মাৰাথন স্পাৰ বিৰুদ্ধে চলা অভিযানত গ্ৰেপ্তাৰ হ'ল ১০ জন; উদ্ধাৰ ১৩ গৰাকী যুৱতী

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২২ জানুৱাৰী ঃ** গুৱাহাটী মহানগৰ আৰক্ষীয়ে অনৈতিক ব্যৱসায়ৰ অভিযোগত কেইবাটাও স্পা আৰু বিউটি চেলুনৰ ওপৰত একাধাৰে অভিযান চলাই উল্লেখযোগ্য সফলতা লাভ কৰিছে। যোৱা ২০ জানুৱাৰীত পল্টনবজাৰ, চানমাৰি, পাণবজাৰ আৰু গীতানগৰ থানাৰ যৌথ অভিযানৰ জৰিয়তে মুঠ পাঁচটা গোচৰ ৰুজু কৰা হৈছে। এই অভিযানত দহজন অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ লগতে তেৰগৰাকী ভুক্তভোগী যুৱতীক উদ্ধাৰ কৰি মুক্ত কৰা হৈছে। বৃহস্পতিবাৰে মহানগৰ আৰক্ষীৰ উপ আয়ুক্ত সন্তৱী মিশ্ৰই সংবাদমেল সম্বোধন কৰি এই অভিযানৰ সম্পূৰ্ণ বিবৰণ দাঙি ধৰে। তেওঁ জনায় যে বহুদিন ধৰি মহানগৰৰ ▸▸৬ পৃষ্ঠাত




◂ সমসাময়িক ▸

### নৈতিক শিক্ষা আৰু সৰস্বতী পূজা

✍ জীৱনজ্যোতি গগৈ

ভাৰতীয় সংস্কৃতি আৰু সভ্যতাত নৈতিক শিক্ষা আৰু ধৰ্মীয় চেতনা একে সূত্ৰতেই গাঁথি খোৱা। ▸▸৭ পৃষ্ঠাত

জুবিন গাৰ্গ হত্যাকাণ্ডৰ ন্যায় প্ৰক্ৰিয়া খৰতকীয়া কৰিবলৈ বিশেষ আদালতৰ দাবী

## অনিশ্চয়তা বুকুত সামৰি ন্যায়ৰ বাবে অপেক্ষা গৰিমা শইকীয়া গাৰ্গৰ



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২২ জানুৱাৰী ঃ** জুবিন গাৰ্গ হত্যাকাণ্ডৰ সৈতে জড়িত পাঁচ অভিযুক্তৰ জামিন আৱেদনৰ শুনানিৰ পিছতে পত্নী গৰিমা গাৰ্গে সামাজিক মাধ্যমত এক আৱেগময় পোষ্ট দি সমগ্ৰ ঘটনাৰ প্ৰতি নিজৰ গভীৰ প্ৰতিক্ৰিয়া ব্যক্ত ▸▸৬ পৃষ্ঠাত

ধ্বংসাৱশেষৰ তলত শ্ৰমিক আবদ্ধ থকাৰ আশংকা; সংকটজনক অৱস্থাত চিকিৎসাধীন কেই বাজনো

## ছত্তীশগড়ৰ ৰিয়েল ইছপাট কাৰখানাত ভয়ংকৰ বিস্ফোৰণত নিহত ৭ শ্ৰমিক

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২২ জানুৱাৰী ঃ** ছত্তীশগড়ৰ বালোদাবজাৰ-ভাটাপাৰা জিলাৰ অন্তৰ্গত ৰিয়েল ইছপাট স্পঞ্জ লোহাৰ কাৰখানাত ▸▸৬ পৃষ্ঠাত



## ভোটাৰ তালিকাৰ বিশেষ সংশোধনীত খিলঞ্জীয়াৰ অস্তিত্ব বিপন্ন কৰাৰ ভয়ংকৰ ষড়যন্ত্ৰ

নিৰ্বাচন আয়োগলৈ পত্ৰ প্ৰেৰণ কৰি ভোট চুৰিৰ ষড়যন্ত্ৰৰ অভিযোগ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২২ জানুৱাৰী ঃ** অসমৰ বিৰোধী দলপতি তথা কংগ্ৰেছৰ বিধায়ক দেৱব্ৰত ▸▸৭ পৃষ্ঠাত

□ বহিঃৰাগতৰ ওপৰত নিৰ্ভৰশীলতাৰ ভ্ৰান্ত ধাৰণাক খণ্ডন □

## অসমীয়া যুৱকৰ শ্ৰম, আত্মবিশ্বাসেৰে জিলিকি উঠিছে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলং

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২২ জানুৱাৰী ঃ** অসমত বহু সময় ধৰি এটা ভ্ৰান্ত ধাৰণা প্ৰচলিত হৈ আহিছে যে ৰাজ্যৰ নিৰ্মাণ ক্ষেত্ৰখনত বহিঃৰাজ্যৰ শ্ৰমিক বা অখিলঞ্জীয়া লোকৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে আৰু তেওঁলোক নাথাকিলে কোনো বৃহৎ কামেই সম্ভৱ নহয়। খিলঞ্জীয়া যুৱকসকলে ▸▸৬ পৃষ্ঠাত

৮০-৯০ হাজাৰ কোটি টকাৰ বিনিয়োগৰ সম্ভাৱনা

## ডাভোছৰ ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামত অসমৰ প্ৰথম আনুষ্ঠানিক অংশগ্ৰহণ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২২ জানুৱাৰী ঃ** ছুইজাৰলেণ্ডৰ ডাভোছত অনুষ্ঠিত ৱৰ্ল্ড ইক'ন'মিক ফ'ৰাম (ডব্লিউ ই এফ)ত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত ▸▸৬ পৃষ্ঠাত



আৰক্ষীৰ জালত ভেল্লাৰ ৰাতুল মালিক, জেহেৰুল হক

## হিন্দীভাষী নহয়, গুৱাহাটীৰ গণেশপাৰাৰ ডকাইতিৰ আঁৰত বৰপেটাৰ ভেল্লাৰ ডকাইত

□ ডকাইতিত ব্যৱহাৰ কৰা এয়াৰগান আৰু এখন বগা ৰঙৰ গাড়ী জব্দ □ ডকাইতিৰ ঘটনাত জড়িত আন ৪টা ডকাইত পলাতক

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২২ জানুৱাৰী ঃ** গুৱাহাটীৰ গণেশপাৰাত দুদিন পূৰ্বে সংঘটিত ভয়ংকৰ ডকাইতি কাণ্ডৰ তদন্তত গুৱাহাটী আৰক্ষীয়ে উল্লেখযোগ্য সফলতা লাভ কৰিছে। বৰপেটা জিলাৰ ভেল্লা অঞ্চলৰ ▸▸৬ পৃষ্ঠাত




বৰ্ধিত কাৰ্যনিৰ্বাহকত অংশগ্ৰহণ কৰি ৫০খন আসন দাবী কৰিলে অগপৰ নেতা-কৰ্মীয়ে

## শিপা থকা সমষ্টি লাগে অগপৰ তৃণমূলক

আসন বুজাবুজিক লৈ বিজেপি আৰু অগপৰ মাজত সংঘাত অব্যাহত

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২২ জানুৱাৰী ঃ** আগন্তুক ২০২৬ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি তীব্ৰতৰ কৰিছে অসম গণ পৰিষদে (অগপ)। বিজেপিৰ সৈতে আসন বুজাবুজি এতিয়াও চূড়ান্ত নহ'লেও দলটোৱে নিজৰ ▸▸৬ পৃষ্ঠাত





# অসম আৰক্ষীত কৰ্মৰত আন্তঃৰাষ্ট্ৰীয় কিকবক্সিং খেলুৱৈ, গায়ক, অভিনেতা সোণেশ্বৰ বড়া

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২২ জানুৱাৰী ঃ** "এই পৃথিৱী এক ক্ৰীড়াংগণ, ক্ৰীড়া হ'ল শান্তিৰ প্ৰাঙ্গণ" - বিশ্ববিশ্ৰুত শিল্পী, সুধাকণ্ঠ, ভাৰতৰত্ন ড° ভূপেন হাজৰিকাই ১৯৯৫ চনতেই ৰচনা কৰিছিল এই গীতটি, যাৰ জৰিয়তে তেখেতে ক্ৰীড়াৰ লক্ষ্য তথা উদ্দেশ্যক সুন্দৰকৈ প্ৰকাশ কৰিছিল। প্ৰকৃতাৰ্থত খেল তথা ক্ৰীড়াৰ জৰিয়তেহে আহে শান্তি আৰু প্ৰগতি। খেল এতিয়া ধেমালি নহয়। খেল এতিয়া কেৰিয়াৰ। খেলৰ জৰিয়তে নিজ দেশৰ সংস্কৃতি বিশ্বৰ বুকুলৈ কঢ়িয়াই লৈ যাব পাৰি। বৰ্তমান ক্ৰীড়া এনে এটি গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে যে পঢ়া-শুনাৰ লগতে ই বহুতৰে জীৱনৰ কেৰিয়াৰ হৈ পৰিছে। এটা সময় আছিল যেতিয়া খেল-ধেমালি কেৱল শৈশৱৰ মাজতেই সীমাবদ্ধ হৈ আছিল। কিন্তু এতিয়া এই খেল-ধেমালি বা ক্ৰীড়াই সেই সীমাৰ পৰিধি ভাঙি জীৱনৰ কেৰিয়াৰ হৈ পৰিল যাৰ ফলত একো একোজন খেলুৱৈয়ে মান, যশ, খ্যাতি আৰু অৰ্থও লভিবলৈ সক্ষম হৈছে। বহুতে আজি নিজৰ প্ৰতিভাৰে বিশ্বত খ্যাতি অৰ্জন কৰাৰ লগতে নিজৰ ঠাই, ৰাজ্য তথা দেশৰ নাম উজলাবলৈ সক্ষম হৈছে। খেলৰ জৰিয়তেও যে নিজকে প্ৰতিষ্ঠা কৰিব পাৰি, এনে ধাৰণা অভিভাৱকসকলে ল'ৰা-ছোৱালীৰ মনত সৰুতেই সোমোৱাবলৈ চেষ্টা কৰা উচিত। "জনহিত জনসেৱাৰ্থে!" - ২০১০ চনৰ জুলাই মাহত অসম আৰক্ষীত যোগদান কৰি বাক্সা জিলাৰ চৰাইমাৰিত অৱস্থিত ২৪ নং অসম আৰক্ষী বেটেলিয়নত



সুদীৰ্ঘ ১৪ বছৰে সততা আৰু নিষ্ঠাৰে নিজৰ কৰ্তব্য সম্পাদন কৰা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কিকবক্সিং খেলত পদক বুটলিবলৈ সক্ষম হোৱা সোণেশ্বৰ বড়াই ২০০২ চনত কুংফুৰ জৰিয়তে খেলৰ জীৱন আৰম্ভ কৰিছিল। তেওঁৰ ঘৰ তিনিচুকীয়া জিলাৰ কাকপথাৰত। দেউতাক স্বৰ্গীয় প্ৰফুল্ল বড়া আৰু মাক স্বৰ্গীয় বীণাপানি বড়া দুয়ো প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক আছিল। সুদক্ষ খেলুৱৈ সোণেশ্বৰ বড়াই যোৱা জুলাই মাহৰ ১৬-২০ লৈকে ছত্তিশগড়ৰ ৰায়পুৰত অনুষ্ঠিত হোৱা SENIOR NATIONAL KICKBOXING CHAMPIONSHIP-2025ত ব্ৰঞ্জৰ পদক পাবলৈ সক্ষম হয়। মুঠ ৩৩খন ৰাজ্যই অংশগ্ৰহণ কৰা উক্ত প্ৰতিযোগিতাখনত ৯৪ কেজি শাখাত তেওঁ পদক অৰ্জন কৰিছিল। ২০১৮ চনত থাইলেণ্ডৰ বেংককত অনুষ্ঠিত হোৱা INTERNATIONAL KICKBOXING CHAMPIONSHIP ত ৰূপৰ পদক অৰ্জন কৰি ভাৰতবাসীক গৌৰৱান্বিত কৰা সোণেশ্বৰ বড়াই কিকবক্সিং খেলত এতিয়ালৈকে ভাৰতক তিনিবাৰকৈ প্ৰতিনিধিত্ব কৰিছে। ২০০৭ চনত চুবুৰীয়া ৰাষ্ট্ৰ নেপালত অনুষ্ঠিত হোৱা International kickboxing Championship ত সোণৰ পদক, ২০০৯ চনত শ্ৰীলংকাত অনুষ্ঠিত হোৱা International kickboxing Championship ত সোণৰ পদক আৰু ২০১৮ চনত থাইলেণ্ডত অনুষ্ঠিত হোৱা International kickboxing Game ত ৰূপৰ পদক অৰ্জন কৰা সোণেশ্বৰ বড়াই এতিয়ালৈকে ১৫ বাৰ ৰাজ্যিক কিকবক্সিং খেলত পদক পোৱাৰ লগতে ৮ বাৰকৈ ৰাষ্ট্ৰীয় পদক পাবলৈ সক্ষম হৈছে। নিজৰ কৰ্মদক্ষতা আৰু সাহসিকতাৰ বাবে দুবাৰকৈ পুলিচ মেডেল পাবলৈও সক্ষম হৈছে। সেয়া হৈছে - DGP COMMENDATION MADEL -2018 আৰু ANTRIC SURAKSHA SEVA PADAK -2016। খেলৰ সমান্তৰালকৈ অসমৰ সংগীত জগতখনৰ সৈতেও জড়িত হৈ ৰাইজলৈ আগবঢ়াই দিয়া পুলিচৰ গীতৰ ভিডিঅ'সমূহ ক্ৰমে "যুঁজাৰু দা বেটেলিয়ান", "চকু", "ৰণুৱা দা ৱাৰিয়ৰ" আদিয়ে ৰাইজৰ বিপুল সমাদৰো লাভ কৰিবলৈ সক্ষম হৈছে। অন্যহাতে তেওঁৰ "পেটং বিহু", "বগাকাই", "লাহন শালপতি" আদি বিহুগীত সমূহো যথেষ্ট জনপ্ৰিয়। "বক্সাৰ" তেওঁৰ এটি মিউজিকেল ভিডিঅ'। আন্তঃৰাষ্ট্ৰীয় বক্সাৰ তথা এচিয়ান গেমচত সোণৰ পদকৰ লগতে শ্ৰেষ্ঠ বক্সাৰৰ সন্মান লাভ কৰা অসম কন্যা কল্পনা চৌধুৰীৰ বক্সিং জীৱনক লৈ কৰা গানৰ ভিডিঅ' হৈছে এই "বক্সাৰ"। ২০১৯ বৰ্ষত নতুন দিল্লীৰ ৰাজেন্দ্ৰ ভৱনত "বাবু জগজীৱন ৰাম ৰাষ্ট্ৰীয় বঁটাৰে" সন্মানিত হোৱা সোণেশ্বৰ বড়া সম্প্ৰতি ডুমডুমা সমজিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত নিয়োজিত হৈ আছে। এগৰাকী সুদক্ষ খেলুৱৈ এটা জাতিৰ গৌৰৱ হোৱাৰ উপৰিও দেশৰ সম্পদস্বৰূপ। অসমৰ সম্ভাৱনাপূৰ্ণ ক্ৰীড়া ক্ষেত্ৰখনলৈ আশা আৰু অনুপ্ৰেৰণাৰ ধল বোৱাই অনা সোণেশ্বৰ বড়াৰ এই যাত্ৰা অব্যাহত থাকক। 'খেলুৱৈয়ে খিতাপ জিকে, মহান খেলুৱৈসকলে অভিলেখ ভংগ কৰে।' সম্প্ৰতি অসমত খেলে এক গতি লাভ কৰা পৰিলক্ষিত হৈছে। খেল আৰু খেলুৱৈক আজিকালি চৰকাৰেও গুৰুত্ব দিবলৈ ধৰিছে। সঁচাকৈয়ে খেল এতিয়া ধেমালি হৈ থকা নাই। খেল এতিয়া এক সুন্দৰ কেৰিয়াৰলৈ পৰ্যবসিত হৈছে। অৱশ্যে ইয়াৰ বাবে চৰকাৰে পৰ্য্যাপ্ত ক্ৰীড়াৰ আন্তঃগাঁথনি সৃষ্টিটো গুৰুত্ব আৰোপ কৰিব লাগিব। তেতিয়াহে অসমৰ ক্ৰীড়াৰ সফলতাৰ ধাৰা আন্তঃৰাষ্ট্ৰীয় স্তৰত অব্যাহত থাকিব। আন্তঃ ৰাষ্ট্ৰীয় কিকবক্সিং খেলুৱৈ, গায়ক, অভিনেতা সোণেশ্বৰ বড়াৰ এই যাত্ৰা আগলৈও যেন অব্যাহত থাকে, তাকেই কামনা কৰিলোঁ।

শোণিতপুৰ সংসদীয় সমষ্টিৰ আঠ স্থানত ৰে'ল ৰখোৱাৰ ব্যৱস্থা

# ৰাইজৰ দীৰ্ঘদিনীয়া ৰে'ল যাতায়তৰ দাবী পূৰণত সফল সাংসদ ৰঞ্জিত দত্ত

**অসম বাৰ্তা, গহপুৰ, ২২ জানুৱাৰী ঃ** অৱশেষত বছৰ বছৰ ধৰি নতুন দিল্লী অভিমুখী ভাৰতীয় ৰেল সেৱাৰ পৰা উপেক্ষিত শোণিতপুৰ সংসদীয় সমষ্টিৰ লগতে বিশ্বনাথ জিলাবাসীয়ে লাভ কৰিছে ভাল খবৰ। শোণিতপুৰ সংসদীয় সমষ্টিৰ সাংসদ ৰঞ্জিত দত্তই সংসদত শোণিতপুৰ সংসদীয় সমষ্টিৰ বিভিন্ন ৰেল আস্থানত ৰাজধানী এক্সপ্ৰেছ ৰখাৰ সন্দৰ্ভত সজোৰে দাবী উত্থাপন কৰাৰ পিছতে অভাৱনীয়ভাৱে ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ পৰা লাভ কৰিছে এখন পত্ৰ। যিখন পত্ৰত উল্লেখ আছে শোণিতপুৰ সংসদীয় সমষ্টিৰ মুঠ আঠটা ৰে'ল ষ্টেচনত ৰে'ল ৰখোৱাৰ কথা। ইয়াৰে বিশ্বনাথত দিল্লী অভিমুখী দুখনকৈ ৰে'ল ৰখাৰ কথাও উল্লেখ কৰা হৈছে। উল্লেখ্য যে বহু সাংসদ আহিল আৰু গ'ল। কিন্তু কোনো এজনেও দিল্লী অভিমুখী ৰে'ল এখনৰ ষ্টপেজ বিশ্বনাথত দিয়াৰ সপক্ষে ৰে'ল মন্ত্ৰালয়ৰ সমুখত দাবী উপস্থাপন কৰিব নোৱাৰিলে। কিন্তু ৰে'ল যাত্ৰীসকলৰ দুৰ্দশা সন্দৰ্ভত বলিষ্ঠভাৱে দাবী উত্থাপন কৰি শোণিতপুৰ সংসদীয় সমষ্টিৰ আঠটা ৰেলষ্টেচনত ৰে'ল ৰখাবলৈ সক্ষম হোৱা সাংসদ ৰঞ্জিত দত্তক কৃতজ্ঞতা জনাইছে বিশ্বনাথ জিলাবাসীয়ে। ইতিমধ্যে ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সাংসদ ৰঞ্জিত দত্তলৈ দিয়া পত্ৰ অনুসৰি দুয়োৰে মাজত অনুষ্ঠিত আলোচনা মৰ্মে ৰেল নং ২০৫০৫/২০৫০৬ ডিব্ৰুগড়-নতুন দিল্লী ৰাজধানী এক্সপ্ৰেছ আৰু ৰে'ল নং ২২৪১১/২২৪১২ নাহৰলাগুন-আনন্দ বিহাৰ (টাৰ্মিনেল) অৰুণাচল এক্সপ্ৰেছ বিশ্বনাথ চাৰিআলি ৰে'লৱে ষ্টেচনত ষ্টপেজৰ নিশ্চিতি প্ৰদান কৰে। তদুপৰি জনসাধাৰণৰ সুবিধাৰ বাবে ৰে'ল নং ১৫৬১৩/১৫৬১৪ গুৱাহাটী-মুৰকংচেলেক লাচিত এক্সপ্ৰেছ নিজ চতিয়া ৰে'লৱে ষ্টেচন আৰু তাঁতিবহাৰ ৰে'ল ষ্টেচনত ষ্টপেজৰ ব্যৱস্থা কৰা হয়। আনহাতে ৰে'ল নং ১৫৬১৩/১৫৬১৪ গুৱাহাটী-মুৰকংচেলেক লাচিত এক্সপ্ৰেছ হেলেম ৰে'লৱে ষ্টেচনত ১৫৬১৩/১৫৬১৪ গুৱাহাটী-মুৰকংচেলেক লাচিত এক্সপ্ৰেছ, ঢেকীয়াজুলি পথ ৰে'ল ষ্টেচনত ১৫৮১৭/১৫৮১৮ নং ৰে'ল শোখুভি-নাহৰলগুন ডনি প'লো এক্সপ্ৰেছ, ৰে'ল নং ১৫৮৯৫/১৫৮৯৬ ৰঙিয়া-মুৰকংচেলেক এক্সপ্ৰেছ বেদেতি ৰেলৱে ষ্টেচন আৰু ব্ৰহ্মাজান ৰেলৱে ষ্টেচনত, উত্তৰ কাঠনি ৰে'লৱে ষ্টেচনত ১৫৮৯৫/১৫৮৯৬ নং ৰে'ল ৰঙিয়া-মুৰকংচেলেক এক্সপ্ৰেছৰ ষ্টপেজ নিশ্চিত হৈছে। ভাৰত চৰকাৰৰ ৰেলৱে, তথ্য আৰু সম্প্ৰচাৰ আৰু ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ লগতে শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্তক এই কাৰ্যৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছে বিশ্বনাথ চাৰিআলি ৰে'ল ষ্টেচনত দিল্লী অভিমুখী ৰাজধানী এ'প্ৰেছ ৰখোৱাৰ বাবে দাবী উত্থাপন কৰি অহা বিশ্বনাথৰ বণিক সন্থা, বিশ্বনাথ চাৰিআলি প্ৰেছ ক্লাব, উত্তৰ চাৰিআলি সন্মিলিত মঞ্চ, আছু, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, জ্যেষ্ঠ নাগৰিক সন্থা, হেলেম প্ৰেছ ক্লাব, গহপুৰ মহকুমা সাংবাদিক সন্থাকে ধৰি বিভিন্ন দল-সংগঠনে। সাংসদ ৰঞ্জিত দত্তৰ এনে পদক্ষেপে সমষ্টিৰ ৰাইজৰ আশা আকাংক্ষা পূৰণ কৰিবলৈ সক্ষম হোৱা বুলিও মত প্ৰকাশ কৰিছে বিভিন্ন জনে।

### ঢেকীয়াজুলিত আমছুৰ দুই ঘণ্টীয়া অৱস্থান ধৰ্মঘট

# SRত খেলিমেলিৰ অভিযোগ

## SRৰ জৰিয়তে ৰাজ্যৰ সংখ্যালঘু মুছলমানক হাৰাশাস্তি কৰা হৈছে ঃ আফতাব ৰহমান খণ্ডকাৰ

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২২ জানুৱাৰী ঃ** ৰাজ্যত বৰ্তমান চলিথকা SRত বিসংগতি থকাৰ অভিযোগ সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছু ৰ। SRৰ জৰিয়তে অসমৰ সংখ্যালঘু মুছলমান লোকসকলক মানষিক ভাবে হাৰাশাস্তি কৰাৰ অভিযোগ আমছুৰ। সেয়েহে SRত চলি থকা খেলিমেলিৰ বিৰুদ্ধে প্ৰতিবাদ জনাই সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু)য়ে ঢেকীয়াজুলিত দুই ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। SRত থকা বিসংগতি আৰু অনিয়ম বন্ধ কৰাৰ লগতে কেইবাটাও দাবীত আমছুৰ শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত আজি ঢেকীয়াজুলি সম-জিলাৰ কাৰ্যালয়ৰ সন্মুখত উক্ত প্ৰতিবাদী অৱস্থান ধৰ্মঘট কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। আজিৰ অৱস্থান ধৰ্মঘট কাৰ্যসূচীত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি আফতাব ৰহমান



খণ্ডকাৰৰ নেতৃত্বত বৃহৎ সংখ্যক কৰ্মী-সমৰ্থকে অংশগ্ৰহণ কৰে। কাৰ্যসূচীত সংগঠনটোৰ কেন্দ্ৰীয় নেতা নজৰুল ইছলাম মিৰ্ধাৰ লগতে জিলা আৰু স্থানীয় পৰ্যায়ৰ কেইবাগৰাকীও নেতা উপস্থিত থাকে। প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে যে SRত সঘনাই দেখা দিয়া খেলিমেলি আৰু অনিয়মে বহু যোগ্য ব্যক্তিক বঞ্চিত কৰিছে। এই অনিয়ম বন্ধ নকৰিলে ভৱিষ্যতে ইয়াৰ পৰিণাম আৰু অধিক ভয়াবহ হ'ব বুলি তেওঁলোকে মন্তব্য কৰে। লগতে SR ব্যৱস্থাৰ স্বচ্ছতা বজাই ৰাখিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক শীঘ্ৰে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনায় আমছুৱে। আমছুৰ নেতাসকলে স্পষ্ট কৰি কয় যে দাবীসমূহ মানি নল'লে আগন্তুক দিনত সংগঠনটোৱে অধিক বৃহৎ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ব। অৱস্থান ধৰ্মঘট চলাকালীন সময়ছোৱাত পৰিৱেশ শান্তিপূৰ্ণ থাকিলেও প্ৰতিবাদকাৰীসকলৰ শ্ল'গান আৰু হাৰাশাস্তি বন্ধ কৰাৰ দাবীত অঞ্চলটোত তীব্ৰ প্ৰতিবাদ পৰিলক্ষিত হয়।

## ৯টা সন্দেহজনক ড্ৰাগছৰ কণ্টেইনাৰসহ দুজনক আটক

# বঙাইগাঁও জিলাৰ মাণিকপুৰ আৰক্ষী আৰু গেৰুকাবাৰী তদলদাৰী আৰক্ষীৰ বৃহৎ সফলতা

**অসম বাৰ্তা, কোকিলা, ২২ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰ আৰক্ষী চকীৰ ভাৰ প্ৰাপ্ত অজয় সাহা আৰু গেৰুকাবাৰী তহলদাৰী আৰক্ষী বিষয়াৰ যৌথ অভিযানত গেৰুকাবাৰীৰ পৰা ৯টা ড্ৰাগছৰ কণ্টেইনাৰ সহ দুজনক আটক কৰে। সাম্প্ৰতিক সময়ত ড্ৰাগছৰ প্ৰতি অধিক আসক্ত হোৱাৰ খবৰ ইতিমধ্যে সৰ্বজনবিদিত। কি গাঁও, কি চহৰ সকলোতে বিয়পিছে ড্ৰাগছৰ শিপা। কালি বঙাইগাঁও জিলাৰ গেৰুকাবাৰীত ৯টা সন্দেহজনক ড্ৰাগছৰ কণ্টেইনাৰ, গ্লেমাৰবাইক সহ ড্ৰাগছ পেডলাৰ আচমত আলী (৩০) আৰু নাজিম উদ্দিন শেখ (৩৫)ক আটক কৰিবলৈ সক্ষম হয়। বাইকখনৰ নম্বৰ AS19L6849 মাণিকপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অজয় সাহা আৰু গিৰুকাবাৰীৰ আৰক্ষী তহলদাৰী আৰক্ষী নিৰীক্ষণ চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া হৃদয় গোস্বামী এই দুয়োজনে বিষয়াই ড্ৰাগছৰ বিৰুদ্ধে গোপনে চলাইছিল এই অভিযান। অধিক তথ্যৰ বাবে মাণিকপুৰ আৰু গেৰুকাবাৰীৰ আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

# বিন্নাকান্দি সমষ্টিত কোন হ'ব আজমলৰ পৰৱৰ্তী উত্তৰাধিকাৰী ?

**অসম বাৰ্তা, ডবকা, ২২ জানুৱাৰী ঃ** ৬২ নং বিন্নাকান্দি সমষ্টিত কোন হব আজমলৰ পৰৱৰ্তী উত্তৰাধিকাৰী। প্ৰাৰ্থীত্বৰ দৌৰত আছে বিভিন্ন দলৰ মুঠ ১৬ গৰাকীকৈ প্ৰাৰ্থী। তাৰে কংগ্ৰেছৰ পৰা ৬ গৰাকী, এআইইউডিএফ ৰ ২ গৰাকী, বিজেপিৰ ২ গৰাকী, অগপৰ ২ গৰাকী, অজাপৰ ২ গৰাকী, তৃণমুল কংগ্ৰেছৰ ১ গৰাকী, চিপিআইৰ ১ গৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচন খেলিবলৈ প্ৰাৰ্থীত্বৰ দৌৰত আছে। বিন্নাকান্দি সমষ্টিত আগন্তুক বিধানসভা নিৰ্বাচনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ দলীয় প্ৰাৰ্থীত্ব প্ৰত্যাশী সকলে দলীয় টিকট বিচাৰি আজিলৈকে মুঠ ৬ গৰাকী প্ৰাৰ্থীয়ে মনোনয়নপত্ৰ দাখিল কৰা বুলি দলীয় সূত্ৰত প্ৰকাশ। এই কেইজন হৈছে ক্ৰমে নুৰ আহমেদ, সাহাব উদ্দিন মজুমদাৰ, ৰেহান উদ্দিন, ৰেজিয়া চুলতানা, মাহমদ হুছেইন, ইমৰান হুছেইন। তাৰে ৰাইজৰ মাজত গণভিত্তি থকা শীৰ্ষ প্ৰাৰ্থী ৰেহান উদ্দিন আৰু সাহাব উদ্দিন মজুমদাৰ বুলি ৰাইজৰ মাজত চৰ্চিত হৈছে। ইপিনে বিগত ২০ বছৰে এআইইউডিএফৰ দখলত থকা সমষ্টিটোৰ এইবাৰৰ দলীয় প্ৰাৰ্থী দলটিৰ প্ৰধান মুৰব্বী মৌলানা বদৰ উদ্দিন আজমল প্ৰায় চূড়ান্ত হোৱা বুলি এটা সূত্ৰৰ পৰা জনা গৈছে। বৰ্তমানৰ বিধায়ক চিৰাজুদ্দিন আজমলো হব পাৰে প্ৰাৰ্থী, এইকথা নুই কৰিব নোৱাৰি। উল্লেখ্য যে শাসক বিজেপিৰ দলীয় প্ৰাৰ্থীত্বৰ দাবিদাৰৰ দৌৰত নজমুল আলম লস্কৰ আৰু হবিব মোহাম্মদ চৌধুৰী, অগপৰ মোহাম্মদ আলী আৰু জিয়া উদ্দিন আহমেদ, তৃণমুল কংগ্ৰেছৰ ৰেজৱান আহমেদ, চিপিআইৰ নুৰুল হক, অজাপৰ সদ্য যোগদান কৰা ৰেজাউল কৰিম চৌধুৰী আৰু দলৰ মুখপাত্ৰ জিয়াউৰ ৰহমানৰ নাম চৰ্চিত হৈছে। ইপিনে শেহতীয়া অজাপৰ ডবকাৰ যোগদান সভাত জিয়াউৰ ৰহমান উপস্থিত নথকাত কৰবাত দলটিৰ নেতা কৰ্মীৰ মাজত অসন্তুষ্টি থকাৰো গোন্ধ পাইছে ৰাইজে। এতিয়া বিজেপি মিত্ৰজোটৰ কোনে আসনখন পায় এয়া সময়ত লক্ষণীয় হোৱাৰ সমান্তৰালকৈ কংগ্ৰেছ মিত্ৰজোঁটৰ পৰা আসন কোনটো দলে লাভ কৰে এয়া লক্ষণীয় হ'ব। উল্লেখ্য যে সংখ্যালঘু প্ৰধান সমষ্টি সমূহ কংগ্ৰেছে হেৰুৱাৰ ভয়ত এআইইউডিএফৰ সৈতে গোপন বুজাবুজি হলে বিন্নাকান্দি সমষ্টিত কংগ্ৰেছে দিব পাৰে দুৰ্বল প্ৰাৰ্থী। যদি তেনে হয় তেন্তে শক্তিশালী প্ৰাৰ্থী ৰেহান বঞ্চিত হৈ মাহমদ বা ইমৰানে লাভ কৰিব পাৰে কংগ্ৰেছৰ টিকট। যদি মহিলা প্ৰাৰ্থী বা মহিলা আসন সংৰক্ষণৰ কথা আহে তেন্তে একমাত্ৰ মহিলা প্ৰাৰ্থী ৰেজিয়া চুলতানাৰ কপাল ফুলিব পাৰে। কিন্তু ৰাইজে কেনেদৰে লয় সময়ত আচলতে বিবেচিত হ'ব। ২৬ নিৰ্বাচনৰ ডাঙৰ কথাটো হল কৃষক মুক্তি সংগ্ৰাম সমিতিৰ শক্তিশালী ভেটি থকা ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ জনপ্ৰিয়তা থকা সমষ্টিটোত এইবাৰ কোনো প্ৰাৰ্থীত্ব প্ৰত্যাশী নাই। পূৰ্বে দিলৱাৰা বেগমে ৰাইজৰ দলৰ পৰা নিৰ্বাচন খেলি পৰাজিত হোৱাৰ পিছতে আন কোনো প্ৰাৰ্থীয়ে সাহস কৰা নাই আজমলৰ সমষ্টিটোত নিৰ্বাচন খেলাৰ। পিছে ধনবলৰ ৰাজনীতিত আজমলৰ পৰৱৰ্তী উত্তৰাধিকাৰী কোন হ'ব এয়া সময়ত লক্ষণীয় হ'ব।

### চূড়ান্ত খেলত প্ৰথম পুৰস্কাৰ লাভ কৰে PANDA 11 বামুণীগাঁও দলে

# বকোৰ শিংৰাত টেনিচ্ বল ক্ৰিকেট প্ৰতিযোগিতাৰ সামৰণি

**অসম বাৰ্তা, বকো, ২২ জানুৱাৰী ঃ** কামৰূপ জিলাৰ বকোৰ শিংৰাত শিংৰা পালাহপাৰা যুৱক সংঘৰ উদ্যোগত জুবিন গাৰ্গৰ সোঁৱৰণত ১৬ জানুৱাৰীৰ পৰা ২০ জানুৱাৰীলৈ ৫ দিনীয়াকৈ প্ৰাইজমানি টেনিচ্ বল ক্ৰিকেট প্ৰতিযোগিতা ২০ জানুৱাৰীত সমাপ্ত পৰে। শিংৰা পালাহপাৰা যুৱক সংঘৰ সমিতি সভাপতি সভাপতি খৰ্গেশ্বৰ ৰাভা, সম্পাদক খনিন্দ্ৰ নাথ আৰু জীবেশ্বৰ পাঠকে জনোৱা অনুসৰি ১৬ জানুৱাৰীৰ পৰা আৰম্ভ হোৱা ২০ জানুৱাৰীলৈ ৫ দিনীয়া টেনিচ্ বল ক্ৰিকেট প্ৰতিযোগিতাত ১৬টা দলে অংশগ্ৰহণ কৰে। এই প্ৰাইজমানি টেনিচ্ বল ক্ৰিকেট প্ৰতিযোগিতা ২০ জানুৱাৰীত চূড়ান্ত খেল অনুষ্ঠিত কৰা হয়। এই চুৰান্ত খেলখনত প্ৰতিদ্বন্দ্বিতা কৰে PANDA 11 বামুণীগাঁও দল আৰু বকো ক্ৰিকেট দল। চুৰান্ত খেলত প্ৰতিদ্বন্দ্বিতা কৰা PANDA 11 বামুণীগাঁও দলে প্ৰথম পুৰস্কাৰ ৫০ হাজাৰ টকা পাবলৈ সক্ষম হয় আৰু দৃতীয় পুৰস্কাৰ বকো ক্ৰিকেট দলে ৩০ হাজাৰ টকা লাভ কৰে। চূড়ান্ত খেলৰ অনুষ্ঠানত অতিথি হিচাবে উপস্থিত থাকে গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য নগৰমল স্বৰ্গীয়াৰী, বিজেপি ৰাজ্যিক এচ টি মৰ্চাৰ উপ সভাপতি ৰাজু মেচ আৰু বিজেপিৰ দলৰ বহু কেইগৰাকী দলীয় কৰ্মী।

# বকোত দক্ষিণ পশ্চিম কামৰূপ ছাত্ৰ সন্থাৰ ২২ সংখ্যক বাৰ্ষিক অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, বকো, ২২ জানুৱাৰী ঃ** অসমৰ জাগ্ৰত প্ৰহৰী সদৌ অসম ছাত্ৰ সন্থাৰ অন্যতম আঞ্চলিক সাংগঠনিক গোট কামৰূপ জিলাৰ দক্ষিণ পশ্চিম কামৰূপ ছাত্ৰ সন্থাৰ এই বেলি ২২ সংখ্যক বাৰ্ষিক অধিৱেশন দুদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত হৈ যায়। সদৌ অসম ছাত্ৰ সন্থাৰ সম্পুৰ্ণ সাংগঠনিক নীতি আদৰ্শৰে পৰিচালিত দক্ষিণ পশ্চিম কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি মানস প্ৰতীম শৰ্মা আৰু সম্পাদক অজিত আলীয়ে জনোৱা অনুসৰি ১৯ জানুৱাৰী আৰু ২০ জানুৱাৰীত দুই দিনীয়াকৈ আয়োজন কৰা হৈছিল ছাত্ৰ সন্থাৰ ২২ সংখ্যক বাৰ্ষিক অধিৱেশন খন। ইফালে অধিবেশনৰ বিস্তৃত কাৰ্য্যসূচী অনুসৰি ১৯ জানুৱাৰীত অন্যান্য বিধি ব্যৱস্থাৰ লগতে দক্ষিণ পশ্চিম কামৰূপ ছাত্ৰ সন্থাৰ শেষৰখন কাৰ্য্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। ইফালে ২০ জানুৱাৰীত অনুষ্ঠিত হয় অধিবেশনৰ মূল কাৰ্য্যক্ৰমণিকা। ২০ জানুৱাৰীৰ কাৰ্য্যসূচী অনুসৰি ৰাতিপুৱা সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে সভাপতি মানস প্ৰতীম শৰ্মাই। শ্বহীদ তৰ্পণ কৰে সাধাৰণ সম্পাদক অজিত আলীয়ে। গছপুলি ৰোপণ কৰে কেৱাজনো বিশিষ্ট ব্যক্তিয়ে। অধিবেশনৰ মুল কাৰ্য্যক্ৰমণিকা প্ৰতিনিধি সভা। সভাত ছাত্ৰ সন্থাৰ নীতি আদৰ্শৰ ওপৰত আলোকপাত কৰে পৰ্য্যবেক্ষক সকলে। সভাপতি মানস প্ৰতীম শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাত দক্ষিণ পশ্চিম কামৰূপ ছাত্ৰ সন্থাৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ কাৰ্য্যক্ৰমণিকাৰ ওপৰত বিষদ আলোচনা কৰি বহু সামাজিক আৰু শৈক্ষিক উন্নয়নৰ প্ৰস্তাৱ গ্ৰহণ কৰে। ইয়াৰ পিছতে আৰম্ভ হয় বিষয় বাছনি সভা। বিষয় বাছনি সভাৰ জৰিয়তে আগন্তুক দিনত দক্ষিণ পশ্চিম কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি হিচাপে ৰিংকু ৰাভাক আৰু সাধাৰণ সম্পাদক হিচাপে জয়ন্ত কলিতাক দায়িত্ব প্ৰদান কৰা হয়। ইয়াৰ উপৰিও সকলো বিভাগৰ দায়িত্ব অৰ্পণ কৰি পূৰ্ণাংগ সমিতিখন গঠন কৰা হয়। ইফালে সন্ধিয়া পৰত শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰে দক্ষিণ পশ্চিম কামৰূপ ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক বশিষ্ঠ দেৱ শৰ্মাই। ইয়াৰ পিছতে সন্ধিয়া পৰত অসমীয়া জাতীয় জীৱনৰ সম্পদ প্ৰয়াত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অসম উন্নতি সভাৰ কাৰ্য্যনিৰ্বাহক তথা জ্যেষ্ঠ সমাজ কৰ্মী ৰমেশ চন্দ্ৰ ডেকাই। হামিং সম্ৰাট খ্যাত গণশিল্পী প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অসম উন্নতি সভাৰ আন এগৰাকী কাৰ্য্যনিৰ্বাহক জয়দেৱ অধিকাৰীয়ে। ইয়াৰ পিছতে সাংস্কৃতিক অনুষ্ঠানত দৰদী কণ্ঠশিল্পী মৰমী শৰ্মা, পাঞ্চুনা খ্যাত ড° বুলুমণি ৰাভা, ডাঃ সুদীপ ৰঞ্জন মেধি, ৰাম কিষাণ দাস, দুলুমণি, বিশ্বজিৎ ৰাভা, ৰুদ্ৰ সাগৰ, ডেভিদ, হিতেশ ৰাভাৰ গীতৰ শৰাই পৰিবেশন কৰা হয়।

পূৰ্বৰ ৰাজনৈতিক ইতিহাসে আশাত চেঁচাপানী ঢালিব নেকি টিকট প্ৰত্যাশী ডাঃ ফৰিদুল হুছেইনৰ

# কাৰ হাতলৈ যাব লাহৰীঘাট সমষ্টিত কংগ্ৰেছৰ টিকট ?

**অসম বাৰ্তা, ভূৰাগাঁও, ২২ জানুৱাৰী ঃ** ক্ৰমে গৰম হৈ আহিছে মৰিগাঁও জিলাৰ কংগ্ৰেছৰ দূৰ্গ লাহৰীঘাট সমষ্টিৰ ৰাজনৈতিক বতাহ। ৰাজ্যত বিজেপিৰ জয়জয়কাৰ চলি থকা সময়তো কংগ্ৰেছ দলৰ অভিলেখ সংখ্যক টিকট প্ৰত্যাশীয়ে টিকটৰ বাবে আবেদন কৰা কাৰ্যক কংগ্ৰেছৰ দলীয় নেতৃত্বই আশাব্যঞ্জক হিচাপে চিহ্নিত কৰিলেও একাংশই টিকট প্ৰত্যাশীৰ ভিৰক আগন্তুক নিৰ্বাচনত কংগ্ৰেছৰ বিসংবাদী ৰাজনীতিৰ উকমুকনি বুলিহে অভিহিত কৰিছে। স্বাধীনতাৰ পাছৰ পৰাই মাত্ৰ এবাৰ কংগ্ৰেছ এছৰ হাতলৈ যোৱা মধ্য অসমৰ কংগ্ৰেছৰ দূৰ্গ হিছাবে চিহ্নিত লাহৰীঘাট সমষ্টিত এইবাৰ মাত্ৰ তিনিজন লোকে কংগ্ৰেছৰ টিকটৰ বাবে আবেদন কৰিছে। সেইকেইজন ক্ৰমে বৰ্তমানৰ বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰ, ডাঃ ফৰিদুল হুছেইন আৰু এমদাদ হুছেইন। সমষ্টি টোত দীৰ্ঘ দিনৰ পৰা বিশিষ্ট চিকিৎসক ডাঃ ফৰিদুল হুছেইনে কংগ্ৰেছৰ টিকট দাবী কৰি নিজৰ প্ৰচাৰ চলাই আহিছে। ফৰিদুল হুছেইনক সংগ দিছে সমষ্টি টোৰ কেবাজনো জিলা পৰিষদৰ সদস্যৰ লগতে একাংশ কংগ্ৰেছ কৰ্মীয়ে। ইফালে আনজন টিকটৰ আৱেদক এমদাদ হুছেইন অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক। এমদাদ হুছেইনে টিকটৰ আৱেদন কৰিছে যদিও বিধায়ক আছিফ মহম্মদ নাজাৰক এঘৰীয়া কৰি এতিয়াও নিজাকৈ সভা সমিতি আহ্বান কৰি নিৰ্বাচনী প্ৰচাৰত নমা নাই। কিন্তু ফৰিদুল হুছেইনে টিকট বিছাৰি আবেদন কৰাৰ সমান্তৰালকৈ বিধায়ক ডাঃ আছিফ নাজাৰক একাশৰীয়া কৰি নিজাকৈ সভা সমিতি পাতি প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। যাৰ বাবে সমষ্টি টোত বিসংবাদী ৰজনীতিয়ে গা কৰি উঠিছে। ডাঃ আছিফ মহম্মদ নাজাৰ আৰু ডাঃ ফৰিদুল হুছেইনক লৈ বৰ্তমান দুটা গোটে বেলেগে বেলেগে প্ৰচাৰ কাৰ্য অব্যাহত ৰাখিছে। এমদাদ হুছেইনে কৌশলেৰে দলীয় অনুশাসন ৰক্ষা কৰি নিজৰ অভিযান চলাইছে। লাহৰীঘাট সমষ্টি টোৰ ৩০টা পঞ্চায়তত প্ৰায় তিনি লক্ষাধিক ভোট আছে। ইফালে সমষ্টি টোত কেইটামান পঞ্চায়তত অগপৰ ভোটাৰ থকাৰ বিপৰীতে কংগ্ৰেছৰ পিছতে সমষ্টি টোত সৰ্বাধিক সমৰ্থক থকা দলটো হৈছে এ আই ইউ ডি এফ। অৱশ্যে ধুবুৰীত বদৰ উদ্দিন আজমলৰ পৰাজয়ৰ পাছত মধ্য অসমত এ আই ইউ ডি এফৰ ভেটি কিছু দুৰ্বল হৈছে। তথাপি লাহৰীঘাট সমষ্টিত এ আই ইউ ডি এফৰ ভেটি একেবাৰে দুৰ্বল বুলি কব নোৱাৰি। এনে সন্ধিক্ষণত লাহৰীঘাট সমষ্টিত কংগ্ৰেছ দলে এইবাৰ কাক টিকট দিয়ে তাক লৈ তীব্ৰ চৰ্চা চলি থকা সময়তে পূৰ্বৰ ৰাজনৈতিক ইতিহাসে বিধিপথালি দিছে ডাঃ ফৰিদুল হুছেইনৰ টিকট যুঁজত। সম্প্ৰতি সামাজিক মাধ্যমত একাংশই ভাইৰেল কৰা ডাঃ ফৰিদুল হুছেইনৰ কিছু ফাইল ফটোৱে বিপাঙত পেলাইছে ফৰিদুলৰ সমৰ্থকক। প্ৰমাণ হিছাবে উক্ত ফটো সমূহ সামাজিক মাধ্যমত চেয়াৰ কৰি একাংশ কংগ্ৰেছ কৰ্মীয়েই দাবী কৰিছে যে ডাঃ ফৰিদুল হুছেইন শুদ্ধ কংগ্ৰেছী নহয়। সামাজিক মাধ্যমত চেয়াৰ কৰা উক্ত ফটো সমূহত ডাঃ ফৰিদুল হুছেইনক দেখা গৈছে ২০২১ চনৰ বিধানসভা নিৰ্বাচনৰ এ আই ইউ ডি এফৰ প্ৰাৰ্থী ছিদ্দিক আহমেদৰ প্ৰচাৰ সভাত। ছিদ্দিকৰ প্ৰচাৰ সভাত ছিদ্দিকৰ সৈতে মঞ্চত একেলগে দেখা গৈছে কংগ্ৰেছৰ এইবাৰৰ অন্যতম টিকট প্ৰত্যাশী ডাঃ ফৰিদুল হুছেইনক। একেদৰে একাংশ ফটোত বিধানসভাৰ উপাধ্যক্ষ নোমল মমিনৰ সৈতে ফৰিদুলক দেখা গৈছে বিশেষ কিছু অন্তৰংগ মুহূৰ্তত। আনকি নোমল মমিনে নিজৰ পেইজত ডাঃ ফৰিদুল হুছেইমেৰে একেলগে উঠা ফটো চেয়াৰ কৰি, বিজেপি চৰকাৰৰ কাম কাজ ডাঃ ফৰিদুলে প্ৰশংসা কৰা বুলিও লেখিছে। এনে বোৰ ফটো আদি চেয়াৰ কৰি একাংশ কংগ্ৰেছ কৰ্মীয়ে ডাঃ ফৰিদুল হুছেইনক এ আই ইউ ডি এফ আৰু বিজেপিৰ সমৰ্থক বুলিহে প্ৰকাৰান্তৰে দাবী কৰিছে। এই ফটো সমূহেই এতিয়া ডাঃ ফৰিদুল হুছেইনৰ টিকট লাভৰ বাটৰ কণ্টক হৈ পৰিছে। এনেবোৰ কাৰণত লাহৰীঘাট সমষ্টিৰ কংগ্ৰেছৰ টিকটৰ অন্যতম দাবীদাৰ ডাঃ ফৰিদুল হুছেইনে টিকট লাভ কৰাৰ পথ সিমান মশ্ৰিণ নহয়। সেয়ে হলে লাহৰীঘাট সমষ্টিত কংগ্ৰেছৰ টিকটৰ অন্তিম যুঁজ হ'ব এমদাদ হুছেইন আৰু ডাঃ আছিফ মহম্মদ নাজাৰৰ মাজত। সাংগঠনিক কাম কাজেৰে মৰিগাঁও কংগ্ৰেছলৈ যথেষ্ট অৰিহনা থাকিলেও এমদান হুছেইনে নিৰ্বাচনী ব্যয় বহন কৰিব পাৰিবনে নোৱাৰে তাক লৈ সন্দেহ আছে। দীৰ্ঘ সময় বিৰোধীৰ আসনত থকা কংগ্ৰেছ নেতৃত্বই প্ৰাৰ্থীক ধনে ধানে বৰ বিশেষ সহায় কৰিব নোৱাৰিব যেন লাগে। এনেক্ষেত্ৰত লাহৰীঘাট সমষ্টিত পুনৰ বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰৰে টিকট পোৱাৰ পথ প্ৰসস্ত হৈ পৰাৰ সম্ভাৱনা অধিক। কিয়নো বিৰোধী দলৰ বিধায়ক হিছাবে সমষ্টি উন্নয়নত বৰ বিশেষ সফলতা নাথাকিলেও দলৰ "চিটিং গেটিং" নীতিয়ে টিকট লাভত প্ৰাধান্য পোৱাৰ সম্ভাৱনা আছে। কংগ্ৰেছ দলৰ অতি দুৰ্গত সময়তো ডাঃ আছিফ নাজাৰকে ধৰি মুষ্টিমেয় কেইজনমান বিধায়কেই দলীয় কাৰ্যসূচী সমূহ চলাই গৈছিল। তদুপৰি বয়সৰ ফালৰ পৰাও ডাঃ আছিফ মহম্মদ নাজাৰ নতুন প্ৰজন্মৰ প্ৰতিনিধি। তথাপি ডাঃ ফৰিদুল হুছেইনে ডাঃ আছিফ মহম্মদ নাজাৰৰ টিকট লাভৰ বাটত কিছু হলেও প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল যদিও লাহৰীঘাটৰ পূৰ্বৰ ৰাজনৈতিক ইতিহাসে ডাঃ ফৰিদুলৰ আশাত চেঁচা পানী ধালাৰ সম্ভাৱনা প্ৰকট কৰি তুলিছে। তাৰ বিপৰীতে ডাঃ আছিফ মহম্মদ নাজাৰৰ টিকট লাভৰ পথ মশ্ৰিন হৈ পৰিছে লাহৰীঘাটত। বৰ্তমাণৰ পৰিবেশ অব্যাহত থাকিলে পুনৰ লাহৰীঘাট সমষ্টিৰ টিকটৰ যুঁজত শেষ হাঁহি মাৰিব বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰে।

ভাওনাই সকলোকে আধ্যাত্মিক চেতনাৰে সচেতন কৰি সদাচাৰী জীৱনৰ প্ৰতি সজাগ কৰে -ড° পীতাম্বৰদেৱ গোস্বামী

# অসম ভাওনা সমাৰোহত মাজুলী মহাবিদ্যালয়ৰ উদ্যোগত আলোচনা চক্ৰ

**অসম বাৰ্তা, মাজুলী, ২২ জানুৱাৰী ঃ** যোৱা ১৮ জানুৱাৰীৰ পৰা মাজুলীৰ আউনীআটী সত্ৰত অনুষ্ঠিত হৈ থকা অসম ভাওনা সমাৰোহত দৰ্শকৰ ভিৰত বিৰ দি বাট নোপোৱা অৱস্থা হৈছে। প্ৰচণ্ড শীতকো নেওচি ভাওনা দৰ্শন কৰিবলৈ ওলাই অহা দৰ্শকৰ সংখ্যা দিনক দিনে বাঢ়িবলৈ লোৱাটোৱেই প্ৰমাণ কৰিছে যে ২০০৬ চনতে আৰম্ভ কৰা অসম ভাওনা সমাৰোহে ৰাইজক ভাওনাৰ প্ৰতি আগ্ৰহী কৰি তুলিছে। প্ৰতিদিনে ৰাতিৰ দুটা দৰ্শনীৰ ভাওনাৰ কাৰ্যসূচীৰ উপৰি দিনৰ ভাগত অনুষ্ঠিত হৈছে বিভিন্ন ব্যতিক্ৰমী অনুষ্ঠান। আজি পুৱা ১১ বজাৰ পৰা আউনীআটী সত্ৰৰ 'মণিকাঞ্চন ৰংগক্ষেত্ৰ'ত অনুষ্ঠিত হয় 'অসমৰ ভাওনা পৰম্পৰাঃ প্ৰায়োগিক আৰু আধ্যাত্মিক তাৎপৰ্য' শীৰ্ষক এক মনোগ্ৰাহী আলোচনা চক্ৰ। মাজুলীৰ প্ৰথমখন উচ্চ শিক্ষাৰ অনুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ উদ্যোগত আৰু অসম ভাওনা সমাৰোহ সমিতিৰ সহযোগত আয়োজিত আলোচনা চক্ৰখনি সঞ্চালনা কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। অসম ভাওনা সমাৰোহৰ প্ৰধান সম্পাদক তুলসী ৰাজখুৱাই আঁত ধৰা অনুষ্ঠানটি শুভাৰম্ভ কৰা হয় শ্ৰীশ্ৰীআউনীআটী সত্ৰ সাংস্কৃতিক সেৱা সমিতিৰ দ্বাৰা পৰিৱেশিত, গোবিন্দ ওজা, বিজিত শইকীয়া পৰিচালিত আৰু প্ৰয়াত সত্ৰাধিকাৰ হেমচন্দ্ৰ দেৱ গোস্বামী ৰচিত এটি গুৰুবন্দনাৰে। এক আধ্যাত্মিক ভাবেৰে গুৰুগম্ভীৰ পৰিৱেশত মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰাই সকলোকে আজিৰ অনুষ্ঠানলৈ আদৰণি জনায়। বিশিষ্ট শিল্পী তথা আউনীআটী বিশ্ববিদ্যালয় পৰিৱেশ্য কলা কেন্দ্ৰৰ অধ্যাপক, মাজুলী জিলা নাট্য সন্মিলনৰ সভাপতি ৰঞ্জিৎ কুমাৰ ভূঞাই উদ্বোধনী ভাষণ প্ৰসংগত বৰ্তমান সময়ত গুৰু দুজনাৰ অপূৰ্ব সৃষ্টি ভাওনাক নৱপ্ৰজন্মৰ মাজত জনপ্ৰিয় কৰাৰ প্ৰাসংগিকতা সম্পৰ্কে ব্যাখ্যা কৰে। আলোচনা চক্ৰত মুখ্য বক্তা আউনীআটীয় সত্ৰাধিকাৰ তথা আউনীআটী বিশ্ববিদ্যালয়ৰ আচাৰ্য ডঃ পীতাম্বৰদেৱ গোস্বামীয়ে কয়- "মহাপুৰুষ শংকৰদেৱৰ অভিনৱ সৃষ্টি ভাওনাৰ চৰ্চা আৰু অনুশীলনে মানুহক দিব পাৰে সৌন্দৰ্যপ্ৰয়াসী মন আৰু গধুৰ চিন্তা-ভাৱনা, যি ভাৱনাৰে মানুহে নিজকে প্ৰতিষ্ঠা কৰিব পাৰে দীৰ্ঘদৰ্শী চিন্তাৰ নায়কস্বৰূপে। ভাওনাই আধ্যাত্মিকতা, নৈতিকতা, সংযমী, সদাচাৰী, মূল্যবোধসম্পন্ন, শালীনতাবিশিষ্ট, সচ্চৰিত্ৰপৰায়ণ ব্যক্তি হিচাপে গঢ়ি তুলি মানৱ জীৱন সফল কৰি তুলিব পাৰে। ভাওনাৰ সমস্ত পৰিৱেশন ৰীতিয়ে যেনেকৈ সকলোকে আধ্যাত্মিক চেতনাৰে সচেতন কৰি তোলে, তেনেকৈ সদাচাৰী জীৱনৰ প্ৰতিও সকলোকে সজাগ কৰি তোলে।" ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা কেন্দ্ৰ সহকাৰী অধ্যাপক, সত্ৰীয়া শিল্পী ডঃ যাদৱ বৰাই ভাওনা সংস্কৃতিৰ তত্ত্বগত আৰু ব্যৱহাৰিক প্ৰযোজনীয়তা সম্পৰ্কে আলোকপাত কৰে। সঞ্চালকৰ ভাষণত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, দুজনা গুৰুৰ অনৱদ্য অৱদান ভাওনা অসমীয়াৰ শিৰৰ ভূষণ। মানৱ জীৱন জাতিষ্কাৰ কৰিবৰ বাবে প্ৰয়োজনীয় সকলো নীতি-আদৰ্শ ভাওনাৰ অভ্যন্তৰতে লুকাই আছে। আউনীআটী সত্ৰৰ ডেকাধিকাৰ দেৱানন্দদেৱ গোস্বামী সন্মানীয় অতিথি হিচাপে উপস্থিত থকা আলোচনা চক্ৰত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকা, নৰেন চন্দ্ৰ ঠাকুৰীয়া, ডিম্বেশ্বৰ বৰা বায়ন, কিশোৰী মোহন পাল, দুৰ্গাপ্ৰসাদ হাজৰিকা, ড° আনন্দ হাজৰিকা, ড° ৰাজেন চন্দ্ৰ বৰা, ৰুদ্ৰকান্ত শৰ্মা, ধীৰেন্দ্ৰ নাথ বৰা, খগেন হাজৰিকা, নীলোৎপল হাজৰিকা, কৃষ্ণ শৰ্মা, লোহিত বৰা, ডিম্বেশ্বৰ দত্ত, কুশল হাজৰিকা, দিলীপ ভূঞা, দুলেন শইকীয়া, গোবিন বৰা, জগত হাজৰিকা, ভৱানী প্ৰসাদ বৰা, ধীৰেন বৰা, যুগল ভূঞা, ব্ৰজেন বৰা, নলীন বৰা, ৰূপেশ্বৰ বৰা, গোলাপ বৰবায়ন, ললিত শইকীয়া, চন্দ্ৰধৰ বৰা, দেৱেন শইকীয়া প্ৰমুখ্য দ্বিশতাধিক অংশগ্ৰহণকাৰী উপস্থিত থাকে।

লোকে-লোকাৰণ্য ৰংদৈ দ-গাঁও বৰ নামঘৰ ক্ষেত্ৰৰ শিশু ভাওনা সমাৰোহস্থলী

# সমাজত শিশু ভাওনা সমাৰোহে আধ্যাত্মিক দিশত নতুন মাত্ৰা প্ৰদান কৰিছে ঃ আৰক্ষী বিষয়া ঋষীকেশ হাজৰিকা

**অসম বাৰ্তা, যোৰহাট, ২২ জানুৱাৰী ঃ** সমাজত শিশু ভাওনা সমাৰোহে আধ্যাত্মিক পৰিৱেশৰ এক নতুন মাত্ৰা প্ৰদান কৰিছে। বৰ্তমান সমাজত দেখা দিয়া উচ্ছৃঙ্খল পৰিৱেশৰ অন্ত পেলাবলৈ হ'লে কেৱল আৰক্ষী প্ৰশাসন থাকিলেই নহ'ব, ৰাইজৰ সহযোগ, আৰু উঠি অহা প্ৰজন্মক আধ্যাত্মিক শিক্ষা প্ৰদানৰো ব্যৱস্থা কৰিব লাগিব, তেতিয়া হে আমি এখন শৃংখলিত সমাজ লাভ কৰিব পাৰিম। সেয়া মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ সৃষ্টি ৰাজীমূলত ভাওনা পৰিৱেশনৰ আধ্যাত্মিক জ্ঞান তত্ত্বই আমাক প্ৰদান কৰিছে। আনহাতে শিশু সকলক সাহিত্য সংস্কৃতি, ভাওনাৰ জ্ঞান দিয়াৰ সামান্তৰালকৈ যুগ সাপেক্ষে শিক্ষা প্ৰদানৰ দিশতো জেষ্ঠ সকলে সামাজিক দায়বদ্ধতা ৰাখিব পাৰিলে ভাল। ৰংদৈ দ-গাঁও বৰ নামঘৰ ক্ষেত্ৰৰ (লবোৰাম শটকীয়া ৰাজহুৱা খেল পথাৰত) অনুষ্ঠিত সদৌ অসম শিশু ভাওনা সমাৰোহত দ্বিতীয় দিনাৰ ভাওনা আৰম্ভণিৰ প্ৰাক মুহূৰ্তত যোৰহাট জিলা সদৰ থানাৰ আৰক্ষী বিষয়া ঋষীকেশ হাজৰিকাই এই দৰে কয়। ১৮ জানুৱাৰীৰ পৰা ৰংদৈ দ-গাঁৱত অনুষ্ঠিত সদৌ অসম শিশু ভাওনা সমাৰোহৰ দ্বিতীয় দিনাৰ কাৰ্যসূচীত অসম চৰকাৰৰ সৰ্বোচ্চ অসামৰিক সন্মান অসম গৌৰৱ বঁটা প্ৰাপক আকাশ গগৈকো উদ্‌যাপন সমিতিৰ তৰফৰ পৰা আদৰণি জনায়। উদ্যোক্তা প্ৰাঞ্জল কলিতাই আতধৰা অনুষ্ঠানত ১৯ জানুৱাৰীত যোৰহাট বৰুৱা পুখুৰী শিল্পী সকলে পৰিৱেশন কৰে নাটক "অম্বাৰ দেহ ত্যাগ" দ্বিতীয়খন ভাওনা "বিপ্ৰ দামোদৰ আখ্যান দন্তবক্ৰৰ মুক্তি লাভ" নাটক পৰিৱেশন কৰে গোলাঘাটৰ জ্ঞানতৰু সন্মিলিত শিল্পী সমাজে। ২০ জানুৱাৰীত প্ৰথমখন নাটক তিনিচুকীয়াৰ প্ৰয়াস সাংস্কৃতিক গোষ্ঠীয়ে "ধ্ৰুৱ চৰিত্ৰ" নাটক আৰম্ভৰ প্ৰাকক্ষণত যোৰহাট জিলা পশুপালন বিভাগৰ জিলা বিষয়া ৰিপুঞ্জয় চক্ৰৱৰ্তী আৰু সমাজকৰ্মী সৌৰভ বৰা উপস্থিত থাকি চমু বক্তব্য আগবঢ়ায়। দ্বিতীয়খন উত্তৰ লক্ষ্মীমপুৰৰ মুৰাৰী গড়েহগা আঞ্চলিক শিশু ভাওনা দলে "দুষ্মন্ত শকুন্তলা পুনৰ মিলন" নাটক পৰিৱেশন কৰে। ২১ জানুৱাৰীত প্ৰথম নাটক শঙ্কৰ মাধৱ শিল্পী সমাজ বৰহোলাই পৰিৱেশন কৰিব "গৰুড়ৰ অমৃত হৰণ, বিনতা দাসত্ব মোচন" আৰু দ্বিতীয়খন নাটক পৰিৱেশন কৰিব লাহিং নকছাৰীৰ শিল্পী সকলে "দক্ষ যজ্ঞ"। ২২ জানুৱাৰীত প্ৰথমখন নাটক "শকুনিৰ প্ৰতিশোধ" পৰিৱেশন কৰিব দুলীয়াজানৰ ভাদৈ চাৰিআলিৰ আলোক সমন্বয় নাট্য গোষ্ঠীয়ে আৰু দ্বিতীয়খন "লক্ষণ বৰ্জন" নাটক পৰিৱেশন কৰিব শিৱসাগৰ শিমলুগুৰিৰ মধুসূদন শিল্পী সমাজে। ২৩ জানুৱাৰীত প্ৰথমখন নাটক ডিমৌ সাংস্কৃতিক গোষ্ঠী নাটঘৰে পৰিৱেশন কৰিব "শ্ৰীশ্ৰী ৰাম পৰাজয়, সীতা পাতাল গমন" আৰু দ্বিতীয়খন নাটক "ধ্ৰুৱ চৰিত্ৰ" যোৰহাট ন-সত্ৰৰ অভিনন্দন সাংস্কৃতিক গোষ্ঠীয়ে পৰিৱেশ কৰিব। ২৪ জানুৱাৰীত প্ৰথমখন নাটক যোৰহাটৰ ৰংদৈ দ-গাঁৱৰ শিশু ভাওনা দলে ভাগৱত দৰ্শন নাটক পৰিৱেশন কৰাৰ পাছতে নিশা লৈ ভাওনাৰ ফলাফল ঘোষণা আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হ'ব।

৭২ সংখ্যক ঢেকীয়াজুলি কেন্দ্ৰীয় ৰঙালী বিহুত আমি কিছু নতুনত্ব আনিব বিচাৰিছোঁ ঃ ৰোহিনী কেউট, কল্পজ্যোতি নাথ

# ঢেকীয়াজুলিত ৭২ সংখ্যক কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত



**অসম বাৰ্তা, ঢেকীয়াজুলি, ২২ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি বিহু ভৱনত আজি ৭২ সংখ্যক ঢেকীয়াজুলি কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ এখনি গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। আগন্তুক ৰঙালী বিহু সন্মিলন সাফল্যমণ্ডিত কৰি তোলাৰ উদ্দেশ্যে অনুষ্ঠিত এই সভাখনত বিভিন্ন দিশত আলোচনা আৰু পৰিকল্পনা কৰা হয়। উক্ত কাৰ্যনিৰ্বাহক সভাত ৭২ সংখ্যক ঢেকীয়াজুলি কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ সভাপতি ৰোহিনী কেউট দেৱে সভাপতিত্ব কৰে। সভাৰ আৰম্ভণিতে যুটীয়া সম্পাদক কল্পজ্যোতি নাথ দেৱে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি বিহু সন্মিলনৰ পৰম্পৰা, সাংস্কৃতিক গুৰুত্ব আৰু সমাজিক একতাৰ ওপৰত আলোকপাত কৰে। আজিৰ সভাত সমাজকৰ্মী ৰাতুল কুমাৰ নাথ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মুখ্য উপদেষ্টা ৰাণা প্ৰতাপ বৰুৱা, বিশিষ্ট সমাজকৰ্মী দীপ্তি কুমাৰ কলিতা, ধ্ৰুৱভূষণ মহন্ত, দীলিপ সেনাপতি, দীপক দাস, সংবাদকৰ্মী প্ৰশান্ত বৈশ্য, জাহেদ আলী, সাংস্কৃতিক কৰ্মী গণেশ ডেকাৰ লগতে ৭২ সংখ্যক ঢেকীয়াজুলি কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ কাৰ্যকৰী সভাপতি নন্দলাল দাস, যুটীয়া সম্পাদক অঞ্জন বৰুৱা, ৭১ সংখ্যক ঢেকীয়াজুলি কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সম্পাদক মাধুৰ্য্য বৰা আৰু অন্যান্য বিষয়ববীয়া সকল উপস্থিত থাকে। সভাত বিহু উদ্‌যাপনৰ কাৰ্যসূচী, সাংস্কৃতিক অনুষ্ঠান, আতিথ্য ব্যৱস্থা, স্বেচ্ছাসেৱক নিয়োগ, লগতে শান্তিপূৰ্ণ আৰু সুশৃঙ্খলভাৱে বিহু সন্মিলন আয়োজনৰ বাবে ল'বলগীয়া বিভিন্ন ব্যৱস্থাৰ বিষয়ে বিস্তৃত আলোচনা কৰা হয়। উপস্থিত সদস্যসকলে নিজ নিজ মতামত আগবঢ়াই সন্মিলনটোক অধিক সাৰ্থক আৰু বৰ্ণাঢ্য কৰি তুলিবলৈ একত্ৰিত ভাৱে কাম কৰাৰ আহ্বান জনায়। শেষত সভাপতি ৰোহিনী কেউট দেৱে সকলোৰে সহযোগিতা আৰু সক্ৰিয় অংশগ্ৰহণেৰে ৭২ সংখ্যক ঢেকীয়াজুলি কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন সফলভাৱে সম্পন্ন হ'ব বুলি মতপোষণ কৰে।

লালিগুৰ ব্যৱসায়ীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবীৰে আৰক্ষী থানাত স্মাৰক পত্ৰ প্ৰদান

# জৰাধৰাত সাংবাদিকক প্ৰাণনাশৰ ভাবুকি

**অসম বাৰ্তা, আমগুৰি, ২২ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ গৌৰীসাগৰ আৰক্ষী থানাৰ অন্তৰ্গত জৰাধৰা গাঁৱত অবৈধ চুলাই ভাটী উচ্ছেদ আৰু লালিগুৰ জব্দৰ ঘটনাৰ পিছতেই সাংবাদিকক প্ৰাণনাশৰ ভাবুকি প্ৰদান কৰা ঘটনাই জিলাজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, মংগলবাৰে শিৱসাগৰ জিলাৰ শীৰ্ষ আৰক্ষী বিষয়াৰ নেতৃত্বত গৌৰীসাগৰ আৰক্ষীয়ে জৰাধৰা গাঁৱৰ নিবাসী কুশ বৰুৱাৰ বাসগৃহত অভিযান চলাই অবৈধ চুলাই ভাটি উচ্ছেদ কৰে। অভিযানকালত আৰক্ষীয়ে চুলাই প্ৰস্তুতৰ বাবে ব্যৱহৃত ছটাকৈ ড্ৰাম নষ্ট কৰাৰ লগতে কুশ বৰুৱাৰ খেৰ ৰখা গৃহৰ পৰা ১৩ টিং লালিগুৰ জব্দ কৰে। অভিযানৰ পিছতেই লালিগুৰ ব্যৱসায়ী কুশ বৰুৱা আৰু তেওঁৰ জোৱায়েক ধন বৰুৱাই জাঁজীৰ স্থানীয় সাংবাদিক প্ৰসেনজিৎ গগৈক ফোনযোগে ভাবুকি প্ৰদান কৰাৰো অভিযোগ উত্থাপন হৈছে। ইয়াৰোপৰি ধন বৰুৱাই সাংবাদিকজন থকা আত্মীয়ৰ ঘৰত উপস্থিত হৈও ভাবুকি প্ৰদান কৰে বুলি অভিযোগ উঠিছে। ঘটনাৰ পিছতে গৌৰীসাগৰ আৰক্ষীয়ে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰি সাংবাদিক প্ৰসেনজিৎ গগৈক উদ্ধাৰ কৰি আৰক্ষী নিৰাপত্তাৰ মাজেৰে নিজা গৃহলৈ প্ৰেৰণ কৰে। ইফালে সাংবাদিকৰ জীৱন আৰু নিৰাপত্তা নিশ্চিত কৰাৰ দাবীত আজি শিৱসাগৰ জিলা গ্ৰাম্য সাংবাদিক সংঘই আমগুৰি আৰক্ষী থানাত এখন স্মাৰক পত্ৰ দাখিল কৰে। সংঘৰ ভাৰপ্ৰাপ্ত সভাপতি দিগন্ত শৰ্মা আৰু সম্পাদক সমীৰণ দুৱৰাৰ স্বাক্ষৰিত স্মাৰক পত্ৰত অভিযুক্ত কুশ বৰুৱা আৰু ধন বৰুৱাৰ বিৰুদ্ধে কঠোৰ আইনগত ব্যৱস্থা গ্ৰহণৰ দাবী জনোৱা হৈছে। লগতে সাতদিনৰ ভিতৰত আৰক্ষীয়ে ব্যৱস্থা গ্ৰহণ নকৰিলে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলিও সংঘই জানিবলৈ দিয়ে। আনহাতে, সাংবাদিকক ভাবুকি প্ৰদান কৰা ঘটনাটোক অসমীয়া যুৱ মঞ্চ, বীৰ লাচিত সেনা, আটাছু আদি বিভিন্ন দল-সংগঠনে তীব্ৰ গৰিহণা দিয়াৰ লগতে অভিযুক্তসকলৰ বিৰুদ্ধে দৃষ্টান্তমূলক শাস্তিৰ দাবী জনায়।

## অভয়াপুৰীত বীৰ চিলাৰায় দিৱসৰ স্মৰণিকাৰ বাবে লেখা আহ্বান

**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ২২ জানুৱাৰী ঃ** ১ ফেব্ৰুৱাৰীত বিশ্ব মহাবীৰ চিলাৰায়ৰ ৫১৬ সংখ্যক জন্ম জয়ন্তী দিনজোৰা কাৰ্যসূচীৰে অভয়াপুৰী চিলাৰায় প্ৰতিমূৰ্তি প্ৰাঙ্গণত উদযাপন কৰা হ'ব। যোৱা ১৯ জানুৱাৰীত অভয়াপুৰীৰ চিলাৰায় ভৱনত অনুষ্ঠিত এখনি ৰাজহুৱা সভাত দীনেশ সৰকাৰক সভাপতি, চহেন ৰায়ক কাৰ্যকৰী সভাপতি আৰু অভিজিৎ ৰায়ক সম্পাদক হিচাপে লৈ এখনি শক্তিশালী উদযাপন সমিতি গঠন কৰা হয়। ইয়াৰ লগত সংগতি ৰাখি এক বিশেষ অনুষ্ঠানত "চিলা" শিৰোনামেৰে এখনি স্মৰণিকা প্ৰকাশৰ যো-জা কৰা হৈছে। কমল কান্তি চক্ৰৱৰ্তী আৰু কামাখ্যা প্ৰসাদ ৰায়ৰ সম্পাদনাত প্ৰকাশিতব্য উক্ত স্মৰণিকাত প্ৰকাশৰ বাবে বিশেষ লেখা(প্ৰবন্ধ/নিবন্ধ/চুটিগল্প/কথা কবিতা/কবিতা) আহ্বান কৰা হৈছে। ১ ফেব্ৰুৱাৰীৰ ভিতৰত এই বিশেষ লেখা ৭০০২৫৯৪১১৪/৮৬৩৮৯৮৯৭৮৪ নম্বৰত হোৱাটছএপ যোগে অথবা প্ৰত্যক্ষভাৱে প্ৰদান কৰি এইপ্ৰচেষ্টাক সাৰ্থক ৰূপ দিব বুলি সম্পাদনা সমিতিয়ে আশা প্ৰকাশ কৰিছে।

## জবাল-ই-ৰহমান একাডেমীত বিদায় সভা

**অসম বাৰ্তা, সোণতলী, ২২ জানুৱাৰী ঃ** কামৰূপ জিলাৰ ছমৰীয়া শিক্ষাখণ্ডৰ অধীনস্থ জবাল-ই-ৰহমান ম'ডেল একাডেমীত কালি এখন বিদায়ী সভা আয়োজন কৰে। এই সন্দৰ্ভত একাডেমীখনৰ পৰিচালন সঞ্চালক ফাইজুৰ ৰহমানৰ সঞ্চালনাত বিদায় সভা অনুষ্ঠিত কৰে। আগন্তুক মেট্ৰিক পৰীক্ষাৰ্থী ছাত্ৰ-ছাত্ৰীৰ বাবে আয়োজন কৰা এই বিদায় সভাত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে একাডেমীৰ অধ্যক্ষ কলিম উদ্দিনে। অনুষ্ঠিত বিদায় সভাত একাডেমীখনৰ পৰা দশম শ্ৰেণীৰ আগন্তক মেট্ৰিক পৰীক্ষাৰ্থীৰ ৩০ গৰাকীকৈ ছাত্ৰ-ছাত্ৰীয়ে আনুষ্ঠানিকভাৱে বিদায় গ্ৰহণ কৰে। বিদায়ী সভাত মালিবাৰী পথাৰ এল পি স্কুলৰ প্ৰধান শিক্ষক উমেদ আলী, বাডচ একাডেমীৰ সঞ্চালক আমিৰুল হক, কিছমত কাঠমী গাঁও পঞ্চায়তৰ সভানেত্ৰী ছেলিনা নাছৰিণ, তাজ উদ্দিন ম'ডেল একাডেমীৰ অধ্যক্ষ ৰবিয়ল হক আৰু ডেকাচাং হাইস্কুলৰ বিজ্ঞান শিক্ষক নুৰ মহম্মদ আলী প্ৰমুখ্যে অভিভাৱক-অভিভাৱিকা সকল উপস্থিত থাকে।

# ভেৰগাঁও সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ



**অসম বাৰ্তা, টংলা, ২২ জানুৱাৰী ঃ** ৰাজ্যৰ নাৰী সবলীকৰণৰ উদ্দেশ্যে চৰকাৰে ৰূপায়ণ কৰা মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আজি ভেৰগাঁও বিধানসভা সমষ্টিৰ ২৭, ৫৫৩ গৰাকী উদ্যমী মহিলা হিতাধীকাৰীক দহ হেজাৰ টকাকৈ উদ্যমিতা পূঁজিৰ চেক বিতৰণৰ শুভাৰম্ভ কৰে মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই। এই উপলক্ষ্যে ভেৰগাঁৱৰ জিলা ষ্টেডিয়ামত অনুষ্ঠিত সভা সম্বোধন কৰি মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই কয় যে আত্মসহায়ক গোট সমূহৰ প্ৰায় ৪০ লাখ মহিলাক সামৰি লৈ ৰাজ্য চৰকাৰে এই আঁচনিখন আৰম্ভ কৰিছে। অহা ফেব্ৰুৱাৰীৰ আগভাগত আত্মসহায়ক গোটৰ নিৰ্বাচিত মহিলাসকলৰ প্ৰতি গৰাকীক এই আঁচনিৰ প্ৰথম কিস্তিৰ ধন প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে প্ৰতি গৰাকী মহিলাক লাখপতি বাইদেউ গঢ়ি তোলাই আঁচনিখনৰ মূল লক্ষ্য। দহ হেজাৰ টকাৰ বীজ মূলধনৰ সদ্ব্যৱহাৰৰ জৰিয়তে নিজকে একোগৰাকী স্বাৱলম্বী মহিলা হিচাপে গঢ়ি তুলি পৰিয়ালৰ আৰ্থিক দিশৰ উন্নতিত সহায় আগবঢ়ালৈ তেওঁ মহিলা সকলক আহ্বান জনায়। মন্ত্ৰী গৰাকীয়ে কয় যে এগৰাকী মহিলা স্বাৱলম্বী হ'লে পৰিয়ালৰ লগতে সমাজতো তেওঁৰ সন্মান বৃদ্ধি পায়। বৰ্তমান চৰকাৰৰ কাৰ্যকালত উদ্যমিতা অভিযান, অৰুণোদয়, নিযুত মইনা, নিযুত বাবু, প্ৰধান মন্ত্ৰী আৱাস যোজনা, আয়ুষ্মান ভাৰতকে ধৰি একাধিকজন আঁচনি চলি থকা বুলি উল্লেখ কৰি মন্ত্ৰী বৰুৱাই বৰ্তমানলৈ মাত্ৰ এশ টকাতে দি থকা ১ কিলোগ্ৰামকৈ দাইল, চেনি আৰু নিমখ বিনামূলীয়াকৈ প্ৰদানৰ লগতে এক লিটাৰকৈ মিঠাতেল আগত সময়ত বিনামূলীয়াকৈ প্ৰদানৰ চিন্তা চৰ্চা কৰা বুলিও লগতে কয়। তেওঁ ভেৰগাঁও সমষ্টিত দুহেজাৰ অৰুণোদয়ৰ হিতাধিকাৰী বঢ়াই দিয়াৰ বাবে মুখ্যমন্ত্ৰীয়ে অনুমোদন জনোৱা বুলি কয়। গাহৰি পালন, ছাগলী পালনেৰে সফলতা অৰ্জন কৰা সমষ্টিটোৰ দুগৰাকী মহিলাৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰী গৰাকীয়ে এই উদ্যমী মহিলা দুগৰাকীৰ কৰ্ম পন্থাক অনুসৰণ কৰিবলৈ মহিলা সকলক আহ্বান জনায়। আনহাতে সভাত চমু ভাষণ দি বি টি চি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই চৰকাৰৰ বিভিন্ন আঁচনিৰ বিষয়ে বিতংকৈ ক'ব বুলি উল্লেখ কৰি তেওঁ মন্ত্ৰীৰ ভাষণ ভালদৰে শুনি সেই মতে আগবাঢ়িবলৈ মহিলা সকলক আহ্বান জনায়। মহিলাৰীয়ে অলপতে বড়ো সকলৰ বাগৰুম্বা লোকনৃত্য দহ হেজাৰ শিল্পীৰে পৰিৱেশন কৰি ইতিহাস ৰচা বুলি উল্লেখ কৰি ইয়াৰ বাবে তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। সভাত বিধানসভা সভাৰ অধ্যক্ষ তথা পানেৰীৰ বিধায়ক বিশ্বজিৎ দৈমাৰী আৰু মন্ত্ৰী চৰণ বড়োৱেও ভাষণ দিয়ে। জিলা আয়ুক্ত পুলক পাটগিৰিয়ে আদৰণি ভাষণ দিয়া সভাখনত বিধায়ক দুৰ্গাদাস বড়ো, কাৰ্যবাহী সদস্য লৌমশ্ৰাও দৈমাৰী, ফ্ৰেছ মোচাহাৰী, পাৰিষদ প'ল টপ্প, দিগন্ত বৰুৱা, অৰ্জুন দৈমাৰী, প্ৰাক্তন বিধায়ক মহেশ্বৰ বড়ো, কমলী বসুমতাৰী, বিজেপিৰ জিলা সভাপতি অজয় হাজৰিকা, সম্পাদক জৌশ্ৰাং বড়ো, প্ৰমুখ্যে জিলাৰ উচ্চপদস্থ বিষয়াবৰ্গ আৰু আত্মসহায়ক গোটৰ হিতাধিকাৰী মহিলাসকল উপস্থিত থাকে। সভাত কেইবাটাও নৃত্যৰ দলে নৃত্য পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে।

# পুৰণিগুদামত পথ দুৰ্ঘটনাত এজন নিহত

**অসম বাৰ্তা, পুৰণিগুদাম, ২২ জানুৱাৰী ঃ** নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অন্তৰ্গত পুৰণিগুদাম কেএগ্ৰাপট্টিত আজি বিয়লি প্ৰায় তিনি বজাত সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত অদীপ খাউণ্ড (৬৫) নামৰ এজন লোকৰ মৃত্যু হয়। জানিব পৰা মতে, পুৰণিগুদাম পূজা ঘৰৰ এক অনুষ্ঠানৰ পৰা ঘৰলৈ বুলি যাবলৈ ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হ'ব খোজোতেই এখন বগা ৰঙৰ তীব্ৰবেগী অচিনাক্ত বাহনে লোকজনক মহটিয়াই নিয়ে। দুৰ্ঘটনাত অতি গুৰুতৰভাৱে আহত লোকজনক চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসালয়লৈ নিয়াৰ পথতে লোকজনৰ মৃত্যু হয়। পথ দুৰ্ঘটনাটোত মৃত্যু হোৱা লোকজনৰ ঘৰ পুৰণিগুদাম খাউণ্ডচুকত যদিও বৰ্তমান তেওঁ নগাঁও চহৰৰ আমোলাপট্টিৰ বাসিন্দা বুলি জানিব পৰা গৈছে। অদীপ খাউণ্ডৰ মৃত্যুত পুৰণিগুদাম অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। উল্লেখযোগ্য যে, পুৰণিগুদামৰ পুৰণা দৈনিক বজাৰৰ পৰা কেএগ্ৰাপট্টিলৈকে ডিভাইদাৰৰ মাজত ড্ৰেইন থকাৰ বাবে পথচাৰীসকলে ৰাস্তা পাৰ হ'বলৈ অসুবিধা হৈ আহিছে বুলি স্থানীয় ৰাইজে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে।

# লাহৰীঘাটত ভূমি কেন্দ্ৰিক সংঘাত, দুটা পক্ষৰ মাৰপিটৰ ঘটনাত মহিলাসহ ৫ গৰাকী আহত

**অসম বাৰ্তা, ভূৰাগাঁও, ২২ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত ভূমি কেন্দ্ৰিক সংঘাত। আজি দুই পক্ষৰ মাৰপিটৰ ঘটনাত মহিলা সহ ৫ জনকৈ লোক আহত হয়। উল্লেখ্য যে লাহৰীঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত মৈৰাবাৰী মৌজাৰ দাঁতিয়ালবড়ি গাঁৱৰ এটুকুৰা মাটিক কেন্দ্ৰ কৰি আজি লাহৰীঘাটত সংঘটিত হয় এই মাৰপিটৰ ঘটনা। জানিব পৰা মতে, মৈৰাবাৰী মৌজাৰ দাঁতিয়ালবড়ি গাঁৱৰ ইচব আলী নামৰ লোকজনে নিজৰ ম্যাদী মাটিৰ ডেৰ বিঘা ৪০ বছৰৰ পূৰ্বে একে গাঁৱৰে মজিবুৰ ৰহমানক বিক্ৰী কৰা বুলি আজি হাতত দলিল লৈ সংবাদ মাধ্যমৰ আগত দাবী কৰিছে মজিবুৰ ৰহমানে। ইয়াৰ পাছতো ইচব আলীয়ে কিন্তু উক্ত মাটি টুকুৰা নিজৰ বুলি দাবী কৰি আহিছিল। যাক লৈ দুয়ো পক্ষৰ মাজত সংঘাত চলি আহিছিল। ইফালে এই সন্দৰ্ভত আজি ইচব আলী আৰু মজিবুৰ ৰহমান নামৰ লোক দুজনৰ শুনানী আছিল লাহৰীঘাট ৰাজহ চক্ৰৰ কাৰ্যালয়ত। সেই অনুসৰি দুয়ো পক্ষৰ লোক ৰাজহ চক্ৰ কাৰ্যালয়ত উপস্থিত হয় যদিও শুনানী লোৱা পূৰ্বে তেওঁলোকৰ মাজত মাৰপিটৰ ঘটনা সংঘটিত হয়। আনকি ৰাজপথতো পুনৰ বাৰ সংঘটিত হয় মাৰপিট। ফলত মজিবুৰ ৰহমানৰ লগতে ৰাবুল হুছেইন, জাকিৰ হুছেইন আৰু আমিৰ হুছেইনৰ লগতে আনটো পক্ষৰ এগৰাকী মহিলা আহত হয়। অভিযোগ মতে, ইচব আলীৰ পক্ষ মাণিক মিএগা, আব্দুল কাদিৰ, আছমত আলী, নাজিৰুল ইছলামৰ লগতে একাংশ মহিলাই দলবদ্ধভাৱে লোক কেইজনক আক্ৰমণ কৰে। অৱশ্যে এই সন্দৰ্ভত আহত মজিবুৰ ৰহমানে লাহৰীঘাট থানাত আক্ৰমণকাৰীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে উক্ত মাটি ডৰাক কেন্দ্ৰ কৰি দুয়ো পক্ষৰ মাজত দীৰ্ঘদিনে সংঘাত চলি আহিছিল।

## দৰঙৰ ৫৮ গৰাকী চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সাংবাদিকলৈ মুখ্যমন্ত্ৰীৰ শুভেচ্ছামূলক উপহাৰ

**অসম বাৰ্তা, দেওমৰনৈ, ২২ জানুৱাৰী ঃ** দৰঙৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত আজি চৰকাৰী স্বীকৃতিপ্ৰাপ্ত ৫৮ গৰাকী সাংবাদিকসকললৈ মুখ্যমন্ত্ৰীৰ শুভেচ্ছামূলক উপহাৰ প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। দৰং জিলা প্ৰশাসনে জিলা তথ্য আৰু জনসংযোগ কাৰ্যালয়, দৰঙৰ সহযোগত আয়োজন কৰা অনুষ্ঠানত জিলা আয়ুক্ত পূবালী গোহাঁইয়ে সাংবাদিকসকলৰ হাতত এই শুভেচ্ছামূলক উপহাৰ তুলি দিয়ে। এই উপলক্ষে ভাষণ দি জিলা আয়ুক্তগৰাকীয়ে সত্য, নৈতিক সাংবাদিকতা আৰু দায়িত্বশীল বাতৰি পৰিৱেশনৰ ক্ষেত্ৰত সংবাদ মাধ্যমৰ শলাগ লয় আৰু জনসাধাৰণৰ মাজত সঠিক তথ্য প্ৰচাৰৰ ক্ষেত্ৰত তেওঁ লোকৰ ভূমিকাৰ বিষয়ে উল্লেখ কৰে। এই কাৰ্যসূচীত দৰঙৰ জিলা তথ্য আৰু জনসংযোগ বিষয়া কোমল দলেও উপস্থিত থাকে। নৱবৰ্ষত এনেদৰে শুভেচ্ছামূলক উপহাৰ আগবঢ়োৱাৰ বাবে সাংবাদিকসকলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ শলাগ লয়।

# অস্তিত্বৰ সংকটত ধুবুৰীৰ আটাইটকৈ পুৰণি মন্দিৰৰ ইতিহাস

**অসম বাৰ্তা, ধুবুৰী, ২২ জানুৱাৰী ঃ** এইবাৰ ধুবুৰীৰ গৌৰীপুৰত মাটিক লৈ চাঞ্চল্যকৰ তথ্য পোহৰলৈ। বাংলাদেশীয়ে কেনেকৈ বিক্ৰী কৰিলে অসমৰ মাটি। পশ্চিম অসমৰ ধুবুৰী জিলাৰ ঐতিহাসিক অশাৰিকান্দি গাঁৱৰ এই শ্মশান মন্দিৰটো ৩৬০ বছৰীয়া ঐতিহ্য বহন কৰি আছে। যাৰ আছে এক সুকীয়া ইতিহাস এক সুকীয়া পৰিচয়। এই ঠাইতেই আছে এক প্ৰাচীন কালি মন্দিৰ আৰু মহাকাল মন্দিৰ। এবাৰ এই মন্দিৰটো ভাঙি পেলোৱাৰো চেষ্টা চলাইছিল দুষ্কৃতিকাৰীয়ে। ১৭৫৭ চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ ৰবাৰ্ট ক্লাইভ আৰু ছিৰাজ উদ দুল্লাহ মাজত পলাচিৰ যুদ্ধৰ সময়তেই পানবা, ছিৰাজগঞ্জ আদি অঞ্চলৰ পৰা বহু, ঝালো মালো, কৈৱৰ্ত আদি জাতিৰ লোকে পলাই আহি অসমৰ ব্ৰহ্মপুত্ৰ নৈৰ পাৰ বৰ্তমানৰ আশাৰিকান্দি গাঁৱত বসবাস কৰিবলৈ আৰম্ভ কৰিছিল। আৰু এই ঠাইতেই তাহানিৰ দিনতেই স্থাপন কৰিছিল জয় হৰিৰ টেগ শ্মশান মন্দিৰ। এই শ্মশান মন্দিৰৰ অধীনত ৫ বিঘা মাটি আছিলে যদিও সময়ৰ গতিত বহু বাংলাদেশী প্ৰবঞ্চনকাৰীয়ে লাহে লাহে শ্মশান মন্দিৰৰ মাটি ৰস্তু বেপাৰী, জামাল বেপাৰী নামৰ দুজনকৈ ব্যক্তিয়ে দখল লৈ নাম অন্তৰ্ভুক্ত কৰি এটা সময়ত সকলো মাটি বিক্ৰী কৰি পুনঃ বাংলাদেশ লৈ পলাই যোৱাৰ গুৰুতৰ অভিযোগে এটিয়া চাঞ্চল্যৰ সৃষ্টি কৰিছে। সময়ে সময়ে কিছু আৰ্থিক অনুদান দি শ্মশান খনক চৰকাৰ বা জনপ্ৰতিনিধি সকলে বচোৱাৰ চেষ্টা অব্যাহত ৰাখিছিল। যদিও সেয়াও সম্পূৰ্ণ টকা আজিলৈ লাভ নকৰিলে শ্মশান মন্দিৰে। আজি এই শ্মশান মন্দিৰটোৰ নামত কেৱল দেৰ বিঘা মাটি হে ৰক্ষা কৰিবলৈ সক্ষম হৈছে শ্মশান কমিটিয়ে। উল্লেখ্য যে স্থানীয় ৮৭ বছৰীয়া জেষ্ঠ নাগৰিক সুবল চন্দ্ৰ দাসে দীৰ্ঘদিনৰ পৰা এই শ্মশান মন্দিৰটো ৰক্ষা কৰাৰ আপ্ৰান চেষ্টা অব্যাহত ৰাখিছে যদিও পুঁজিৰ অভাৱ আৰু চৰকাৰে আৰু জনপ্ৰতিনিধি আবণ্টন দিয়াঁ পুঁজিৰ বহু পৰিমাণে ধন আজিলৈ নোপোৱাৰ ফলত এক জৰাজীৰ্ণ অৱস্থাত পৰিণত হৈছে এই ঐতিহাসিক শ্মশান মন্দিৰ। পূৰ্বৰ দখলত থকা শ্মশানৰ মাটি বিচাৰি এতিয়া হাহাকাৰ কৰিছে এইগৰাকী বয়োজেষ্ঠ জেষ্ঠ নাগৰিক সুবল দাসে। অসমৰ মাটি বিক্ৰী কৰি বাংলাদেশলৈ পলাই যোৱা এই দুজন বেপাৰীৰ বিৰুদ্ধেও কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই প্ৰশাসনে। মাটি সৰক্ষণৰ ক্ষেত্ৰতো কোনো ধৰণৰ গুৰুত্ব দিয়া নাই জিলা প্ৰশাসনে। যাৰ ফলত শ্মশান মন্দিৰটো লাহে লাহে মৃত্যুৰ মুখলৈ গতি কৰিবলৈ আৰম্ভ কৰিছে। ৩৬০ বছৰীয়া এই ঐতিহাসিক মন্দিৰটোক লৈ এতিয়া চিন্তিত হৈ পৰিছে স্থানীয় ৰাইজ। মন্দিৰৰ কাষতেই এখন ড° বি আৰ আম্বেদকা উদ্যান আছে যদিও আজি এক জৰাজীৰ্ণ অৱস্থাত পৰি আছে কেৱল অৰ্থৰ অভাৱত।

# অতীত আৰু বৰ্তমানৰ সৰস্বতী পূজা

বেণুৰাম ৰাভা

**জ্ঞা**ন, বিদ্যা, কলা আৰু সংগীতৰ দেৱীয়ে হৈছে সৰস্বতী পূজা। সৰস্বতী পূজা মাঘ মাহৰ শুক্লা পঞ্চমী তিথিত পালন কৰা হয় বাবে সৰস্বতী মাক বসন্ত পঞ্চমী বুলিও কোৱা হয়। স্কুল, মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ বাবে এই পূজা এক গুৰুত্বপূৰ্ণ। সৰস্বতী মায়ে ছাত্ৰ সমাজক জ্ঞানৰ পোহৰ বিলায়। সৰস্বতী বিদ্যাৰ অধিষ্ঠাত্ৰী। ছাত্ৰ সমাজে সৰস্বতী মাক জ্ঞান আৰু বিদ্যাৰ শক্তিৰ মাধ্যম হিচাপে পূজা অৰ্চনা কৰে। সৰস্বতীৰ আন এটা বীণা পানী বুলিও কোৱা হয়। সৰস্বতী মাৰ জ্ঞান বা বিদ্যাই মানুহৰ তথা সমাজৰ সকলো আন্ধাৰ, কুসংস্কাৰ, অন্ধবিশ্বাস, অপবাদ, অন্যায় আৰু অবিচাৰ আদিক আঁতৰাই জ্ঞানৰ পোহৰ বিলায় আৰু পৱিত্ৰতাৰে পৰিষ্কাৰ কৰি দেৱী মাক নতুন কাপোৰ পিন্ধাই পদ্ম আসনত বহুৱাই থৈ পূজা পাত কৰা হয়।

দেৱী সৰস্বতী মাৰ চতুৰ্ভূজাৰূপে চাৰিখন সামগ্ৰী থাকে। সেই কেইটা হৈছে কিতাপ, বেদ, অক্ষমালা আৰু বীণা। দেৱী সৰস্বতীৰ হাতত থকা সকলো সামগ্ৰীয়ে একো একোটা জ্ঞান আৰু পৱিত্ৰৰ প্ৰতীক হিচাপে গণ্য কৰা হয়। বেদ বা কিতাপে দেৱী সৰস্বতীৰ অসীম জ্ঞানৰ কথাকে সূচায়। সেই বাবে দেৱী সৰস্বতী মাক বিদ্যা অধিষ্ঠাত্ৰী, জ্ঞানদায়িনী বুলিও কোৱা হয়। অক্ষমালাই সময় আৰু কালৰ প্ৰতীকক সূচায়। দেৱী সৰস্বতী মাৰ হাত থকা দুখনত বীণাই কলা অধিষ্ঠাত্ৰী। দেৱী সৰস্বতীৰ বাহনখনে ৰাজহংসৰ জ্ঞানৰ প্ৰতীক সূচায়। দেৱী মাৰ হাতত থকা কিতাপ আৰু বীণাই জ্ঞান, বিদ্যা আৰু সংগীতৰ মাজত থকা নিবিড় সম্পৰ্কৰ কথা কয়।

সাম্প্ৰতিক সময়ৰ সৰস্বতী পূজা সমূহত পূজাৰ নামত ফেশ্বন শ্ব' আৰু বিভিন্ন ধৰণৰ অনুষ্ঠান অনুষ্ঠিত কৰা হে দেখা যায়। ইয়াৰে সুযোগ লৈ কিছুমান দুষ্ট চক্ৰই মহিলা যুৱতীৰ ব্লেক মেইলিং কৰাত নামি পৰে। সৰস্বতী মাক জ্ঞান আৰু বিদ্যাৰ শক্তিৰ মাধ্যম হিচাপে পূজা কৰাৰ পৰিবৰ্তে বৰ্তমান সময়ৰ সৰস্বতী পূজাত কেৱল ফেশ্বন শ্ব' লৈ পৰিৱৰ্তিত হৈছে। সৰস্বতী পূজাৰ নামত যুৱক যুৱতী সকলে কিছুমান নিপিন্ধলগীয়া সাজ পৰিধান কৰি আহে, কিছুমানে আকৌ দেৱী মাৰ আশীৰ্বাদ লোৱাৰ পৰিৱৰ্তে পাৰ্ক, ৰেষ্টুৰেণ্ট, হোটেল আদিত যায়, ৰাফেলৰ দৰে দ্ৰুত গতিত বাইক চলাই নিজকে একো একোজন ফাইজেটৰ পাইলট হিচাপে ক'ব খোজে। আগৰ দিনৰ সৰস্বতী পূজা আৰু এতিয়াৰ সৰস্বতী পূজা সমূহত বহুতো পাৰ্থক্য দেখিবলৈ পোৱা যায়। সাম্প্ৰতিক সময়ৰ সৰস্বতী পূজা সমূহত কেৱল পূজাৰ নামত ফেশ্বন শ্ব'ক গুৰুত্ব দিয়া দেখা যায়। ইয়াৰ উপৰিও পূজাৰ নামত নিশা সাংস্কৃতিক সন্ধিয়াৰো আয়োজন কৰা হয়। ইয়াৰে সুযোগ লৈ কিছুমান পাশুগুই অপকৰ্মত লিপ্ত হোৱা দেখা যায় আৰু ছাত্ৰ সমাজৰ সামাজিক পৰিৱেশ বিনষ্ট কৰে।

সাম্প্ৰতিক সময়ৰ সৰস্বতী পূজা সমূহত কেৱল পূজাৰ নামত ফেশ্বন শ্ব'ক গুৰুত্ব দিয়া দেখা যায়। ইয়াৰ উপৰিও পূজাৰ নামত নিশা সাংস্কৃতিক সন্ধিয়াৰো আয়োজন কৰা হয়। ইয়াৰে সুযোগ লৈ কিছুমান পাশুগুইতঅপকৰ্মত লিপ্ত হোৱা দেখা যায় আৰু ছাত্ৰ সমাজৰ সামাজিক পৰিৱেশ বিনষ্ট কৰে।

আগৰ দিনৰ সৰস্বতী পূজা আৰু এতিয়াৰ সৰস্বতী পূজা সমূহত পাৰ্থক্য দেখিবলৈ পোৱা যায় যদিও আমি পৰিবৰ্তনৰ সৈতে খোজ মিলাই মিলাই যাবলৈ চেষ্টা কৰিব লাগিব। বৰ্তমান সময়ত আমি সকলোৱে নতুনত্বক গ্ৰহণ কৰো যদিও বিজ্ঞানৰ সকলো নতুনত্বকে সকলো অনুষ্ঠানৰ বাবে সকলো বস্তুৰেই প্ৰয়োজ্য নহয়। আমি বিজ্ঞানৰ আৱিষ্কৃত বস্তুক আদৰি লোৱাৰ আগতে কোন কেইটা বস্তু ক'ত ব্যৱহাৰ কৰিলে ভাল হ'ব তাৰ চিন্তা চৰ্চা কৰিব লাগিব। অতীতক পাহৰি যেনেদৰে বৰ্তমানক পাব নোৱাৰি, ঠিক একেদৰে আমি বিজ্ঞানৰ আৱিষ্কৃত বস্তুক বাদ দি বৰ্তমানৰ পৰিৱেশৰ সৈতে খোজ মিলাই যাবলৈ টান হ'ব। সেয়েহে ইয়াৰ প্ৰতি সকলোৱে সজাগ হৈ হাতে হাত মিলাই আগবাঢ়ি গ'লে সকলোৰে কাম্য হ'ব।

*সৌৰ গণনা মতে মাঘ মাহৰ শুক্ল পঞ্চমীত সৰস্বতী দেৱীৰ পূজা কৰা হয়। সেই দিনটোক 'বসন্ত পঞ্চমী' বা 'শ্ৰী পঞ্চমী' বুলিও কোৱা হয়। সাধাৰণতে সেই দিনটো জানুৱাৰী মাহৰ শেষ নাইবা ফেব্ৰুৱাৰী মাহৰ আৰম্ভণিতে পৰে। বসন্ত পঞ্চমী হৈছে জ্ঞান, বিদ্যা, বুদ্ধি, ভাষা, সংগীত, কলাৰ অধিষ্ঠাত্ৰী দেৱী দেৱী সৰস্বতী প্ৰতি আৰাধনা কৰা এটি পুণ্য তিথি। সৰস্বতী হৈছে আশা-আকাংক্ষা, পোহৰ, প্ৰেম আৰু সৃষ্টিশীলতাৰ শক্তি স্বৰূপ। সেই বাবেই সৰস্বতী দেৱীক সকলো জ্ঞানান্বেষীয়ে পূজা কৰে।*



# সৰস্বতী পূজা

ড° আৰ কে বেজবৰুৱা

"শ্বেতপদ্মাসনা দেৱী শ্বেতপুষ্পোপশোভিতা।
শ্বেতাম্বৰাধৰা নিত্যা শ্বেতগন্ধানুলেপনা।।
শ্বেতাক্ষ সূত্ৰহস্তা চ শ্বেত চন্দন চৰ্চ্চিতা।
শ্বেতবীণাধৰা শুভ্ৰা শ্বেতালঙ্কাৰ ভূষিতা।।
বন্দীতা সিদ্ধগন্ধৰ্বৈৰ্চৰ্চিতা সুৰদানবৈঃ।
পূজিতা মুনিভিঃ সৰ্বৈৰ্ঋষিভিঃ স্তূয়তে সদা।।
স্তোত্ৰেণানেন তাং দেৱীং জগদ্ধাত্ৰীং সৰস্বতীম্।
যে স্মৰন্তি ত্ৰিসন্ধ্যায়াং সৰ্বাং বিদ্যাং লভন্তি তে।।"

শাস্ত্ৰ সমৰ্থিত বিভিন্ন দেৱ-দেৱীৰ পূজা বিভিন্ন সময়ত আমি কৰি আহিছোঁ। বেদ-উপনিষদৰ দিনৰ পৰাই মূলতঃ ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰক আমাৰ উপাস্য দেৱতা হিচাবে আৰাধনা কৰি আহিছোঁ। এই ত্ৰি-দেৱৰ বিষ্ণুৰ সৈতে লক্ষ্মীক, মহেশ্বৰ বা শিৱৰ সৈতে দুৰ্গাক আৰু ব্ৰহ্মাৰ সৈতে সৰস্বতীক সংযুক্ত কৰা হৈছে। দুৰ্গা শক্তিৰ অধীশ্বৰী, লক্ষ্মী ঐশ্বৰ্য্যৰ অধীশ্বৰী আৰু সৰস্বতী জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী। তেওঁলোকৰ পূজা কৰিলে আমাৰ শক্তি, ধন আৰু জ্ঞান লাভ হয়।

ওপৰৰ শ্লোকটি হৈছে শ্ৰীশ্ৰী সৰস্বতী দেৱীৰ স্তোত্ৰ। সৰস্বতী ভাৰতীয় সংস্কৃতিৰ প্ৰমুখ দেৱী। দতেই সৰস্বতীৰ উল্লেখ কৰা হৈছে। দেৱী ভাগৱত আৰু কিছুমান পুৰাণত তেওঁক দেৱী আদ্যাৰ সম পৰ্য্যায়ত স্থান দিছে। শুম্ভ আৰু নিশুম্ভ দুই অসুৰক বধ কৰা সময়ত দেৱী দুৰ্গাৰ শৰীৰৰ পৰা এগৰাকী দেৱীৰ উৎপত্তি হৈছিল। তেৰেঁই কৌশিকী বা সৰস্বতী। কৃষ্ণৰ জিভাৰ আগ অংশৰ পৰা সৰস্বতীৰ উৎপত্তি হৈছে বুলি এটা আখ্যানত পোৱা যায়। 'সৰস' আৰু 'বতী' শব্দৰ সমন্বয়ত 'সৰস্বতী' শব্দৰ উদ্ভৱ হৈছে। তাৰ অৰ্থ 'জ্যোতিৰ্ময়ী'। ঋক্ আৰু যৰ্জুবেদৰ কিছুমান শ্লোকত ভগৱতী, ভাৰতী, ইড়া আদি নামেৰে তেওঁক বিভূষিত কৰা হৈছে। ব্ৰহ্মাপুৰাণ, পদ্মাপুৰাণ আদিৰ মতে সৰস্বতীৰ জন্ম ব্ৰহ্মাৰ মনৰ পৰা হোৱা বুলি কোৱা হয়। সেই ফালৰ পৰা তেওঁ ব্ৰহ্মাৰ মানস কন্যা। ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ আৰু দেৱী ভাগৱত পুৰাণত সৰস্বতীক ব্ৰহ্মাৰ পত্নী হিচাবে দেখুওৱা হৈছে। আনহাতে প্ৰতিটো শব্দই হৈছে ব্ৰহ্ম। সেই ব্ৰহ্মৰ সৈতে সংপৃক্ত হৈ আছে জ্ঞান। সেয়েহে ব্ৰহ্মা আৰু শব্দৰ সম্পৰ্ক ওতপ্ৰোত ভাবে সৃষ্টিৰ বাটেৰে চলি আহিছে।

চতুৰ্থ-পঞ্চম শতিকাৰ বৌদ্ধ ধৰ্মৰ মহাযান সূত্ৰতো সৰস্বতী দেৱীৰ উল্লেখ আছে বুলি কোৱা হয়। জাপান, ভিয়েটনাম, বালি আৰু ম্যানমাৰতো সৰস্বতী পূজা কৰা হয় বুলি জনা যায়।

মুঠতে সৰস্বতী হৈছে বাণী, বিদ্যা, বুদ্ধি, নৃত্য, গীত আৰু জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী। আৰাধনা কৰা জনক তেওঁ জ্ঞান আৰু সৰ্বসিদ্ধি প্ৰদান কৰে। তেওঁৰ শৰীৰৰ বৰণ শুক্ৰ। তেওঁ পৰিধান কৰা বস্ত্ৰ, বীণা, অলংকাৰ আদি সকলো শুভ্ৰ আৰু তেওঁ শ্বেত পদ্মৰ ওপৰত বিৰাজ কৰে। তেওঁৰ বাহন শুভ্ৰ হংস।

যিয়ে সৰস্বতী দেৱীৰ কৃপা লাভ কৰে তেওঁৰ কোনো বিষয়ত জ্ঞান বা প্ৰজ্ঞাৰ ত্ৰুটি নাথাকে। আদি কবি বাল্মীকি আৰু মহাকবি কালিদাসৰ জিভাত সৰস্বতীয়ে বাস কৰিছিল। কালিদাসে নিজেই কৈছে-
"দেৱ দ্বিজ প্ৰসাদে ন জিহ্বাগ্ৰে মে স্বৰস্বতী।"

বিদ্যা, জ্ঞান, স্মৃতিশক্তি আদি গুণ প্ৰাপ্তিৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে সৰস্বতী দেৱীক পূজা কৰে। অকল ছাত্ৰ ছাত্ৰীয়েই নহয়, জ্ঞানৰ আৰাধনা কৰা সকলো ব্যক্তিয়ে সৰস্বতীক পূজা কৰে।

সৌৰ গণনা মতে মাঘ মাহৰ শুক্ল পঞ্চমীত সৰস্বতী দেৱীৰ পূজা কৰা হয়। সেই দিনটোক 'বসন্ত পঞ্চমী' বা 'শ্ৰী পঞ্চমী' বুলিও কোৱা হয়। সাধাৰণতে সেই দিনটো জানুৱাৰী মাহৰ শেষ নাইবা ফেব্ৰুৱাৰী মাহৰ আৰম্ভণিতে পৰে। বসন্ত পঞ্চমী হৈছে জ্ঞান, বিদ্যা, বুদ্ধি, ভাষা, সংগীত, কলাৰ অধিষ্ঠাত্ৰী দেৱী দেৱী সৰস্বতী প্ৰতি আৰাধনা কৰা এটি পুণ্য তিথি। সৰস্বতী হৈছে আশা-আকাংক্ষা, পোহৰ, প্ৰেম আৰু সৃষ্টিশীলতাৰ শক্তি স্বৰূপ। সেই বাবেই সৰস্বতী দেৱীক সকলো জ্ঞানান্বেষীয়ে পূজা কৰে।

সাধাৰণতে আমাৰ শিক্ষাৰ্থী সকলে প্ৰতি বছৰে মাত্ৰ এটা দিনত জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱীক পূজা কৰা দেখা যায়। বছৰৰ বাকী ৩৬৪ দিনত তেওঁক পাহৰি থাকে।

আচলতে পূজা হৈছে বিশেষ ধৰণৰ আনুগত্য তথা উপাসনা। জ্ঞানৰ উপাসনা কৰিবলৈ হ'লে সন্মুখত এক প্ৰতীকৰ প্ৰয়োজন হয়। ধ্যান কৰি সাধনাৰ কেন্দ্ৰ বিন্দু সেই প্ৰতীকত সংস্থাপিত কৰিব পাৰিলেই ইপ্সিত বস্তু আয়ত্তাধীন কৰিব পৰা যায়। তাৰ দ্বাৰা মন শক্তিশালী কৰি তুলিব পাৰি। শক্তিশালী মন হৈছে সফলতাৰ আধাৰ। সেই বাবেই স্কুল-কলেজ বা জ্ঞানৰ প্ৰকাশ স্থলত সৰস্বতী দেৱীক স্থান দিয়া হৈছে।

পিছে বৰ্তমান সৰস্বতী পূজাৰ দিনটো 'প্ৰদৰ্শন-কামীতা' দিৱসলৈ ৰূপান্তৰ হোৱা দেখা গৈছে। বেছি ভাগ ছাত্ৰীয়ে বসন্ত পঞ্চমীৰ দিনা সাজি কাচি নিজকে অপূৰ্ব সুন্দৰী কৰি তৈয়াৰ কৰিবলৈ চেষ্টাৰ ত্ৰুটি নকৰে। তেওঁলোকক প্ৰলুব্ধ কৰিছে একাংশ দৃশ্য-শ্ৰাব্য মাধ্যমে। 'সুন্দৰী' নিৰ্বাচন কৰি তেনে মাধ্যম সমূহে নিজৰ টি আৰ পি বঢ়াই বাণিজ্য কৰে আৰু স্কুল-কলেজৰ বিদ্যাৰ্থী সকলক জাক-জমকতাৰ মাজলৈ টানি নিয়ে। তাৰ দ্বাৰা ছোৱালী সকলৰ বৌদ্ধিক উত্তৰণ নহয়, প্ৰদৰ্শনক হে প্ৰমোট (প্ৰৰোচিত) কৰা হয়। তাকে নকৰি সামাজিক মাধ্যম বা চেনেলসমূহে শিক্ষাৰ ক্ষেত্ৰত বুদ্ধিমত্তাৰ বিচাৰ কৰা হেঁতেন 'সৰস্বতী পূজা'ৰ প্ৰকৃত গৰিমা উদ্ভাষিত হ'ল হেঁতেন। লগতে শিক্ষাৰ্থীৰ বৌদ্ধিক মূল্যবোধ বিকাশত সহায়ক হ'ল হেঁতেন।

# সৰস্বতী পূজা জ্ঞানৰ পৱিত্ৰ উৎসৱ

**ভা**ৰতীয় সংস্কৃতি আৰু সভ্যতাত সৰস্বতী পূজাই এক অতি পৱিত্ৰ আৰু তাৎপৰ্যপূৰ্ণ স্থান দখল কৰি আহিছে। এই পূজা কেৱল ধৰ্মীয় আচাৰ নহয়, ই মূলতঃ জ্ঞান,

ডলী ফুকন

বুদ্ধি, শুদ্ধ চিন্তা আৰু মানৱীয় মূল্যবোধৰ আৰাধনা। বিদ্যা, বাক্‌শক্তি, সংগীত আৰু কলাৰ অধিষ্ঠাত্ৰী দেৱী মা সৰস্বতীক পূজা কৰাৰ অৰ্থ হৈছে জ্ঞানক জীৱনৰ সৰ্বোচ্চ সম্পদ হিচাপে মান্যতা প্ৰদান কৰা। সেইবাবেই সৰস্বতী পূজাক "জ্ঞানৰ পৱিত্ৰ উৎসৱ" বুলি কোৱা হয়।

সৰস্বতী দেৱীৰ ৰূপ আৰু প্ৰতীকসমূহ গভীৰ অৰ্থবহ। শুভ্ৰ বস্ত্ৰ পৱিত্ৰতা আৰু শুদ্ধতাৰ প্ৰতীক, বীণা সংগীত আৰু সুষমাৰ প্ৰতিফলন, আৰু পুথি জ্ঞানৰ পৱিত্ৰতাৰ সংকেত। এই সকলোবোৰে মানুহক শিকায় যে বিদ্যা কেৱল তথ্যৰ সঞ্চয় নহয়, ই এক শুদ্ধ আৰু সংযমী জীৱনচৰ্যাৰ অংশ। সৰস্বতী পূজাৰ মূল বাণী হৈছে- জ্ঞান লাভৰ লগত লগত সেই জ্ঞানক সৎ উদ্দেশ্যত ব্যৱহাৰ কৰা।

সৰস্বতী পূজা বিশেষকৈ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সমাজৰ বাবে অতি গুৰুত্বপূৰ্ণ। এই দিনা কিতাপ, কলম, বাদ্যযন্ত্ৰ আদিক পূজা কৰা হয়, যিয়ে বিদ্যাৰ প্ৰতি শ্ৰদ্ধাবোধ জাগ্ৰত কৰে। ছাত্ৰ-ছাত্ৰীসকলে উপলব্ধি কৰে যে শিক্ষা কেৱল পৰীক্ষাত সফল হোৱাৰ উপায় নহয়, বৰঞ্চ মানুহক সৎ, বিনয়ী আৰু দায়িত্বশীল কৰি তোলাৰ এক মাধ্যম। এই বোধেই সৰস্বতী পূজাক জ্ঞানৰ পৱিত্ৰ উৎসৱ হিচাপে প্ৰতিষ্ঠা কৰে।

বিদ্যালয় আৰু শিক্ষানুষ্ঠানসমূহত উদযাপিত সৰস্বতী পূজাই শৃংখলা, সহকাৰিতা আৰু সামাজিক একতাৰ শিক্ষা দিয়ে। পূজাৰ সময়ত সকলো একেলগে কাম কৰে, একেলগে প্ৰাৰ্থনা কৰে আৰু একেলগে আনন্দ ভাগ-বতৰা কৰে। এই পৰিৱেশে ছাত্ৰ-ছাত্ৰীসকলৰ মনত সহযোগিতা, সহিষ্ণুতা আৰু শিষ্টাচাৰৰ গুণ বিকশিত কৰে। জ্ঞানৰ সৈতে আচৰণগত শুদ্ধতা সংযুক্ত নহ'লে শিক্ষা অসম্পূৰ্ণ- এই উপলব্ধি এই উৎসৱৰ মাজেৰে গঢ়ি উঠে।

আধুনিক যুগত যান্ত্ৰিকতা আৰু প্ৰতিযোগিতাই মানুহক প্ৰায়েই মানসিক অস্থিৰতা আৰু নৈতিক বিচ্যুতিৰ পথলৈ ঠেলি নিছে। এই পৰিস্থিতিত সৰস্বতী পূজাই মানসিক শান্তি আৰু আত্মবিশ্বাসৰ এক আশ্ৰয় প্ৰদান কৰে। ই মানুহক থমকি দাঁত দি চিন্তা কৰিবলৈ শিকায়- আমি কি শিকিছোঁ আৰু কিদৰে সেই জ্ঞান ব্যৱহাৰ কৰিছোঁ। সেয়েহে আধুনিক যুগতো সৰস্বতী পূজাৰ তাৎপৰ্য কমা নাই, বৰঞ্চ অধিক গভীৰ হৈ উঠিছে।

সৰস্বতী পূজা ভাষা, সাহিত্য আৰু সংস্কৃতি সংৰক্ষণৰ ক্ষেত্ৰতো এক গুৰুত্বপূৰ্ণ উৎসৱ। মাতৃভাষাৰ শুদ্ধ ব্যৱহাৰ, সাহিত্য চৰ্চা আৰু সৃষ্টিশীল চিন্তাক এই পূজাই উৎসাহিত কৰে। ভাষা আৰু চিন্তাৰ শুদ্ধতাই এখন জাতিৰ মেধা গঢ়ি তোলে, আৰু সেই মেধাৰ পৱিত্ৰতা ৰক্ষা কৰাটোৱেই সৰস্বতী পূজাৰ অন্তৰ্নিহিত উদ্দেশ্য। সৰস্বতী পূজা কেৱল এটা দিনৰ উৎসৱ নহয়, ই এক জীৱনদৰ্শন। এই পূজাই মানুহক শিকায় যে জ্ঞানেই সত্য শক্তি, আৰু সেই জ্ঞান যেতিয়া নৈতিকতা, বিনয় আৰু মানৱিকতাৰ সৈতে সংযুক্ত হয়, তেতিয়াই সমাজ আলোকিত হয়। সেয়ে সৰস্বতী পূজা প্ৰকৃত অৰ্থতেই জ্ঞানৰ পৱিত্ৰ উৎসৱ, যিয়ে মানুহক অন্ধকাৰৰ পৰা আলোকলৈ আগবঢ়াই নিয়ে।




সৰস্বতী পূজাৰ আধ্যাত্মিক তাৎপৰ্য মানুহৰ অন্তৰ্জগতৰ সৈতে গভীৰভাৱে সংযুক্ত। এই পূজাই অন্তৰৰ শুদ্ধতা আৰু মনৰ একাগ্ৰতাক প্ৰাধান্য দিয়ে। জ্ঞান লাভৰ অৰ্থ হৈছে নিজৰ অজ্ঞানতা চিনাক্ত কৰা আৰু অহংকাৰ ত্যাগ কৰি সদায় শিকিবলৈ প্ৰস্তুত থকা। এই দৰ্শন সৰস্বতী পূজাৰ মূল আত্মা, যিয়ে মানুহক বিনয়ী আৰু চিন্তাশীল কৰি তোলে।

সৰস্বতী পূজাই সমাজত নৈতিক চেতনা জাগ্ৰত কৰাতো এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। যেতিয়া জ্ঞানক পৱিত্ৰ বুলি গণ্য কৰা হয়, তেতিয়া সেই জ্ঞানৰ অপব্যৱহাৰৰ সম্ভাৱনা কমে। বিজ্ঞান, প্ৰযুক্তি অথবা ক্ষমতাৰ ক্ষেত্ৰত বিদ্যাৰ দায়িত্বশীল ব্যৱহাৰৰ বোধ এই পূজাৰ মাজেৰে গঢ়ি উঠে। সৰস্বতী পূজা মানুহক স্মৰণ কৰাই দিয়ে যে সত্য জ্ঞান মানৱকল্যাণৰ বাবে, ধ্বংসৰ বাবে নহয়।

এই উৎসৱে প্ৰজন্মৰ মাজত এক সেতুবন্ধনো গঢ়ি তোলে। বয়োজ্যেষ্ঠসকলে নিজৰ অভিজ্ঞতা আৰু বিদ্যাৰ কথা কণমানি প্ৰজন্মৰ সৈতে ভাগ-বতৰা কৰে, আৰু কণমানিসকলে সেই জ্ঞান শ্ৰদ্ধাৰে গ্ৰহণ কৰে। এই আদান-প্ৰদানে সমাজৰ জ্ঞানধাৰা অব্যাহত ৰাখে আৰু সাংস্কৃতিক উত্তৰাধিকাৰ সংৰক্ষণ কৰে। সৰস্বতী পূজা সেই উত্তৰাধিকাৰৰ এক পৱিত্ৰ উপলক্ষ।

আজিৰ যুগত যেতিয়া শিক্ষা প্ৰায়েই কেৱল পেচাগত দক্ষতালৈ সীমাবদ্ধ হৈ পৰে, তেতিয়া সৰস্বতী পূজাই শিক্ষাৰ ব্যাপক অৰ্থ স্মৰণ কৰাই দিয়ে। শিক্ষাৰ লক্ষ্য কেৱল জীৱিকা উপাৰ্জন নহয়, বৰঞ্চ সৎ চৰিত্ৰ গঠন। এই উৎসৱে মানুহক আত্মসমীক্ষা কৰিবলৈ অনুপ্ৰেৰণা যোগায়—আমি কিমান শিকিলোঁ আৰু কিমান মানৱিক হ'লোঁ। এই আত্মসমীক্ষাই ব্যক্তিগত আৰু সামাজিক উন্নতিৰ পথ প্ৰসস্ত কৰে।

সৰস্বতী পূজাৰ সৈতে সংগীত, নৃত্য আৰু সাহিত্যৰ এক স্বাভাৱিক সংযোগ আছে। এই কলাসমূহে মানুহৰ অনুভৱ সূক্ষ্ম কৰি তোলে আৰু হৃদয়ত সহানুভূতি জগাই তোলে। জ্ঞান যেতিয়া অনুভূতি আৰু সৃষ্টিশীলতাৰ সৈতে মিলিত হয়, তেতিয়াই ই পূৰ্ণতা লাভ কৰে। সেই পূৰ্ণতাৰ অনুভৱেই সৰস্বতী পূজাক এক আনন্দময় অথচ গভীৰ অৰ্থবহ উৎসৱত পৰিণত কৰে।

সমাপ্তিমুখী চিন্তাত ক'ব পাৰি যে সৰস্বতী পূজা কেৱল বিদ্যাৰ আৰাধনাই নহয়, ই মানৱীয়তা, নৈতিকতা আৰু সৃষ্টিশীলতাৰ এক সামূহিক উদ্‌যাপন। এই উৎসৱে মানুহক স্মৰণ কৰাই দিয়ে যে জ্ঞান যেতিয়া পৱিত্ৰ হৈ থাকে, তেতিয়াই সমাজ উন্নত হয়। সেইবাবেই সৰস্বতী পূজা চিৰকালেই জ্ঞানৰ পৱিত্ৰ উৎসৱ হিচাপে জনমানসত জীৱন্ত হৈ থাকিব।

অণুগল্প

## সৰস্বতী পূজা

**জ্ঞা**নৰ আকৰ সৰস্বতী পূজা সমাগত। ছাত্ৰ-ছাত্ৰীৰ মন উগুল-থুগুল। কি সাজে শুৱাব মোক এই ভাবেৰেই মাইনু বিভোৰ। কও নকওকৈ মাকৰ ওচৰ পাই দেখিলে এমুঠিমান কৰ্কৰা ভাত অকণমান নিমখ দি তাইলৈ ঢাকি থৈ মাকে একো নোখোৱাকৈ কামলৈ ওলাই ছে। মাইনুৱে মাকক কলে মা কালিলৈ সৰস্বতী পূজাত মেখেলা চাদৰ পিন্ধিব লাগিব। মাইনুৰ কথাষাৰ শুনি .মাক ৰমাৰ দুগালেদি চকুৰ পানী বৈ আহিল আৰু মহাজনৰ ঘৈণীয়েকে ৰদত মেলি থোৱা পাতৰ কাপোৰ কেইযোৰলৈ মনত পৰিল।

নীৰদা দত্ত

# ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ প্ৰিয় উৎসৱ ঃ সৰস্বতী পূজা

সত্যব্ৰত বৰা

**স**ৰস্বতী পূজা হৈছে হিন্দু ধৰ্মৰ এটা অতি প্ৰিয় আৰু গুৰুত্বপূৰ্ণ উৎসৱ। এই পূজা জ্ঞান বিদ্যা সংগীত কলা আৰু সকলো সৃষ্টিশীল শক্তিৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ উদ্দেশ্যে কৰা হয়। প্ৰতি বছৰে মাঘ মাহৰ শুক্ল পক্ষৰ পঞ্চমী তিথিত এই উৎসৱ পালন কৰা হয়। এই তিথিক শ্ৰীপঞ্চমী বা বসন্ত পঞ্চমী বুলিও কোৱা হয়। এই দিনটোত বসন্ত ঋতুৰ আগমন ঘটে। গছ গছনিত নতুন পাত ফুল ফুলি উঠে। শীতৰ শেষ হৈ উষ্ণতা আৰু সেউজীয়াৰ আগমন হয়। সেয়ে এই উৎসৱক জ্ঞান আৰু বসন্তৰ মিলনৰ প্ৰতীক বুলি গণ্য কৰা হয়। অসমত এই পূজা বিশেষ উৎসাহ আৰু ভক্তিৰে পালন কৰা হয়। বিদ্যালয়, মহাবিদ্যালয় পৰিয়াল আৰু সমাজত উক্ত দিনটো উৎসৱৰ দৰে পালন কৰা হয়।

দেৱী সৰস্বতীৰ স্বৰূপ অতি সুন্দৰ আৰু পৱিত্ৰ। তেওঁক সাধাৰণতে শ্বেত বস্ত্ৰ পৰিহিতা ৰূপে চিত্ৰিত কৰা হয়। তেওঁৰ হাতত বীণা থাকে। এখন হাতত পুথি আৰু আনখন হাতত জ্ঞানৰ প্ৰতীকস্বৰূপে অক্ষমালা বা জপমালা থাকে। তেওঁৰ বাহন হৈছে হাঁহ। শ্বেত ৰং পৱিত্ৰতা আৰু জ্ঞানৰ প্ৰতীক। হালধীয়া ৰঙো তেওঁৰ সৈতে জড়িত কাৰণ বসন্তৰ সৈতে হালধীয়া সৰিয়হৰ খেতিৰ ফুল ফুলি উঠে। সেয়ে বহুতে এই দিনা হালধীয়া বস্ত্ৰ পিন্ধে। দেৱীৰ মূৰ্তি বা ছবিৰ সন্মুখত কলম, পেন্সিল, সংগীতৰ বাদ্যযন্ত্ৰ ৰখা হয়। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ বহী পুথি দেৱীৰ চৰণত ৰাখি আশীৰ্বাদ বিচাৰে।

অসমত সৰস্বতী পূজাৰ আয়োজন বিশেষকৈ শিক্ষানুষ্ঠানত হয়। বিদ্যালয় আৰু মহাবিদ্যালয়ত দিনটোৰ পুৱাৰ পৰাই পূজাৰ প্ৰস্তুতি আৰম্ভ হয়। ছাত্ৰ-ছাত্ৰীসকলে একেলগে মিলি মণ্ডপ সাজে। ফুলৰ মালা দিয়ে। হালধীয়া কাপোৰেৰে দেৱীক সজ্জিত কৰে। পূজাৰ সময়ত পণ্ডিত বা শিক্ষকে মন্ত্ৰ পাঠ কৰে। ছাত্ৰ ছাত্ৰীসকলে পুষ্পাঞ্জলি দিয়ে। বহুতে পূজাৰ আগতে উপবাস কৰে। পূজা শেষ হোৱাৰ পিছত মাহ প্ৰসাদ বিলোৱা হয়।

দিনটোৰ সন্ধিয়া বা ৰাতি সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। ছাত্ৰ-ছাত্ৰীসকলে নাটক প্ৰদৰ্শন কৰে। ভাওনা নৃত্য গীত আদি পৰিবেশন কৰে। এই অনুষ্ঠানসমূহে তেওঁলোকৰ সুকুমাৰ কলাৰ বিকাশ ঘটায়। বহু বিদ্যালয়ত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। গীত, নৃত্য. বক্তৃতা আদিত ছাত্ৰ ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। এই দৰে উৎসৱটোৱে শিক্ষাৰ লগতে সংস্কৃতিৰ বিকাশতো সহায় কৰে। পিছদিনা দেৱীৰ বিসৰ্জনৰ দিন। মূৰ্তি লৈ শোভাযাত্ৰা কৰা হয়। নদী বা পুখুৰীত বিসৰ্জন দিয়া হয়। গীত ধ্বনিৰে দেৱীক বিদায় দিয়া হয়।

ঘৰতো এই উৎসৱ পালন কৰা হয়। বহু পৰিয়ালে দেৱীৰ ছবি বা সৰু মূৰ্তি ৰাখি পূজা কৰে। সৰু ল'ৰা-ছোৱালীৰ বাবে বিদ্যাৰম্ভ এই দিনতে কৰা হয়। শিশুৱে আঙুলিৰে প্ৰথম অক্ষৰ লিখে। দেৱীৰ আশীৰ্বাদ লৈ শিক্ষাৰ আৰম্ভণি কৰে। এই প্ৰথা অতি পুৰণি আৰু অসমৰ লগতে পূৱ ভাৰতৰ বহু ঠাইত দেখা যায়। বহু ঠাইত মন্দিৰত দেৱীৰ সন্মুখত খাদ্য সামগ্ৰী ৰখা হয়। পিছদিনা ভক্তসকলৰ মাজত বিতৰণ কৰা হয়।

সৰস্বতী পূজাৰ তাৎপৰ্য অতি গভীৰ। এই উৎসৱে জ্ঞানৰ মহত্ত্বক প্ৰতিষ্ঠা কৰে। হিন্দু ধৰ্মত জ্ঞানক সৰ্বোচ্চ শক্তি বুলি গণ্য কৰা হয়। অজ্ঞানতাৰ অন্ধকাৰ দূৰ কৰি জ্ঞানৰ আলোক প্ৰসাৰ কৰাটোৱেই এই পূজাৰ মূল উদ্দেশ্য। আধুনিক যুগতো শিক্ষাৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ এটা উত্তম উপায় হ'ল এই উৎসৱ। ছাত্ৰ সমাজক একত্ৰিত কৰে। সৃজনশীলতা বিকাশৰ পথ প্ৰশস্ত কৰে। অসমত সৰস্বতী পূজা শিক্ষা সংস্কৃতি আৰু সম্প্ৰীতিৰ প্ৰতীক হৈ পৰিছে। বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ মাজতে আয়োজন কৰি উৎসৱক জীৱন্ত কৰি ৰাখে।

সৰস্বতী পূজাৰ ঐতিহাসিক পটভূমিও আকৰ্ষণীয়। পুৰাণ অনুসৰি দেৱী সৰস্বতী ব্ৰহ্মাৰ সৃষ্টি শক্তি। তেওঁ জ্ঞানৰ উৎস। বহু কাহিনীত দেখা যায় যে দেৱীয়ে মানুহক বাক শক্তি দান কৰিছে। বেদ উপনিষদৰ জ্ঞান তেওঁৰ দ্বাৰাই প্ৰকাশ পাইছে। বসন্ত পঞ্চমীক দেৱীৰ জন্মদিন বুলিও কোৱা হয়। উক্ত দিনা প্ৰকৃতিৰ নতুন জীৱনৰ লগতে মানুহৰ মনত নতুন জ্ঞানৰ উদয় হয়।

অসমৰ সংস্কৃতিত সৰস্বতী পূজাৰ বিশেষ স্থান আছে। সমাজত শিক্ষাৰ প্ৰতি সদায় গুৰুত্ব দিয়া হৈছে। সৰস্বতী পূজাই এই মূল্যবোধক আৰু অধিক জোৰদাৰ কৰে। গাঁৱৰ বিদ্যালয়তো সেই দিনা বিশেষ অনুষ্ঠান হয়। শিক্ষক ছাত্ৰ সকলোৱে একেলগে মিলি পূজা কৰে। এইদৰে সমাজৰ সকলো স্তৰত জ্ঞানৰ প্ৰসাৰ ঘটে।

আজিৰ যুগত বিজ্ঞান প্ৰযুক্তিৰ বিকাশৰ লগতে সৰস্বতী পূজাৰ প্ৰাসংগিকতা অধিক বাঢ়িছে। ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাৰ আগতে দেৱীৰ আশীৰ্বাদ বিচাৰে। জ্ঞান লাভৰ বাবে প্ৰাৰ্থনা কৰে। এই পূজা মাত্ৰ ধৰ্মীয় অনুষ্ঠান নহয় শিক্ষামূলক আৰু সাংস্কৃতিক দিশতো গুৰুত্বপূৰ্ণ। সৰস্বতী পূজাই আমাক শিকাই যে জ্ঞানেই শক্তি। জ্ঞানৰ দ্বাৰাই সমাজ উন্নত হয়।




ব্যক্তিৰ জীৱন সুন্দৰ হয়।

উৎসৱটোৰ পৰিৱেশৰ সৈতেও সম্পৰ্ক আছে। বসন্তৰ আগমনত প্ৰকৃতিৰ সৌন্দৰ্য বৃদ্ধি পায়। সৰিয়হৰ খেতি হালধীয়া ফুলেৰে ভৰি পৰে। এই হালধীয়া ৰং দেৱীৰ প্ৰতি উৎসৰ্গিত। মানুহে হালধীয়া খাদ্য যেনে কেশৰ মিহলি ভাত মিঠাই আদি খায়। এইদৰে উৎসৱটো প্ৰকৃতিৰ লগত মিলি যায়।

অসমৰ বহু ঠাইত এই দিনা বিশেষ দান ধৰ্ম কৰা হয়। দৰিদ্ৰক সাহায্য দিয়া হয়। বহী পুথি দান কৰা হয়। এই কামে দেৱীক সন্তুষ্ট কৰে বুলি বিশ্বাস আছে। জ্ঞানৰ প্ৰসাৰৰ বাবে এই দান অতি পুণ্যময়।

সৰস্বতী পূজাই আমাক সদায় অনুপ্ৰাণিত কৰে। জ্ঞানৰ পথত আগবাঢ়িবলৈ উৎসাহিত কৰে। অজ্ঞানতা দূৰ কৰি আলোকৰ দিশে লৈ যায়। বসন্তৰ নতুনত্বৰ লগতে আমাৰ মনতো নতুন চিন্তা নতুন জ্ঞানৰ উদয় হয়। দেৱী সৰস্বতীৰ আশীৰ্বাদত আমাৰ শিক্ষা জীৱন সফল হওক। সমাজত জ্ঞানৰ প্ৰসাৰ ঘটক। এই উৎসৱে আমাক সদায় স্মৰণ কৰাই দিয়ে যে জ্ঞান অৰ্জন কৰাটোৱেই জীৱনৰ মূল লক্ষ্য।

ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাই বিমান দুৰ্ঘটনাৰ স্থান পৰিদৰ্শন কৰিব চৰকাৰী বিষয়াই

# যোৰহাট জিলাৰ আয়ুক্তই গঠন কৰিলে সমিতি

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২২ জানুৱাৰী ঃ** ১৯৭৭ চনৰ ৪ নৱেম্বৰৰ সন্ধিয়া প্ৰায় ৭-৩০ বজাত দবাপিটা বৰযুগতে পশ্চিম যোৰহাট অঞ্চলৰ খঙীয়া মৌজাৰ টেকেলা গাঁৱত সংঘটিত হৈছিল বিমান দুৰ্ঘটনা। যোৰহাটৰ কাছাৰি মৈদামত সেই দিনা অনুষ্ঠিত হ'বলগীয়া ৰাজহুৱা সভাখনত অংশগ্ৰহণ কৰিবলৈ আহিছিল সেইসময়ৰ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাইৰ লগতে অৰুণাচলৰ মুখ্যমন্ত্ৰী পি কে থুংগভ, ইণ্টেলিজেন্স ব্যুৰ'ৰ ডাইৰেক্টৰ জন্ছ লাবু, সাংসদ, বিজেপিৰ বৰ্তমানৰ ৰাষ্ট্ৰীয় নেতা আৰ কে খিৰিমী, সৰ্বোদয়ৰ ৰাষ্ট্ৰীয় নেতা নাৰায়ণ দেশাই, প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাইৰ পুত্ৰ ক্ৰান্তিভাই দেশাইৰ লগতে বিমানখনৰ পাইলট উইং কামাণ্ডাৰ চি আই ডি লিম ভি এম, জগিন্দ্ৰৰ সিং, স্কোৱাডন এল ডি, ভি ভি এছ সৰকাৰ, এম ছাইৰিক (পি), ফ্লাইড লীডাৰ অ' পি অৰোৰাসহ দলটো। অন্যসকল দৈৱক্ৰমে ৰক্ষা পৰিল যদিও কেউগৰাকী পাইলটৰ ঘটনাস্থলীতে মৃত্যু হ'ল। এই ঘটনাটোৰ স্মৃতি সজীৱ কৰি ৰাখিবৰ বাবে স্থানীয় লোকসকলে তেতিয়াৰ পৰাই গুৰুত্ব আৰোপ কৰি আহিছিল যদিও চৰকাৰ আৰু প্ৰশাসনে গুৰুত্ব দিয়া নাছিল। ২০২৫ বৰ্ষৰ ৪ নৱেম্বৰত তৃণমূল জাতীয় বিদ্যালয়ত সেইদিনটোৰ স্মৃতি দিন পালন কৰাৰ লগতে ঘটনাটোৰ স্মৃতি সজীৱ কৰি ৰখাৰ বাবে এখন সমিতি গঠন কৰি ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু মুখ্য সচিবলৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। মুখ্য সচিবৰ পৰা যোৰহাটৰ আয়ুক্তলৈ অহা চিঠি মৰ্মে আয়ুক্তই সমিতিখনে ঘটনাটোৰ স্মৃতি সজীৱ কৰি ৰাখিবৰ বাবে কি পৰিকল্পনা কৰিছে সেই সম্পৰ্কে লিখিতভাৱে বিচাৰে। সমিতিৰ সভাপতি সেবিন বৰা আৰু কাৰ্যকৰী সভাপতি মামণ দেৱীয়ে লিখিতভাৱে যোৰহাট জিলাৰ আয়ুক্তক পৰিকল্পনা জমা দিয়ে। যোৰহাট জিলা আয়ুক্তৰ নিৰ্দেশত অতিৰিক্ত জিলা আয়ুক্ত পংকজ বৰাই যোৰহাট জিলা আয়ুক্তৰ সভাকক্ষলৈ আজি স্থানীয় টীয়ক বিধানসভা সমষ্টিৰ বিধায়ক যোৰহাট জিলা পৰিষদৰ সভাপতি, মুখ্য কাৰ্যবাহী বিষয়া, জ্যেষ্ঠ আৰক্ষী অধীক্ষক, টীয়ক সম জিলাৰ আয়ুক্ত, যোৰহাট পশ্চিম ৰাজহ চক্ৰ বিষয়া, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক, জিলা সমাজ কল্যাণ বিষয়া, লোক নিৰ্মাণ বিভাগ (বিল্ডিং), যোৰহাট সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা, যোৰহাট তিতাবৰ এলেকাৰ কাৰ্যবাহী অভিযন্তা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা, বিদ্যালয়সমূহৰ পৰিদৰ্শক, এ পি ডি ছি এল-ৰ মুখ্য কাৰ্যবাহী বিষয়া, উত্তৰ-পশ্চিম যোৰহাট খণ্ড উন্নয়ন বিষয়া, পৰ্যটক তথ্য বিষয়া, জিলা সংগ্ৰহালয়ৰ বিষয়া, সাংস্কৃতিক উন্নয়ন বিষয়া, ৬৯ নং পশ্চিম খঙীয়া গাঁও পঞ্চায়তৰ সভাপতি, সমিতিখনৰ সভাপতি-সম্পাদকৰ লগতে জড়িতসকলৰ উপস্থিতিত ঘটনাটোৰ সন্দৰ্ভত আয়ুক্তৰ লগতে বিষয়াসকলে জানিব বিচাৰে। সমিতিৰ সভাপতি সেবিন বৰাই ঘটনাটো সংঘটিত হোৱা দিনটোৰ লগতে পৰৱৰ্তী সময়ৰ বিষয়ে অৱগত কৰাৰ পাছত সমিতিৰ মুখপাত্ৰ ৰমেন শইকীয়াই প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাইক যোৰহাট ৰৈয়াস্থিত বায়ুসেনা চিকিৎসালয়লৈ প্ৰধানমন্ত্ৰীগৰাকীক উঠাই নিয়া বাই চাইকেলখন যোৰহাট জিলা সংগ্ৰহালয়ত সংৰক্ষিত হৈ থকা বুলি উল্লেখ কৰাত সংগ্ৰহালয়ৰ বিষয়া অৱন্তিকা পৰাশৰে যোৰহাট ৰৈয়াস্থিত বায়ুসেনা চিকিৎসালয়ে প্ৰধানমন্ত্ৰীগৰাকীৰ বিমান দুৰ্ঘটনাৰ চিকিৎসাৰ সম্পৰ্কত দিয়া প্ৰমাণ-পত্ৰখনো জিলা সংগ্ৰহালয়ত সংৰক্ষিত হৈ আছে বুলি কয়। জিলা আয়ুক্তই ঘটনাস্থলী পৰিদৰ্শন কৰিবৰ বাবে চৰকাৰী বিষয়াৰ লগতে উপস্থিত থকা ভালেকেইগৰাকীক লৈ ঘটনাস্থলী ২৬ জানুৱাৰীৰ পাছত, ৩১ জানুৱাৰীৰ ভিতৰত পৰিদৰ্শন কৰি এক প্ৰতিবেদন দাখিলৰ বাবে সমিতি গঠন কৰি দিয়ে।

৩০ জানুৱাৰীত জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰিব তিনিচুকীয়া জিলা কৰ্মচাৰী পৰিষদে

# গৰজি উঠিছে কৰ্মচাৰী পৰিষদ; পুৰণি পেঞ্চন ব্যৱস্থা (অ.পি.এছ) পুনৰ বাহালৰ দাবী

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২২ জানুৱাৰী ঃ** ২০০৫ চনৰ পহিলা ফেব্ৰুৱাৰীৰ পৰা কেন্দ্ৰীয় চৰকাৰে প্ৰৱৰ্তন কৰা নতুন পেঞ্চন ব্যৱস্থাৰ (এন.পি.এছ) দোহাই দি আমাৰ ৰাজ্যৰ কৰ্মচাৰীৰ ক্ষেত্ৰতো অনুৰূপ ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ উমান পাই অসমৰ নৱ-প্ৰজন্মৰ কৰ্মচাৰী সমাজৰ ভৱিষ্যত অৱসৰকালীন স্বাৰ্থ সুৰক্ষাৰ দূৰদৰ্শী চিন্তা-চৰ্চাৰে বিষয়টো বিশ্লেষণ কৰিয়েই সদৌ অসম কৰ্মচাৰী পৰিষদে দেশৰ ভিতৰতে পোনপ্ৰথমে চৰকাৰৰ তেনে হঠকাৰী সিদ্ধান্তৰ বিৰুদ্ধে গৰজি উঠিছিল, অসমত এন.পি.এছ. ব্যৱস্থা কাৰ্যকৰী নকৰিবলৈ চৰকাৰক দাবী জনাইছিল। ইমানতে ক্ষান্ত নাথাকি সদৌ অসম কৰ্মচাৰী পৰিষদে নীৰৱচ্ছিন্নভাৱে এই সংগ্ৰামখন পদ্ধতিগত আৰু প্ৰণালীবদ্ধভাৱে আগবঢ়াই নিছে। দিন-বাগৰাৰ লগে লগে ইয়াৰ ভয়াবহ আৰু আগ্ৰাসী ৰূপ সম্পৰ্কে বিশদভাৱে বিভিন্ন সময়ত বিশেষজ্ঞসকলৰ লগত মত বিনিময় কৰি পৰিষদৰ ৩৭ সংখ্যক শিলচৰ অধিৱেশনত নতুন পেঞ্চন ব্যৱস্থা বাতিল কৰি পুৰণি পেঞ্চন ব্যৱস্থা প্ৰৱৰ্তন কৰা দাবীটো দাবী চনদত পৰিষদৰ প্ৰথম দাবী হিচাপে স্থান দিয়া হয়। ইয়াৰ উপৰিও বিভিন্ন সময়ত প্ৰধানমন্ত্ৰীক স্মাৰক-পত্ৰ প্ৰদান, মুখ্যমন্ত্ৰীক একাধিকবাৰ দাবী-চনদ প্ৰদান, চৰকাৰৰ লগত অনুষ্ঠিত হোৱা উচ্চ পৰ্যায়ৰ আলোচনা কালত প্ৰথমে গুৰুত্বপূৰ্ণভাৱে এই দাবী উপস্থাপন কৰা, ধৰ্ণা, অৱস্থান ধৰ্মঘট, প্ৰতিবাদী সভা, প্ৰতিবছৰে এক ফেব্ৰুৱাৰীৰ দিনটো 'কলা দিৱস' হিচাপে পালন কৰা ইত্যাদি বিভিন্ন কাৰ্যসূচীও ৰূপায়ণ কৰি আহিছে। শেহতীয়াভাৱে কেন্দ্ৰ আৰু ৰাজ্যৰ কৰ্মচাৰী সমাজৰ সহযোগত গঢ়ি উঠা তীব্ৰ আন্দোলনৰ ফলত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা একত্ৰিত পেঞ্চন আঁচনি (ইউ.পি.এছ - Unified Pension Scheme) অসম চৰকাৰেও গ্ৰহণ কৰিছে। এই ইউ.পি.এছ ব্যৱস্থাৰ সকলো দিশ অভিজ্ঞসকলৰ লগত পৰামৰ্শ কৰি এই ব্যৱস্থা কেতিয়াও পুৰণি পেঞ্চন ব্যৱস্থাৰ বিকল্প হ'ব নোৱাৰে বুলি কৰ্মচাৰী পৰিষদে উপলব্ধি কৰিছে। ইউ.পি.এছ বা এন.পি.এছ ব্যৱস্থা অ.পি.এছৰ বিকল্প হ'ব নোৱাৰে। অ.পি.এছ ব্যৱস্থা পুনৰ প্ৰৱৰ্তন কৰক। পেঞ্চন আমাৰ অধিকাৰ, অনুগ্ৰহ নহয়। ৰাজ্যিক কৰ্মচাৰীৰ বেতন, পেঞ্চনৰ দায়িত্ব ৰাজ্য চৰকাৰৰ। গতিকে, কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ লগত কৰ্মচাৰী সমাজক একাকাৰ নকৰি অসম চৰকাৰে ৰাজ্যৰ শিক্ষক, কৰ্মচাৰী, শ্ৰমিক বিষয়াসকলৰ অৱসৰকালীন জীৱনৰ লগতে পৰিয়ালৰ ভৰণ-পোষণ, চিকিৎসা, শিক্ষা আদিৰ খৰচৰ প্ৰয়োজন পূৰণৰ বাবে পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ প্ৰৱৰ্তন কৰাৰ বাবে সদৌ অসম কৰ্মচাৰী পৰিষদে দাবী উত্থাপন কৰি আহিছে। উল্লেখযোগ্য যে, অ.পি.এছ পুনৰ প্ৰৱৰ্তনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কোনো ধৰণৰ কাৰ্যকৰী পদক্ষেপ গ্ৰহণ নকৰাত যোৱা ২৩ নৱেম্বৰত শ্ৰীভূমিত অনুষ্ঠিত হোৱা সদৌ অসম কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাত পুনৰ এলানি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়। কাৰ্যসূচী অনুসৰি, যোৱা ২৪ ডিচেম্বৰত এন.পি.এছ ব্যৱস্থা বাতিল কৰি অ.পি.এছ ব্যৱস্থা প্ৰৱৰ্তনৰ দাবীত সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰতিখন জিলা কৰ্মচাৰী পৰিষদৰ অন্তৰ্গত আঞ্চলিক কৰ্মচাৰী পৰিষদৰ উদ্যোগত সমজিলা আয়ুক্ত ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰদান আৰু ২-১০ জানুৱাৰী, ২০২৬ তাৰিখলৈ প্ৰতিবাদী সভা স্মাৰক-পত্ৰ অভিযান কাৰ্যসূচী ৰূপায়ণৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে, অহা ২৮-৩১ জানুৱাৰীৰ ভিতৰত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী আৰু ১ ফেব্ৰুৱাৰীত কলা বেজ পৰিধান কৰি 'কলা দিৱস' পালন কৰাৰ লগতে উক্ত দিনাই জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত এন.পি.এছ ব্যৱস্থা বাতিলৰ দাবীত মটৰ চাইকেল ৰেলী কাৰ্যসূচী হাতত লৈছে কৰ্মচাৰী পৰিষদে। পৰিষদৰ আহ্বানক্ৰমে তিনিচুকীয়া জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত তথা জিলাখনৰ বিভিন্ন সংস্থা-সংঘ-সন্থাৰ সহযোগত অহা ৩০ জানুৱাৰীত বৰগুৰিস্থ তিনিচুকীয়া জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত দুপৰীয়া ১২ বজাৰ পৰা দিনৰ ২ বজালৈ ৰূপায়ণ কৰিবলগীয়া দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচীত তিনিচুকীয়া জিলাৰ সমূহ শিক্ষক-কৰ্মচাৰী, শ্ৰমিক-বিষয়া, সংস্থা-সংঘ-সন্থা, সন্মিলনীক উপস্থিত থাকি প্ৰতিবাদ সাব্যস্ত কৰিবলৈ তিনিচুকীয়া জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি প্ৰসন্ন কুমাৰ বৰুৱা আৰু সাধাৰণ সম্পাদক বীৰেণ গগৈয়ে আহবান জনাইছে।

# মাছখোৱা গাঁৱত পশু টিকাকৰণ সন্দৰ্ভত সজাগতা সভা সম্পন্ন




**ষ্টাফ ৰিপৰ্টাৰ মৰিগাঁও, ২২ জানুৱাৰী ঃ** মৰিগাঁও জিলা পশুপালন আৰু পশু চিকিৎসা বিভাগৰ উদ্যোগত আজি মাছখোৱা গাঁৱত পশু টিকাকৰণ সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত মাছখোৱা দুগ্ধ সমবায় সমিতিৰ সদস্যসকল উপস্থিত থাকে। সভাত ভাষণ প্ৰদান কৰি জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে পশুক স্বাস্থ্যজনিত বিভিন্ন সমস্যাৰ পৰা মুক্ত কৰা আৰু উৎপাদন ক্ষমতা বৃদ্ধিৰ বাবে সময়মতে টিকাকৰণ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ পশুপালন সম্পৰ্কীয় সকলো কাৰ্য ব্যৱসায়িক ভিত্তিত কৰি আত্মনিৰ্ভৰশীল হোৱাৰ বাবে কৃষকসকলক আহ্বান জনায়। সভাৰ অংশৰূপে জিলা আয়ুক্তগৰাকীয়ে বিভিন্ন আত্মসহায়ক গোটৰ মহিলাসকলৰ সৈতে মত-বিনিময় কৰি মুখ্যমন্ত্ৰী উদ্যমিতা আঁচনিৰ অধীনত প্ৰদান কৰা ১০,০০০ টকাৰ সঠিক ব্যৱহাৰৰ বিষয়ে আলোচনা কৰে। সভাৰ অন্তত প্ৰজনন সমস্যাত ভুগি থকা পশুৰ বাবে মাছখোৱা দুগ্ধ সমবায় সমিতিৰ কৃষকসকলক ঔষধ বিতৰণ কৰা হয়। সভাত জিলা পশু চিকিৎসা বিষয়া ডাঃ নিলোৎপল কাকতি, ডাঃ জুৰিমা কলিতা আৰু পশুপালন আৰু পশু চিকিৎসা বিভাগৰ অন্যান্য বিষয়াসকল উপস্থিত আছিল।

# দেওহাটী-চৌটাকীৰ তিনিদনীয়া কালী পূজাৰ সামৰণি

**দেৱী কালীৰ ভয়ংকৰ ৰূপৰ অন্তৰালত আছে মাতৃৰ মমতাময়ী ৰূপ-সমাজকৰ্মী ৰুদ্ৰ কুমাৰ পাঠক**

**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ২২ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ নিকটৱৰ্তী দেওহাটীৰ চৌটাকিত যোৱা ১৮ জানুৱাৰীৰ পৰা তিনিদনীয়া বৰ্ণিল কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা কালী পূজা কালি নিশা অনিন্দিতা কাশ্যপৰ গীতৰ অনুষ্ঠানেৰে সামৰণি পৰে। সাংস্কৃতিক অনুষ্ঠানখনৰ প্ৰয়াত নৃপেন্দ্ৰ চন্দ্ৰ ৰায় সোঁৱৰণি মঞ্চখন মুকলি কৰে অভয়াপুৰীৰ সমাজকৰ্মী ৰুদ্ৰ কুমাৰ পাঠকে। বন্তি প্ৰজ্বলন কৰে শিঙিমাৰী উচ্চ বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষয়িত্ৰী মীনা বৰ্মনে। মঞ্চখন মুকলি কৰি দিয়া ভাষণত সমাজকৰ্মী পাঠকে কয় যে দেৱী কালী সময়, মৃত্যু, সৃষ্টি আৰু ধ্বংসৰ প্ৰতীক। যি গৰাকী দেৱীৰ ভয়ংকৰ ৰূপৰ অন্তৰালত আছে মাতৃসুলভ মমতাময়ী ৰূপ। সেইবাবে দেৱী ভক্তক নিৰন্তৰ ৰক্ষা কৰি থাকে আৰু ভক্তৰ দুখ হৰণ কৰে। পূজা পৰিচালনা সমিতিৰ সভাপতি নন্দেশ্বৰ দাস, উপসভাপতি কল্যাণ ৰায়, সম্পাদক অৱনী কুমাৰ বৰুৱা, বিপুল ৰায়, ধ্ৰুৱজ্যোতি বৰুৱা আদিৰ উপস্থিতিত মঞ্চ মুকলি অনুষ্ঠানত পাঠকে আকৌ কয় যে অশুভ শক্তিৰ বিনাশক কালী দেৱী শাক্ত সভ্যতাক প্ৰতিনিধিত্ব কৰি আহিছে বুলি মন্তব্য কৰে। প্ৰথম দিনা পুৱা বৃক্ষৰোপণ, দেৱীৰ প্ৰতিমা বেদীত স্থাপন আৰু দেৱীৰ পূজা অৰ্চনা অনুষ্ঠিত হয়। পাছদিনা অনুষ্ঠিত হয় আইসকলৰ নাম, নাগাৰা নাম আৰু নিশা অনুষ্ঠিত হয় যাত্ৰাভিনয়।

# ৩১ জানুৱাৰীলৈ পিছুৱালে নামনি মাজুলীৰ হিন্দু সন্মিলন

**অসম বাৰ্তা, উজনী মাজুলী, ২২ জানুৱাৰী ঃ** সনাতন সংস্কৃতিক সমৃদ্ধ কৰি ৰখা হিন্দু ধৰ্মৰ অন্যতম ৰক্ষাকাৰী অনুষ্ঠান নামনি মাজুলীৰ হিন্দু সন্মিলনখন পিছুৱাই দিয়া হৈছে। অহা ২৫ জানুৱাৰীত অনুষ্ঠিত হ'ব লগীয়া উক্ত হিন্দু সন্মিলনখন অহা ৩১ জানুৱাৰীলৈ পিছুৱাই দিয়া হৈছে। নামনি মাজুলীৰ কৰতিপাৰ, শ্ৰীলোহিত আৰু চিলাকলা মণ্ডলৰ ৰাইজৰ সহযোগত অহা ৩১ জানুৱাৰীত উক্ত হিন্দু সন্মিলনখন অনুষ্ঠিত হ'ব। নামনি মাজুলীৰ বালিচাপৰি মিলিত কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব লগীয়া উক্ত হিন্দু সন্মিলিনখনত ৰাইজৰ উপস্থিতি আয়োজক সমিতিৰ সভাপতি গোপাল বৰা, কাৰ্যকৰী সভাপতি জয়ন্ত নেওগ আৰু সম্পাদক ৰঞ্জিত শইকীয়াই কামনা কৰিছে। উল্লেখযোগ্য যে উক্ত হিন্দু সন্মিলনখন অহা ২৫ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া আছিল যদিও অনিবাৰ্য কাৰণবশতঃ উক্ত হিন্দু সন্মিলনখন ৩১ জানুৱাৰীলৈ পিছুৱাই দিয়া হৈছে। ৩১ জানুৱাৰীত পূৰ্বে নিৰ্ধাৰিত স্থানতে দুপৰীয়া ১১.৩০ বজাৰ পৰা উক্ত হিন্দু সন্মিলনখন অনুষ্ঠিত হ'ব।

# মৰিগাঁৱত ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহ উপলক্ষে পথ সুৰক্ষা সজাগতা অভিযান

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২২ জানুৱাৰী ঃ** ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহৰ অংশ হিচাপে আজি মৰিগাঁও জিলাত লোকনিৰ্মাণ পথ বিভাগ আৰু জিলা পথ সুৰক্ষা সমিতিৰ উদ্যোগত এক পথ সুৰক্ষা সজাগতা অভিযান ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীৰ মূল লক্ষ্য আছিল সাধাৰণ লোকক পথ সুৰক্ষাৰ নিয়মসমূহ মানি চলাৰ প্ৰয়োজনীয়তাৰ বিষয়ে সজাগ কৰা। এই সজাগতা অভিযানত মৰিগাঁও জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত নিতিশা বৰা উপস্থিত থাকি পথ সুৰক্ষাৰ নিয়মসমূহ মানি চলাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে পথ দুৰ্ঘটনা হ্ৰাস কৰিবলৈ সকলো নাগৰিকৰে সচেতনতা



আৰু দায়িত্বশীল আচৰণ অতি প্ৰয়োজনীয়। অনুষ্ঠানত লোকনিৰ্মাণ পথ বিভাগ, মৰিগাঁৱৰ অধীক্ষক অভিযন্তা জিন্নাত আহমেদে পথ সুৰক্ষাৰ নীতি নিৰ্দেশনাসমূহ কঠোৰভাৱে মানি চলাৰ ক্ষেত্ৰত ব্যাপক সজাগতা সৃষ্টিৰ ওপৰত বক্তব্য আগবঢ়ায়। একেদৰে উপ-আৰক্ষী অধীক্ষক প্ৰীতম শইকীয়াই যান-বাহন চলাওঁতে নিয়মসমূহ কঠোৰভাৱে মানি চলিবলৈ নাগৰিকসকলৰ প্ৰতি আহ্বান জনায়। জিলা পৰিবহণ বিষয়া অমৰ বৰুৱাই হেলমেট আৰু ছীট বেল্ট ব্যৱহাৰৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি কয় যে সৰু সৰু সতৰ্কতাই বহু মূল্যবান জীৱন ৰক্ষা কৰিব পাৰে। এই কাৰ্যসূচীত লোকনিৰ্মাণ বিভাগৰ বিষয়াসকল আৰু কৰ্মচাৰীসকলৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

আজিৰে পৰা ছয়দিনীয়া বৰ্ণিল কাৰ্যক্ৰমণিকাৰে গণেশৰ পূজা আৰু মহামেলাৰ প্ৰস্তুতি

# শৈল ভাস্কৰ্যৰ নান্দনিক সমাহাৰ অভয়াপুৰীৰ গণেশ মন্দিৰ

**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ২২ জানুৱাৰী ঃ** নামনি অসমৰ ভিতৰতে অন্যতম শৈল ভাস্কৰ্যৰ নিদৰ্শনস্থলী বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ নিকটৱৰ্তী লালমাটি-দুৱামাৰীৰ ঐতিহ্যমণ্ডিত গণেশ মন্দিৰত অহা ২২ জানুৱাৰীৰ পৰা ৬ দিনীয়া বৰ্ণিল কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব শৈলজানন্দন গণেশৰ পূজা আৰু মহামেলা। পূজা মহোৎসৱৰ বাবে কমল কুমাৰ মেধিক সভাপতি, মাণিক চন্দ্ৰ নাথক কাৰ্যকৰী সভাপতি, বাসুদেৱ নাথক সাধাৰণ সম্পাদক আৰু গোলক নাথক যুটিয়া সম্পাদক হিচাবে লৈ দুবছৰীয়া কাৰ্যকালৰ বাবে গঠন কৰা পৰিচালনা সমিতিয়ে কেবাখনো উপ-সমিতিৰ জৰিয়তে প্ৰস্তুতি চলোৱা সম্পন্ন কৰি তুলিছে। প্ৰচাৰ সম্পাদক গিৰীশ নাথে জানিবলৈ দিয়ামতে, কাইলৈ সন্ধিয়া অধিবাসেৰে পূজা আৰম্ভ হোৱাৰ পাছদিনা পুৱাতেই গণেশ বিগ্ৰহত পূজা-অৰ্চনা আৰম্ভ হ'ব। তাৰ পাছত নাম প্ৰসংগ, ধৰ্মগ্ৰন্থ পাঠ আৰু স্মৃতি তৰ্পণ অনুষ্ঠান অনুষ্ঠিত হ'ব। পুৱা ১০ বজাত পৰিচালনা সমিতিৰ সভাপতি কমল কুমাৰ মেধিৰ দ্বাৰা পূজা মহোৎসৱৰ মূল ধ্বজা উত্তোলন কৰৰ পাচতে পূজা পৰিচালনা সমিতিৰ সৈতে জড়িত গাঁও সমূহৰ একোখনকৈ পতাকা উত্তোলন কৰিব। পুৱা ১১ বজাত কৈৱল্য নাথ মহাৰাজ জীৰ দ্বাৰা পূজা মহোৎসৱৰ বন্তি প্ৰজ্বলন কৰিবলগীয়া অনুষ্ঠানত সন্মানীয় অতিথি হিচাবে উপস্থিত থাকিব ক্ৰমে কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী পাৰিষদ জীৱেশ ৰায় আৰু অৱসৰপ্ৰাপ্ত জিলা আৰু সত্ৰ ন্যায়াধীশ সুনীল পোদ্দাৰে। ১১-৩০ বজাত অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ গছপুলি ৰোপণ অনুষ্ঠানত বঙাইগাঁও জিলা বিজেপিৰ সভাপতি উজ্জ্বলকান্তি ৰায় সন্মানীয় সহযোগী হিচাবে উপস্থিত থাকিব। ২৪ জানুৱাৰীত প্ৰাতঃঅৰ্চনা, ধৰ্মগ্ৰন্থ পাঠ, আইসকলৰ নাম, লোকনাট্যানুষ্ঠান প্ৰদৰ্শন আৰু সন্ধিয়া বইটামাৰী কাশাৰপাৰাৰ পূৰেৰুন নাট্য গোষ্ঠীৰ দ্বাৰা যাত্ৰাভিনয়, ২৫ জানুৱাৰীৰ পুৱা পূজা অৰ্চনাৰ লগতে আবেলি অনুষ্ঠিত হ'ব অভয়াপুৰী সাহিত্য চ'ৰাৰ ১৬৯ সংখ্যক বৈঠক। তেনেদৰে বঙাইগাঁও জিলা পৰিষদৰ সভানেত্ৰী মৃদুলা সিংহৰ দ্বাৰা বিয়ানাম প্ৰতিযোগিতা আৰু কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ উপাধ্যক্ষ সুকেন ৰায়ে উদ্বোধন কৰিব ডবানাম অনুষ্ঠান। ২৬ জানুৱাৰীৰ দিনা চিত্ৰাংকন, কুইজ প্ৰতিযোগিতাৰ পাচতে প্ৰাক্তন বিধায়ক ভূপেন ৰায়ে উদ্বোধন কৰিব সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু অসমীয়াৰ হৃদস্পন্দন জুবিন গাৰ্গৰ গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা। পূজা মহোৎসৱৰ অন্তিম দিনা সন্ধিয়া অভয়াপুৰী অঞ্চলৰ বিশিষ্ট সমাজ কৰ্মী ৰুদ্ৰ কুমাৰ পাঠকে উদ্বোধন কৰিব মুকলি সাংস্কৃতিক অনুষ্ঠান। উক্ত অনুষ্ঠানত আমন্ত্ৰিত জনপ্ৰিয় কণ্ঠশিল্পী বৰষা কাশ্যপৰ লগতে কেবাগৰাকী শিল্পীয়ে অংশ ল'ব।

# ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানত ধৰা পৰিছে ঢেকীয়াপতীয়া বাঘৰ অৱস্থিতি



**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২২ জানুৱাৰী ঃ** ইংৰাজী নতুন বছৰৰ আৰম্ভণিতে ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানলৈ আহিছে এটা শুভ সংবাদ। ৰাষ্ট্ৰীয় উদ্যানখনত ধৰা পৰিছে ঢেকীয়াপতীয়া বাঘৰ উপস্থিতি। উদ্যান কৰ্তৃপক্ষ আৰু ৱাইল্ড লাইফ ট্ৰাষ্ট অৱ ইণ্ডিয়াৰ যুটীয়া উদ্যোগত সংস্থাপন কৰা কেমেৰাত ঢেকীয়াপতীয়া বাঘৰ ফটো পোৱা গৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ তিনিচুকীয়া বন্যপ্ৰাণী সংমণ্ডলৰ অন্তৰ্গত গুইজান বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অধীনত কুণ্ডাঘাট বন শিবিৰৰ সমীপত শালিবাৰী মুখত স্থাপন কৰা কেমেৰাত ঢেকীয়াপতীয়া বাঘৰ এই অৱস্থিতি ধৰা পৰিছে। এই খবৰে উদ্যান কৰ্তৃপক্ষ আৰু বন্যপ্ৰাণী প্ৰেমীসকলক আনন্দিত কৰি তুলিছে। ইপিনে মঙলবাৰে ৰাজ্যৰ বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে নিজৰ এক্স হেণ্ডেলত উদ্যানখনত ঢেকীয়াপতীয়া বাঘৰ অৱস্থিতিৰ কথা উল্লেখ কৰি ফটোসহ এটা পষ্ট দিয়ে। বন বিভাগৰ সূত্ৰ অনুসৰি উদ্যানখনৰ ভিতৰত গুইজান আৰু চৈখোৱা ৰেঞ্জত মুঠ ৬৫টা কেমেৰা স্থাপন কৰা হৈছিল। এই কেমেৰাত বিগত বৰ্ষৰ ১৪ ডিচেম্বৰত প্ৰথমবাৰৰ বাবে ঢেকীয়াপতীয়া বাঘৰ অৱস্থিতি ধৰা পৰে। ইয়াৰ পাছত ২০২৬ বৰ্ষৰ প্ৰথমটো দিনতেই পুনৰ ধৰা পৰে ঢেকীয়াপতীয়া বাঘটো। বিভিন্ন সময়ত বিভিন্নজনে ৰাষ্ট্ৰীয় উদ্যানখনত এতিয়াও ঢেকীয়াপতীয়া বাঘ আছে বুলি কৈ আহিছিল যদিও তাৰ কোনো ফটো সম্বলিত প্ৰমাণ নাছিল। কিন্তু, শেহতীয়াকৈ প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় উদ্যানখনত ঢেকীয়াপতীয়া বাঘ থকাৰ ফটো সম্বলিত প্ৰমাণ পোৱা গৈছে। উল্লেখ্য যে প্ৰায় তিনি দশক পূৰ্বে ৰাষ্ট্ৰীয় উদ্যানখনত বহুকেইটা ঢেকীয়াপতীয়া বাঘ থকাৰ বিষয়ে জানিব পৰা গৈছিল। ডিব্ৰু-চৈখোৱাই ৰাষ্ট্ৰীয় উদ্যানৰ স্বীকৃতি লাভ কৰাৰ পূৰ্বে ১৯৯৩ চনত হোৱা বাঘৰ জৰীপত উদ্যানখনত ৮টা মতা বাঘ, ১২জনী মাইকী বাঘ আৰু ৭টা পোৱালিৰ অৱস্থিতি ধৰা পৰিছিল। পুনৰ ১৯৯৭ চনত চলোৱা জৰীপত ১২টা মতা বাঘ, ১৪জনী মাইকী বাঘ আৰু ৪টা পোৱালিৰ অৱস্থিতি ধৰা পৰিছিল। কিন্তু, ইয়াৰ পাছতে ৰাষ্ট্ৰীয় উদ্যানখনত ঢেকীয়াপতীয়া বাঘৰ অৱস্থিতিৰ কোনো তথ্য পোৱা হোৱা নাছিল। প্ৰায় তিনি দশকৰ পাছত এইবাৰ পুনৰ কেমেৰাত ঢেকীয়াপতীয়া বাঘৰ অৱস্থিতি ধৰা পৰিছে।

# দেৰগাঁৱৰ আনন্দ মেলাত চকৰি খহি প্ৰাণৰক্ষা দৰ্শকৰ

**অসম বাৰ্তা, দেৰগাঁও, ২২ জানুৱাৰী ঃ** দেৰগাঁও নৰেন শৰ্মা স্মৃতি পথাৰত চলি থকা আনন্দমেলাত আজি সংঘটিত হয় এক ভয়াবহ অঘটন। মেলাত চলি থকা চকৰি হঠাতে সুলকি পৰাত মেলাস্থলীত হুৰা-দুৰা পৰিস্থিতিৰ সৃষ্টি হয়। দৈৱক্ৰমে চকৰিটোত সেইসময়ত শিশু বা কোনো মানুহ নাছিল। কিন্তু চকৰিটো খহি পৰি এজন লোক আহত হয়। গধূলি প্ৰায় ৮-৩০ বজাত সংঘটিত এই ঘটনাৰ পাছতে মেলা স্থগিত ৰখা হয়। আজি সংঘটিত ঘটনাৰ সময়ত চলি থকা চকৰিটোত মানুহ থকা হ'লে অতি ভয়াবহ ঘটনা হ'লহেঁতেন। এই ঘটনাৰ পাছতে সচেতন মহলে দেৰগাঁৱত পৰীক্ষাৰ বতৰত চলা মেলাবোৰ অনা অনুষ্ঠানবোৰৰ বৈধ্যতাৰ প্ৰসংগও উত্থাপন কৰিছে। ইপিনে মেলা কৰ্তৃপক্ষই চলি থকা চকৰিৰ চকা খোল খোৱাকৈ ৰাখি মানুহৰ জীৱনক লৈ খেল খেলা বিষয়টোত আশ্চৰ্য প্ৰকাশ কৰি এনে দায়িত্বজ্ঞানহীনভাৱে চলা মেলা শীঘ্ৰেই বন্ধ কৰিবৰ বাবে সম-জিলা প্ৰশাসনক দাবী জনাইছে।

# সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ বৰজনা আঞ্চলিকৰ বৃহৎ যোগদান কাৰ্য্যসূচী

**অসম বাৰ্তা, লেংটিছিঙা, ২২ জানুৱাৰী ঃ** আজি অসম গণ পৰিষদ সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰজনা আঞ্চলিকৰ এখন যোগদান কাৰ্যসূচীত প্ৰাৰ্থীত্ব প্ৰত্যাশী ছাহিদুল ইছলাম উপস্থিত থাকি বৰজনাত এখন যোগদান কাৰ্য্যসূচী অনুষ্ঠিত হয়। যুৱ নেতা ছাহিদুল হক নেতৃত্বত অসম গণ পৰিষদ দলত যোগদান প্ৰায় ৫২জন ব্যক্তিয়ে যোগদান কৰে। ছাহিদুল ইছলাম আৰু দলীয় কৰ্মকৰ্তা সকলৰ নেতৃত্বত এই যোগদান কাৰ্যসূচীয়ে কংগ্ৰেছ আৰু AIUDF শিবিৰত খলকনিৰ সৃষ্টিৰ লগতে স্থানীয় ৰাজনীতিত নতুন ৰং যোগাইছে। কংগ্ৰেছ আৰু AIUDF শিবিৰত এই ঘটনাই বাৰুকৈয়ে প্ৰভাৱ পেলাইছে। আগন্তুক দিনত এই পৰিৱৰ্তনৰ স্থানীয় ৰাজনীতিত গতি-প্ৰকৃতিত কেনেদৰে প্ৰভাৱ পেলায়, সেয়া সময়ে ক'ব। উক্ত সভাত উপস্থিত থাকে সমষ্টি কমিটিৰ সাধাৰণ সম্পাদক আনিচুল চৌধুৰী, লগতে উপস্থিত থাকে বঙাইগাঁও জিলা অগপৰ সাধাৰণ সম্পাদক ৰহিজুল ইছলাম, সাধাৰণ সম্পাদক আত্ৰাম আলী, তথ্য প্ৰযুক্তি সম্পাদক খনিন বৰ্মন, সহঃ সম্পাদক আব্দুল মন্নাফ, সাংগঠনিক সম্পাদক মহচিন আহমেদ, সহিদুল ইছলাম, অগপ নেতা মজাৰুল হক, ৰফিজ উদ্দিন, কাবাইটাৰী আঞ্চলিকৰ সভাপতি আব্দুল আওৱাল, বৰজনা আঞ্চলিকৰ সভাপতি জুল হুছেইন, দলীয় কৰ্মকৰ্তাসকল।

## শোকস্তব্ধ দুধনৈ; ৰাভা জাতীয় সংগঠনৰ শ্ৰদ্ধাঞ্জলি

# নিখিল ৰাভা মহিলা পৰিষদৰ প্ৰাক্তন সভানেত্ৰী হিমাৰাণী ৰাভাৰ দেহাৱসান

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, দুধনৈ, ২২ জানুৱাৰী ঃ** ৰাভা জনগোষ্ঠীৰ অগ্ৰণী জাতীয় সংগঠন নিখিল ৰাভা মহিলা পৰিষদৰ প্ৰাক্তন সভানেত্ৰী হিমা ৰাণী ৰাভা (৬১)আজি পুৱা ৫-৪০ বজাত ইহলীলা সম্বৰণ কৰে। গোৱালপাৰাৰ চহৰৰ ব্যক্তিগত খণ্ডৰ ছলেচ হস্পিটেলত চিকিৎসাধীন অৱস্থাত থকা হিমা ৰাণী ৰাভাই আজি পুৱা সকলোকে কন্দুৱাই শেষ নিশ্বাস ত্যাগ কৰে। যোৱা প্ৰায় তিনিটা দিন ধৰি তেখেতে আই ছি ইউ ত ভৰ্তি হৈ আছিল। তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে ৰাভা জাতীয় সংগঠনৰ লগতে অজস্ৰ গুণমুগ্ধই দুধনৈৰ ঠেকাচুস্থিত তেওঁৰ বাসগৃহত আহি সমৱেত হোৱাৰ লগতে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে ৰাভা হাছং পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা, নিখিল ৰাভা ছাত্ৰ সন্থা, নিখিল ৰাভা মহিলা পৰিষদ, ষষ্ঠ অনুসূচী দাবী সমিতিৰ কেন্দ্ৰীয় তথা জিলা কমিটিৰ সমূহৰ লগতি নিখিল ৰাভা সাহিত্য সভাৰ গোৱালপাৰা জিলা কমিটি আৰু ৰাভা জাতীয় তথা সামাজিক সংগঠন সমূহে। ১৯৮০ চনত গোৱালপাৰা মহাবিদ্যালয়ত গঠন হোৱা নিখিল ৰাভা ছাত্ৰ সন্থাৰ তেখেতে প্ৰতিষ্ঠাপক কাৰ্যকৰী সদস্যা হিচাবে স্থান লাভ কৰাৰ পিছৰে পৰাই ৰাভা জাতীয় সংগ্ৰামৰ প্ৰতিটো কাৰ্যসূচী ৰূপায়ণ কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। ১৯৯৩ চনত গোৱালপাৰা জিলা ৰাভা মহিলা পৰিষদ গঠনৰ সময়তো তেখেতে উৎলেখনীয় ভূমিকা কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ জিলা কমিটিৰ দায়িত্ব গ্ৰহণ কৰে। উল্লেখ্য যে, তেওঁ ২০০৪ চনৰ পৰা নিখিল ৰাভা মহিলা পৰিষদৰ ভাৰপ্ৰাপ্ত সম্পাদিকাৰ দায়িত্ব পালন কৰাৰ পাছত ২০০৯ চনৰ পৰা ২০২০ চনলৈ সুদীৰ্ঘ ১২ বছৰ কাল নিখিল ৰাভা মহিলা পৰিষদৰ সভানেত্ৰীৰ দায়িত্ব পালন কৰি ৰাভা জাতিৰ উত্তৰণৰ বাবে কাম কৰি ৰাভা জাতীয় আন্দোলনক সন্মুখৰ পৰা নেতৃত্ব দি মহিলা সকলক একত্ৰিত কৰাত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। তেখেতৰ নশ্বৰদেহ দুধনৈৰ শ্মশানত দাহ কৰাৰ পূৰ্বে ৰাভা হাছং স্বায়ত্বশাসিত পৰিষদৰ সচিবালয়ত শেষ শ্ৰদ্ধা নিবেদন কৰা হয়। ইয়াৰোপৰি নিখিল ৰাভা মহিলা পৰিষদৰ উদয়পুৰস্থিত মুখ্য কাৰ্যালয়, নিখিল ৰাভা ছাত্ৰ সন্থাৰ দুধনৈস্থিত মুখ্য কাৰ্যালয়, ষষ্ঠ অনুসূচী দাবী কমিটিৰ মুখ্য কাৰ্যালয়ত নেত্ৰীজনক শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। তদুপৰি দুধনৈ জনমন্দিৰ প্ৰাংগনত দুধনৈ উন্নয়ন কমিটি, দুধনৈ সমবায় সমিতি, দুধনৈ কেন্দ্ৰীয় মহিলা কমিটি, দুধনৈ ব্যৱসায় সন্থা, দুধনৈ প্ৰেছ ক্লাব আৰু বহু গুণমুগ্ধ দল সংগঠন আৰু ৰাইজে শ্ৰদ্ধা নিবেদন কৰে।

# আধুনিক যুগত সৰস্বতী পূজাৰ প্ৰাসংগিকতা

বুদ্ধি, বাক্‌শক্তি, সংগীত আৰু কলাৰ অধিষ্ঠাত্ৰী দেৱী মা সৰস্বতীৰ আৰাধনা যুগ যুগ ধৰি জ্ঞান অন্বেষণৰ এক পৱিত্ৰ প্ৰতীক হিচাপে গণ্য হৈ আহিছে। সময় পৰিৱৰ্তনৰ সৈতে সমাজ, শিক্ষাব্যৱস্থা আৰু জীৱনশৈলীত ব্যাপক পৰিৱৰ্তন ঘটিলেও সৰস্বতী পূজাৰ মূল ভাবধাৰা আজিও সমানেই প্ৰাসংগিক। আধুনিক যুগৰ জটিলতা, প্ৰতিযোগিতা আৰু মানসিক অস্থিৰতাৰ মাজত এই পূজাই মানুহক জ্ঞানৰ সঠিক অৰ্থ আৰু ব্যৱহাৰ স্মৰণ কৰাই দিয়ে।

আধুনিক যুগ বিজ্ঞান, প্ৰযুক্তি আৰু তথ্যৰ যুগ বুলি কোৱা হয়। মানুহে আজিৰ দিনত অতি সহজে বিপুল পৰিমাণৰ তথ্য লাভ কৰিব পাৰে। কিন্তু তথ্য আৰু জ্ঞান একে নহয়। তথ্যৰ সঠিক ব্যৱহাৰ, বিশ্লে-ষণ আৰু মানৱকল্যাণত প্ৰয়োগ নকৰিলে সেই তথ্য অৰ্থহীন হৈ পৰে। এই ক্ষেত্ৰত সৰস্বতী পূজাই জ্ঞানৰ সৈতে বুদ্ধি, বিবেচনা আৰু নৈতিকতাৰ সংযোগৰ গুৰুত্ব বুজাই দিয়ে। সৰস্বতী দেৱী কেৱল বিদ্যাৰ নহয়, সৎ চিন্তা আৰু শুদ্ধ বাক্যৰো অধিষ্ঠাত্ৰী- এই বিশ্বাসেই আধুনিক যুগত এই পূজাক অধিক অৰ্থৱহ কৰি তোলে।

আধুনিক শিক্ষাব্যৱস্থা বহুখিনি ফলাফলমুখী আৰু প্ৰতিযোগিতামূলক। পৰীক্ষাত নম্বৰ, কেৰিয়াৰ আৰু আৰ্থিক সফলতাই শিক্ষাৰ মূল লক্ষ্য হৈ উঠিছে। এই দৌৰৰ মাজত বহু ছাত্ৰ-ছাত্ৰী মানসিক চাপ, হতাশা আৰু আত্মবিশ্বাসৰ অভাৱত ভোগে। সৰস্বতী পূজাই এনে পৰিস্থিতিত মানসিক শান্তি আৰু আত্মবিশ্বাস প্ৰদান কৰে। বিদ্যা যে কেৱল চাকৰি লাভৰ মাধ্যম নহয়, বৰঞ্চ আত্মউন্নয়ন আৰু মানৱিকতা বিকাশৰ পথ- এই উপলব্ধি এই পূজাৰ মূল বাণী।

আধুনিক যুগত নৈতিক অৱক্ষয় এক গুৰুত্বপূৰ্ণ সামাজিক সমস্যা। অসৎ প্ৰতিযোগিতা, স্বাৰ্থপৰতা, হিংসা আৰু মূল্যবোধৰ অবক্ষয়ে সমাজক বহু ক্ষেত্ৰত সংকটৰ মুখলৈ ঠেলি দিছে। এই পৰিপ্ৰেক্ষিতত সৰস্বতী পূজাৰ নৈতিক তাৎপৰ্য অত্যন্ত গুৰুত্বপূৰ্ণ। শুভ্ৰ বস্ত্ৰ পৰিহিতা সৰস্বতী দেৱী পৱিত্ৰতা, শুদ্ধতা আৰু সংযমৰ প্ৰতীক। এই প্ৰতীকসমূহে মানুহক স্মৰণ কৰাই দিয়ে যে বিদ্যা নৈতিকতাৰ সৈতে যুক্ত নহ'লে সমাজৰ কল্যাণ সম্ভৱ নহয়।

সৰস্বতী পূজাৰ লগত ভাষা আৰু বাক্‌সংযমৰো গভীৰ সম্পৰ্ক আছে। আধুনিক যুগত সামাজিক মাধ্যম আৰু দ্ৰুত যোগাযোগ ব্যৱস্থাৰ ফলত বাক্‌ব্যৱহাৰত অসংযম, অসভ্যতা আৰু ভুল তথ্যৰ প্ৰচাৰ বৃদ্ধি পাইছে। সৰস্বতী দেৱী বাক্‌শক্তিৰ অধিষ্ঠাত্ৰী হোৱাত শুদ্ধ ভাষা, সত্য কথা আৰু সংযত বাক্য ব্যৱহাৰৰ শিক্ষা দিয়ে। এই শিক্ষা আজিৰ ডিজিটেল যুগত অত্যন্ত প্ৰাসংগিক।

কলাৰ ক্ষেত্ৰতো সৰস্বতী পূজাৰ গুৰুত্ব অপৰিসীম। আধুনিক জীৱনশৈলীৰ ব্যস্ততা আৰু যান্ত্ৰিকতাই মানুহক সংবেদনশীলতাৰ পৰা দূৰত ঠেলি নিছে। সংগীত, নৃত্য, সাহিত্য আৰু চিত্ৰকলাৰ দৰে কলাসমূহে মানুহৰ মন সুকোমল কৰি তোলে। সৰস্বতী দেৱী যিহেতু কলাৰ অধিষ্ঠাত্ৰী, সেয়ে এই পূজাই মানুহক সৃষ্টিশীলতাৰ প্ৰতি আকৃষ্ট কৰে আৰু মানসিক সুস্থতা ৰক্ষা কৰাত সহায় কৰে।

বিদ্যালয় আৰু শিক্ষানুষ্ঠানসমূহত আধুনিক যুগতো সৰস্বতী পূজাৰ প্ৰাসংগিকতা বিশেষভাৱে অনুভূত হয়। এই পূজাই ছাত্ৰ-ছাত্ৰীসকলক কিতাপ, কলম আৰু শিক্ষাগুৰুক শ্ৰদ্ধা জনাবলৈ শিক্ষা দিয়ে। দলগত কাম, শৃংখলা, সহনশীলতা আৰু সহযোগিতাৰ যি পাঠ এই পূজাৰ মাজেৰে লাভ কৰা যায়, সেয়া আধুনিক শিক্ষাৰ এক গুৰুত্বপূৰ্ণ সহায়ক।

আধুনিক সমাজত বিজ্ঞান আৰু ধৰ্মৰ মাজত এক কৃত্ৰিম বিভাজন সৃষ্টি কৰা দেখা যায়। কিন্তু সৰস্বতী পূজা এই বিভাজন দূৰ কৰি জ্ঞান আৰু বিশ্বাসৰ মাজত সেতু স্থাপন কৰে। এই পূজাই অন্ধবিশ্বাস প্ৰচাৰ নকৰি চিন্তা, যুক্তি আৰু আত্মবিশ্লেষণৰ প্ৰেৰণা দিয়ে। সৰস্বতী দেৱী বুদ্ধি আৰু বিবেচনাৰ প্ৰতীক হোৱা হেতুকে এই পূজা বিজ্ঞানমনস্ক দৃষ্টিভংগীৰ লগতো সঙ্গতিপূৰ্ণ।

বিশ্বায়নৰ যুগত নিজৰ সংস্কৃতি আৰু পৰিচয় ৰক্ষা কৰাটো এক ডাঙৰ প্ৰত্যাহ্বান। সৰস্বতী পূজাই ভাৰতীয় সংস্কৃতি, ভাষা আৰু ঐতিহ্যৰ সৈতে নতুন প্ৰজন্মক সংযোগ কৰাই দিয়ে। আধুনিক জীৱনৰ মাজতো নিজৰ শিকড় পাহৰি নযাবলৈ এই পূজাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

উপসংহাৰত ক'ব পাৰি যে আধুনিক যুগত সৰস্বতী পূজা কেৱল এক ধৰ্মীয় উৎসৱ নহয়, ই এক চিন্তাধাৰা। এই পূজাই মানুহক স্মৰণ কৰাই দিয়ে যে প্ৰযুক্তি আৰু জ্ঞানৰ দ্ৰুত অগ্ৰগতিৰ মাজতো নৈতিকতা, সংযম, সৃষ্টিশীলতা আৰু মানৱীয় মূল্যবোধ অতি প্ৰয়োজনীয়। এখন সুস্থ, সভ্য আৰু আলোকিত সমাজ গঢ়ি তুলিবলৈ সৰস্বতী পূজাৰ আদৰ্শ আজিও সমানেই প্ৰাসংগিক আৰু প্ৰয়োজনীয়। আধুনিক যুগত মানসিক স্বাস্থ্য এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে উদ্ভাসিত হৈছে। প্ৰতিযোগিতা, ব্যস্ততা, একাকিত্ব আৰু অনিশ্চয়তাৰ মাজত বহু লোক মানসিক অস্থিৰতা, হতাশা আৰু উদ্বেগত ভোগে। এই পৰিস্থিতিত সৰস্বতী পূজাই মানসিক স্থিৰতা আৰু আত্মবিশ্বাসৰ এক আশ্ৰয় প্ৰদান কৰে। প্ৰাৰ্থনা, সংগীত আৰু ধ্যানমূলক পৰিৱেশে মনক শান্ত কৰি তোলে আৰু চিন্তাক ইতিবাচক দিশে প্ৰৱাহিত কৰে। সৰস্বতী দেৱীৰ শুভ্ৰ আৰু শান্ত ৰূপে মানুহক অন্তৰ্মুখী হৈ নিজকে বুজিবলৈ সহায় কৰে।

ডিজিটেল যুগত তথ্যৰ অপব্যৱহাৰ আৰু ভ্ৰান্ত তথ্যৰ প্ৰচাৰ এক গুৰুত্বপূৰ্ণ সমস্যা হৈ উঠিছে। সামাজিক মাধ্যমত অসত্য সংবাদ, কটু ভাষা আৰু বিদ্বেষমূলক মন্তব্যে সমাজত বিভ্ৰান্তি সৃষ্টি কৰে। সৰস্বতী পূজাই এই ক্ষেত্ৰত সত্য, শুদ্ধ বাক্য আৰু বিবেচনাৰ শিক্ষা দিয়ে। বাক্‌শক্তিৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ উপাসনাই মানুহক কথা কোৱাৰ আগতে চিন্তা কৰিবলৈ আৰু লিখাৰ আগতে দায়িত্ববোধ অনুভৱ কৰিবলৈ প্ৰেৰণা যোগায়। এই শিক্ষা আধুনিক সমাজত বিশেষভাৱে প্ৰাসংগিক।

নাৰী শক্তি আৰু নাৰী সন্মানৰ ক্ষেত্ৰতো সৰস্বতী পূজাৰ গুৰুত্ব উল্লেখযোগ্য। সৰস্বতী দেৱী জ্ঞান, বুদ্ধি আৰু সৃষ্টিশীলতাৰ প্ৰতীক হিচাপে নাৰীক কেৱল কৰুণাৰ নহয়, শক্তি আৰু বৌদ্ধিক সামৰ্থ্যৰ আধাৰ হিচাপে প্ৰতিষ্ঠা কৰে। আধুনিক যুগত নাৰী শিক্ষাৰ প্ৰসাৰ আৰু নাৰী অধিকাৰৰ আন্দোলনৰ সৈতে এই ধাৰণা গভীৰভাৱে সংগতিপূৰ্ণ। সৰস্বতী পূজাই নাৰী আৰু পুৰুষ উভয়কে সমানভাৱে বিদ্যা আৰু নৈতিকতাৰ সাধনাত আগবঢ়াবলৈ অনুপ্ৰেৰণা দিয়ে।

আজিৰ যুগত পেচাগত দক্ষতাৰ লগতে জীৱন দক্ষতাৰ প্ৰয়োজনীয়তা বৃদ্ধি পাইছে। কেৱল কাৰিগৰী জ্ঞানেই নহয়, সিদ্ধান্ত লোৱাৰ ক্ষমতা, সংযম, সহানুভূতি আৰু নৈতিক বিচাৰো সমানেই গুৰুত্বপূৰ্ণ। সৰস্বতী পূজাই এই জীৱন দক্ষতাসমূহ বিকাশৰ এক নৈতিক আধাৰ প্ৰদান কৰে। বিদ্যা আৰু বিবেচনাৰ সমন্বয়ে মানুহক সঠিক পথ নিৰ্বাচনত সহায় কৰে- এই শিক্ষা আধুনিক কৰ্মজীৱনৰ বাবে অতি প্ৰয়োজনীয়।

আধুনিক যুগত পৰিৱেশ সংকট এক বিশ্বব্যাপী সমস্যা। প্ৰাকৃতিক সম্পদৰ অপব্যৱহাৰ আৰু অসন্তুলিত উন্নয়নে পৰিৱেশক সংকটাপন্ন কৰি তুলিছে। সৰস্বতী দেৱীৰ নদীৰূপী কল্পনা- যি পৱিত্ৰতা আৰু জীৱনৰ উৎসৰ প্ৰতীক- মানুহক প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধাশীল হ'বলৈ শিক্ষা দিয়ে। এই দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে সৰস্বতী পূজাই পৰিৱেশ সচেতনতাও বৃদ্ধি কৰিব পাৰে।

বিশ্বায়নৰ ফলত বিভিন্ন সংস্কৃতিৰ সংমিশ্ৰণ ঘটিছে। এই পৰিৱেশত নিজৰ পৰিচয় ৰক্ষা কৰাৰ লগতে আন সংস্কৃতিকো সন্মান জনোৱা এক প্ৰয়োজনীয় গুণ। সৰস্বতী পূজাই ভাষা, সাহিত্য আৰু সংস্কৃতিৰ প্ৰতি সচেতনতা বৃদ্ধি কৰি সাংস্কৃতিক সহিষ্ণুতাৰ শিক্ষা দিয়ে। ই মানুহক শিকায় যে নিজ সংস্কৃতিৰ মৰ্যাদা বজাই ৰাখি বিশ্বৰ সৈতে সংযোগ স্থাপন কৰাই আধুনিকতাৰ সঠিক অৰ্থ।

শিক্ষা আৰু প্ৰযুক্তিৰ দ্ৰুত অগ্ৰগতিৰ মাজত মূল্যবোধৰ ভাৰসাম্য ৰক্ষা কৰাটো এক ডাঙৰ প্ৰত্যাহ্বান। সৰস্বতী পূজাই এই ভাৰসাম্য বজাই ৰাখিবলৈ নৈতিক দিশনিৰ্দেশ প্ৰদান কৰে। জ্ঞানক মানৱকল্যাণত ব্যৱহাৰ কৰাটো এই পূজাৰ মূল বাণী, যি আধুনিক যুগত আগতকৈ অধিক গুৰুত্বপূৰ্ণ হৈ উঠিছে।

উপসংহাৰমূলক অংশ হিচাপে ক'ব পাৰি যে আধুনিক যুগত সৰস্বতী পূজাৰ প্ৰাসংগিকতা বহুমুখী। ই কেৱল ধৰ্মীয় আস্থা সীমিত নহয়, বৰঞ্চ মানসিক সুস্থতা, নৈতিকতা, ভাষা সংযম, নাৰী সন্মান, পৰিৱেশ সচেতনতা আৰু সাংস্কৃতিক পৰিচয়ৰ লগত গভীৰভাৱে জড়িত। এই পূজাই আধুনিক মানুহক দ্ৰুতগতিত আগবঢ়া জীৱনৰ মাজতো থমকি দাঁত দি চিন্তা কৰিবলৈ আৰু শুদ্ধ পথ নিৰ্বাচন কৰিবলৈ প্ৰেৰণা দিয়ে। সেয়ে ক'ব পাৰি যে সময় যিমানেই আধুনিক হওক, সৰস্বতী পূজাৰ আদৰ্শ চিৰকালেই প্ৰাসংগিক। আধুনিক যুগত কৰ্মসংস্কৃতি আৰু নৈতিক নেতৃত্ব এক গুৰুত্বপূৰ্ণ আলোচ্য বিষয়। আজিৰ সমাজত বহু ক্ষেত্ৰতে ক্ষমতা, পদ আৰু সফলতা থাকিলেও নৈতিক নেতৃত্বৰ অভাৱ দেখা যায়। সৰস্বতী পূজাই জ্ঞানৰ সৈতে দায়িত্ববোধৰ সংযোগ ঘটায়। এই পূজাৰ বাণী অনুসাৰে সত্য জ্ঞান সেইটোৱেই, যি সমাজক পথ প্ৰদৰ্শন কৰে আৰু নেতৃত্বক নৈতিকভাৱে দৃঢ় কৰে। সৰস্বতী দেৱীৰ আশীৰ্বাদ লাভ কৰা ব্যক্তি কেৱল বুদ্ধিমান নহয়, তেওঁ সংযমী, ন্যায়পৰায়ণ আৰু সমাজমুখী হ'ব লাগে- এই শিক্ষা আধুনিক নেতৃত্বৰ ক্ষেত্ৰত বিশেষভাৱে প্ৰাসংগিক।

আধুনিক শিক্ষাৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তা, যান্ত্ৰিক শিকন আৰু প্ৰযুক্তিনিৰ্ভৰ ব্যৱস্থাৰ প্ৰসাৰ ঘটিছে। এইবোৰে শিক্ষাক সহজ আৰু বিস্তৃত কৰি তুলিলেও মানৱীয় স্পৰ্শ কমাই দিছে। সৰস্বতী পূজাই এই মানৱীয় স্পৰ্শ পুনৰ জাগ্ৰত কৰে। শিক্ষক-শিক্ষাৰ্থীৰ সজীৱ সম্পৰ্ক, গুৰুৰ প্ৰতি শ্ৰদ্ধা আৰু শিকাৰ প্ৰতি একাগ্ৰতা- এই সকলোবোৰ দিশ সৰস্বতী পূজাই স্মৰণ কৰাই দিয়ে। আধুনিক শিক্ষাত মানৱীয়তা বজাই ৰাখিবলৈ এই পূজাৰ আদৰ্শ অতি প্ৰয়োজনীয়।

আজিৰ যুগত ব্যক্তিগত সফলতা প্ৰায়েই সামাজিক দায়িত্বৰ ওপৰত প্ৰাধান্য পাইছে। নিজৰ উন্নতিৰ দৌৰত বহু লোক সমাজ আৰু দুৰ্বল শ্ৰেণীৰ কথা পাহৰি যায়। সৰস্বতী পূজাই এই স্বাৰ্থপৰতাৰ বিপৰীতে সমবেদনা আৰু সমাজচেতনাৰ শিক্ষা দিয়ে। বিদ্যা লাভ কৰাৰ অৰ্থ হৈছে সমাজৰ কল্যাণত সেই বিদ্যাৰ ব্যৱহাৰ কৰা- এই বোধ সৰস্বতী পূজাৰ অন্যতম কেন্দ্ৰীয় দৰ্শন।

যুৱ প্ৰজন্ম আধুনিক সমাজৰ চালিকাশক্তি। তেওঁলোকৰ হাততেই ভৱিষ্যৎ সমাজৰ দিশ নিৰ্ণয়। কিন্তু দ্ৰুত পৰিৱৰ্তনশীল যুগত যুৱসমাজ প্ৰায়েই বিভ্ৰান্তিৰ সন্মুখীন হয়। সৰস্বতী পূজাই যুৱ প্ৰজন্মক দিশনিৰ্দেশ প্ৰদান কৰে। অধ্যৱসায়, ধৈৰ্য, আত্মবিশ্বাস আৰু শুদ্ধ লক্ষ্য নিৰ্বাচনৰ শিক্ষা এই পূজাৰ মাজেৰে লাভ কৰা যায়। এইবোৰ গুণেই যুৱসমাজক সৃষ্টিশীল আৰু দায়িত্বশীল কৰি তোলে।

আধুনিক যুগত ধৰ্মীয় উৎসৱসমূহ প্ৰায়েই বাহ্যিক আড়ম্বৰৰ মাজত সীমাবদ্ধ হৈ পৰাৰ আশংকা থাকে। কিন্তু সৰস্বতী পূজাৰ মূল সৌন্দৰ্য বাহ্যিক জাঁকজমকত নহয়, অন্তৰাত্মাৰ শুদ্ধতাত নিহিত। এই পূজাই মানুহক বাহ্যিক সফলতাৰ লগতে অন্তৰ্জগতৰ বিকাশৰ প্ৰতি মনোনিবেশ কৰিবলৈ আহ্বান জনায়। এই দৃষ্টিভংগী আধুনিক ভোগবাদী সমাজৰ বাবে এক গুৰুত্বপূৰ্ণ সংশোধনী।

ভাষা, সাহিত্য আৰু চিন্তাৰ স্বাধীনতা আধুনিক গণতান্ত্ৰিক সমাজৰ মূল স্তম্ভ। সৰস্বতী পূজাই এই ক্ষেত্ৰত জ্ঞানভিত্তিক আৰু দায়িত্বশীল স্বাধীনতাৰ শিক্ষা দিয়ে। মুক্ত চিন্তা মানে অবাধ অসংযম নহয়; ই হ'ল যুক্তি, সত্য আৰু মানৱিকতাৰ আধাৰত চিন্তা প্ৰকাশ কৰা। এই সূক্ষ্ম বোধ সৰস্বতী পূজাৰ দৰ্শনৰ সৈতে গভীৰভাৱে সম্পৰ্কিত।

সমাপ্তিমুখী অংশ হিচাপে ক'ব পাৰি যে আধুনিক যুগৰ বহুমুখী সমস্যাৰ মাজত সৰস্বতী পূজা এক নৈতিক দিশচিহ্নস্বৰূপ। ই মানুহক স্মৰণ কৰাই দিয়ে যে জ্ঞানৰ প্ৰগতিৰ সৈতে চৰিত্ৰৰ উন্নতি সমানেই প্ৰয়োজনীয়। যি সমাজে কেৱল বুদ্ধিবৃত্তিক উন্নতিত গুৰুত্ব দিয়ে কিন্তু নৈতিকতাক অৱহেলা কৰে, সেই সমাজ দীঘলীয়া সময় টিকি নাথাকে। সেয়ে আধুনিক যুগত সৰস্বতী পূজাৰ প্ৰাসংগিকতা কেৱল বজাই থকাই নহয়, বৰঞ্চ অধিক গভীৰ আৰু ব্যাপক ৰূপত উপলব্ধি কৰাটো অত্যাৱশ্যক।

*স্নাতকোত্তৰ ডিগ্ৰী অসমীয়া বিভাগ*
*বৰপেটা, হাউলী*

# নৈতিক শিক্ষা আৰু সৰস্বতী পূজা

এই সংস্কৃতিত বিদ্যা কেৱল বৌদ্ধিক জ্ঞানৰ সীমাত সীমাবদ্ধ নহয়; ই নৈতিকতা, সংযম, শুদ্ধ আচৰণ আৰু মানৱীয় মূল্যবোধৰ সমন্বয়। এই দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে সৰস্বতী পূজা কেৱল এক ধৰ্মীয় উৎসৱ নহয়, বৰঞ্চ নৈতিক শিক্ষাৰ এক জীৱন্ত মাধ্যম। বিদ্যা আৰু বুদ্ধিৰ অধিষ্ঠাত্ৰী দেৱী মা সৰস্বতীৰ আৰাধনাৰ মাজেৰে মানুহে জীৱনৰ সঠিক পথ, শুদ্ধ চিন্তা আৰু সৎ আচৰণৰ শিক্ষা লাভ কৰে।

সৰস্বতী দেৱী ভাৰতীয় ধৰ্মীয় বিশ্বাস অনুসাৰে বিদ্যা, বাক্‌শক্তি, সংগীত, কলা আৰু জ্ঞানৰ অধিষ্ঠাত্ৰী। শুভ্ৰ বস্ত্ৰ পৰিহিতা, বীণা ধাৰিণী আৰু পুথি-হস্তা এই দেৱীৰ মূৰ্তিৰ প্ৰতীকাত্মক অৰ্থ গভীৰ নৈতিক শিক্ষাৰে পৰিপূৰ্ণ। শুভ্ৰ বস্ত্ৰ পৱিত্ৰতা আৰু শুদ্ধতাৰ প্ৰতীক, বীণা সুষমা আৰু সংযমৰ সংকেত আৰু পুথি জ্ঞানৰ পৱিত্ৰতাৰ সূচক। এই প্ৰতীকসমূহৰ মাজেৰে মানুহে শিকি পায় যে জ্ঞানৰ সৈতে নৈতিকতা আৰু শুদ্ধ আচৰণ অটুটভাৱে জড়িত।

নৈতিক শিক্ষাৰ মূল লক্ষ্য হৈছে মানুহক সৎ, দায়িত্বশীল আৰু মানবীয় কৰি তোলা। সৰস্বতী পূজাই এই লক্ষ্য পূৰণত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। পূজাৰ সময়ত বিদ্যা আৰু শিক্ষাসামগ্ৰীসমূহক শ্ৰদ্ধাৰে পূজা কৰা হয়। এই আচাৰে ছাত্ৰ-ছাত্ৰীসকলক শিকায় যে কিতাপ, কলম বা বাদ্যযন্ত্ৰ কেৱল বস্তু নহয়, ই জ্ঞান আৰু সৃষ্টিশীলতাৰ পৱিত্ৰ মাধ্যম। এই উপলব্ধিয়ে তেওঁলোকৰ মনত কৃতজ্ঞতা, বিনয় আৰু সংযমৰ ভাৱ জাগ্ৰত কৰে। ছাত্ৰ জীৱনত নৈতিক শিক্ষাৰ প্ৰয়োজনীয়তা অতি গুৰুত্বপূৰ্ণ। এই সময়তেই মানুহৰ চৰিত্ৰ গঢ়ি উঠে। বিদ্যালয় আৰু শিক্ষানুষ্ঠানসমূহত পালন কৰা সৰস্বতী পূজাই ছাত্ৰ-ছাত্ৰীসকলক নৈতিক শিক্ষাৰ সৈতে পৰিচয় কৰায়। পূজাৰ দিনা শৃংখলা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, শান্ত আচৰণ আৰু পাৰস্পৰিক সহযোগিতাৰ যি শিক্ষা প্ৰদান কৰা হয়, সেয়া পাঠ্যপুথিৰ বাহিৰেও তেওঁলোকৰ জীৱনত গভীৰ প্ৰভাৱ পেলায়।

নৈতিক শিক্ষাৰ এক অন্যতম দিশ হৈছে বিনয়। সৰস্বতী পূজাই মানুহক অহংকাৰ ত্যাগ কৰি বিনয়ী হ'বলৈ শিক্ষা দিয়ে। বিদ্যা লাভ কৰাৰ পিছতো অহংকাৰী নহৈ সদায় শিকাৰ মনোভাৱ ৰক্ষা কৰাটো এই পূজাৰ অন্যতম বাণী। দেৱী সৰস্বতীক শুভ্ৰ আৰু শান্ত ৰূপত কল্পনা কৰা হয়, যিয়ে জ্ঞানৰ সৈতে অহংকাৰ নহয়, শান্তি আৰু সংযমৰ সম্পৰ্ক প্ৰতিফলিত কৰে।

আধুনিক সমাজত যান্ত্ৰিকতা, প্ৰতিযোগিতা আৰু আত্মকেন্দ্ৰিকতাই মানুহক বহু ক্ষেত্ৰত নৈতিক বিচ্যুতিৰ পথলৈ ঠেলি দিছে। এই পৰিস্থিতিত সৰস্বতী পূজাৰ প্ৰাসংগিকতা অধিক বৃদ্ধি পাইছে। এই পূজাই মানুহক স্মৰণ কৰাই দিয়ে যে জ্ঞানৰ সঠিক ব্যৱহাৰ নৈতিকতাৰ সৈতে সংযুক্ত নহ'লে সমাজৰ ক্ষতি হ'ব পাৰে। বিজ্ঞান, প্ৰযুক্তি বা বৌদ্ধিক উন্নতি নৈতিকতা অবিহনে বিপজ্জনক হৈ উঠিব পাৰে- এই সত্য উপলব্ধি কৰাত সৰস্বতী পূজাই সহায় কৰে। নৈতিক শিক্ষা কেৱল ব্যক্তিগত জীৱনতেই সীমাবদ্ধ নহয়; ইয়াৰ প্ৰভাৱ সামাজিক জীৱনতো পৰে। সৰস্বতী পূজাৰ সময়ত বিদ্যালয়, মহাবিদ্যালয় আৰু সমাজৰ লোকসকল একেলগে সমবেত হয়। এই সমবায়ে মানুহৰ মাজত একতা, সহিষ্ণুতা আৰু সৌহাৰ্দ্যৰ মনোভাৱ গঢ়ি তোলে। এইবোৰেই নৈতিক শিক্ষাৰ মূল স্তম্ভ।

সৰস্বতী পূজাৰ সৈতে সংগীত, নৃত্য, সাহিত্য আৰু শিল্পকলাৰ গভীৰ সম্পৰ্ক আছে। এই কলাসমূহে মানুহৰ মন সুকোমল কৰি তোলে আৰু হিংসা, ক্ৰোধ আৰু সংকীৰ্ণতাৰ পৰা দূৰত ৰাখে। নৈতিক শিক্ষাৰ এক গুৰুত্বপূৰ্ণ দিশ হৈছে সংবেদনশীলতা, যাক কলাৰ জৰিয়তে বিকশিত কৰিব পৰা যায়। সৰস্বতী পূজাই এই সংবেদনশীলতা গঢ়ি তোলাত সহায় কৰে।

নৈতিক শিক্ষাৰ ক্ষেত্ৰত শিক্ষকসকলৰ ভূমিকা অনস্বীকাৰ্য। সৰস্বতী পূজাৰ দিনা শিক্ষক-শিক্ষয়িত্ৰীসকল গুৰুৰূপে বিশেষ সন্মান লাভ কৰে। ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকসকলৰ পৰা কেৱল বিদ্যা নহয়, আচৰণ, শিষ্টাচাৰ আৰু জীৱনদৰ্শনৰ শিক্ষাও গ্ৰহণ কৰে। এই গুৰু-শিষ্য পৰম্পৰাই নৈতিক শিক্ষাৰ মজবুত ভেটি গঢ়ি তোলে।

বৰ্তমান সময়ত কিছুমান ঠাইত সৰস্বতী পূজাৰ লগত সমাজসেৱামূলক কাৰ্যসূচী সংযোজন কৰা দেখা যায়। কিতাপ দান, শিক্ষাসামগ্ৰী বিতৰণ, দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীক সহায় আদিৰ জৰিয়তে নৈতিক শিক্ষাক ব্যৱহাৰিক ৰূপ দিয়া হয়। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে কেৱল উপদেশ শুনাই নহয়, বাস্তৱ জীৱনত সৎ কৰ্মৰ প্ৰয়োগ কৰিবলৈ শিকে।

সৰস্বতী পূজাই মানুহক বাক্‌সংযমৰ শিক্ষাও দিয়ে। দেৱী সৰস্বতী বাক্‌শক্তিৰ অধিষ্ঠাত্ৰী হোৱা হেতুকে শুদ্ধ ভাষা, সত্য কথা আৰু মধুৰ বাক্য ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিয়া হয়। নৈতিক শিক্ষাৰ এক গুৰুত্বপূৰ্ণ দিশ হৈছে কথা আৰু কৰ্মৰ সামঞ্জস্য, যাৰ শিক্ষা এই পূজাৰ মাজেৰে লাভ কৰা যায়। নৈতিক শিক্ষা আৰু সৰস্বতী পূজা একে মুদ্ৰাৰ দুটা পিঠি। সৰস্বতী পূজাই মানুহক কেৱল বিদ্যা লাভৰ কামনা কৰিবলৈ নহয়, সেই বিদ্যাৰ সৎ আৰু কল্যাণকৰ ব্যৱহাৰৰ প্ৰতিও সচেতন কৰে। এই পূজাই ছাত্ৰ-ছাত্ৰীসকলৰ চৰিত্ৰ গঢ়ি তোলাত, সমাজত নৈতিকতা প্ৰতিষ্ঠা কৰাত আৰু এখন সুস্থ, সভ্য সমাজ নিৰ্মাণত অমূল্য ভূমিকা পালন কৰে। সেয়ে আধুনিক যুগতো সৰস্বতী পূজাৰ নৈতিক মূল্য আৰু প্ৰাসংগিকতা চিৰন্তন। নৈতিক শিক্ষাৰ আন এক গুৰুত্বপূৰ্ণ দিশ হৈছে আত্মসংযম আৰু আত্মনিয়ন্ত্ৰণ। সৰস্বতী পূজাৰ আচাৰ-অনুষ্ঠানসমূহ সাধাৰণতে শান্ত, সংযত আৰু শৃংখলাবদ্ধ। উচ্চস্বৰে উল্লাস বা বিশৃঙ্খল আচৰণৰ পৰিৱৰ্তে মনোযোগ, ধ্যান আৰু প্ৰাৰ্থনাৰ ওপৰত গুৰুত্ব দিয়া হয়। এই পৰিৱেশে ছাত্ৰ-ছাত্ৰীসকলক শিকায় যে জ্ঞান লাভৰ পথ কোলাহলৰ নহয়, বৰঞ্চ স্থিৰতা আৰু একাগ্ৰতাৰ। এই আত্মসংযমৰ শিক্ষাই জীৱনৰ সকলো ক্ষেত্ৰতে মানুহক সঠিক সিদ্ধান্ত ল'বলৈ সহায় কৰে।

নৈতিক শিক্ষাৰ লগত সময়নিষ্ঠাৰো গভীৰ সম্পৰ্ক আছে। বিদ্যালয়সমূহত সৰস্বতী পূজাৰ সময়ত নিৰ্দিষ্ট সময়ত কাৰ্যসূচী সম্পন্ন কৰা, দায়িত্ব ভাগ-বতৰা কৰি কাম কৰা আদি অভ্যাস গঢ়ি তোলা হয়। এই অভ্যাসবোৰ ছাত্ৰ জীৱনৰ পৰিসীমা অতিক্ৰম কৰি পৰৱৰ্তী জীৱনত কৰ্মক্ষেত্ৰতো উপকাৰী হয়। সৰস্বতী পূজাৰ মাজেৰে গঢ়ি উঠা এই শৃংখলাবদ্ধতা নৈতিক শিক্ষাৰ এক ব্যৱহাৰিক দিশ।

সৰস্বতী পূজাই সমতা আৰু সহিষ্ণুতাৰ পাঠো দিয়ে। বিদ্যালয় বা সমাজত এই পূজাত সকলো শ্ৰেণী, বৰ্ণ আৰু অৱস্থাৰ মানুহ একেলগে অংশগ্ৰহণ কৰে। ইয়াত কোনো উচ্চ-নিম্ন ভেদাভেদ নাথাকে। সকলোৱে একে দেৱীৰ আৰাধনা কৰে, একে প্ৰসাদ গ্ৰহণ কৰে। এই সাম্যবোধে ছাত্ৰ-ছাত্ৰীসকলৰ মনত সামাজিক ন্যায় আৰু সমতাৰ নৈতিক শিক্ষা গঢ়ি তোলে।

নৈতিক শিক্ষাৰ ক্ষেত্ৰত পৰম্পৰা আৰু আধুনিকতাৰ সমন্বয়ো অতি প্ৰয়োজনীয়। সৰস্বতী পূজা এই ক্ষেত্ৰত এক উৎকৃষ্ট উদাহৰণ। প্ৰাচীন ধৰ্মীয় বিশ্বাসৰ সৈতে আধুনিক শিক্ষাৰ সমন্বয়ে এই পূজাই ছাত্ৰ-ছাত্ৰীসকলক শিকায় যে পৰম্পৰা মানে পশ্চাদপদতা নহয়, বৰঞ্চ মূল্যবোধ সংৰক্ষণ। একে সময়তে আধুনিক জ্ঞান আৰু বিজ্ঞানৰ সৈতে নৈতিকতাৰ সংযোগ স্থাপন কৰাটো যে অত্যাৱশ্যক, সেয়াও এই পূজাই বুজাই দিয়ে।

বৰ্তমান সমাজত নৈতিক অৱক্ষয়, অসৎ প্ৰতিযোগিতা, হিংসা আৰু স্বাৰ্থপৰতাৰ ঘটনা বৃদ্ধি পাইছে। এইবোৰ সমস্যাৰ মাজতে সৰস্বতী পূজাই নৈতিক পুনৰুত্থানৰ বাৰ্তা কঢ়িয়াই আনে। ই মানুহক স্মৰণ কৰাই দিয়ে যে সত্য, অহিংসা, সহানুভূতি আৰু দায়িত্ববোধেই মানৱ সভ্যতাৰ মূল আধাৰ। বিদ্যা যদি এই মূল্যবোধৰ সৈতে সংযুক্ত নহয়, তেন্তে সেই বিদ্যা অসম্পূৰ্ণ।

নৈতিক শিক্ষাৰ আন এক গুৰুত্বপূৰ্ণ দিশ হৈছে কৰ্তব্যবোধ। সৰস্বতী পূজাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ দায়িত্ব পালন কৰে— কোনোৱে সজোৱা-পজোৱা, কোনোৱে প্ৰাৰ্থনা, কোনোৱে শৃংখলা ৰক্ষা কৰে। এই দায়িত্ববোধে তেওঁলোকক জীৱনত কৰ্তব্য পালনত আগবঢ়াই নিয়ে। কৰ্তব্যবোধেই নৈতিক শিক্ষাৰ এক শক্তিশালী স্তম্ভ।

সৰস্বতী পূজাই ভাষা আৰু সংস্কৃতিৰ প্ৰতি সচেতনতা বৃদ্ধি কৰে। মাতৃভাষাৰ শুদ্ধ ব্যৱহাৰ, সাহিত্য-পাঠ, আবৃত্তি আদিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে ভাষাৰ সৌন্দৰ্য আৰু মৰ্যাদা বুজে। ভাষা শুদ্ধ হ'লে চিন্তাও শুদ্ধ হয়- এই সত্য উপলব্ধি কৰোৱাত সৰস্বতী পূজাৰ গুৰুত্ব অপৰিসীম।

নৈতিক শিক্ষা মানে কেৱল কিছুমান উপদেশ বা নীতি বাক্য নহয়। ই এক জীৱনচৰ্যা। সৰস্বতী পূজাই এই জীৱনচৰ্যাৰ অনুশীলনৰ সুযোগ প্ৰদান কৰে। এই পূজাৰ মাজেৰে মানুহে শিকি পায় কিদৰে বিদ্যা লাভ কৰি সৎ, বিনয়ী আৰু দায়িত্বশীল নাগৰিক হ'ব পাৰি।

সমাপ্তি অংশ হিচাপে ক'ব পাৰি- নৈতিক শিক্ষা আৰু সৰস্বতী পূজা একে উদ্দেশ্যৰ দিশে আগবঢ়া দুটা পথ। এই পূজাই মানুহক কেৱল বিদ্বান নহয়, মানৱিক আৰু নৈতিকভাৱে মহৎ হ'বলৈ প্ৰেৰণা দিয়ে। এখন উন্নত সমাজ গঢ়ি তুলিবলৈ যি নৈতিক ভেটি প্ৰয়োজন, সৰস্বতী পূজাই সেই ভেটি সুদৃঢ় কৰাত যুগ যুগ ধৰি অমূল্য ভূমিকা পালন কৰি আহিছে। নৈতিক শিক্ষাৰ আন এক গুৰুত্বপূৰ্ণ দিশ হৈছে আত্মসংযম আৰু আত্মনিয়ন্ত্ৰণ। সৰস্বতী পূজাৰ আচাৰ-অনুষ্ঠানসমূহ সাধাৰণতে শান্ত, সংযত আৰু শৃংখলাবদ্ধ। উচ্চস্বৰে উল্লাস বা বিশৃঙ্খল আচৰণৰ পৰিৱৰ্তে মনোযোগ, ধ্যান আৰু প্ৰাৰ্থনাৰ ওপৰত গুৰুত্ব দিয়া হয়। এই পৰিৱেশে ছাত্ৰ-ছাত্ৰীসকলক শিকায় যে জ্ঞান লাভৰ পথ কোলাহলৰ নহয়, বৰঞ্চ স্থিৰতা আৰু একাগ্ৰতাৰ। এই আত্মসংযমৰ শিক্ষাই জীৱনৰ সকলো ক্ষেত্ৰতে মানুহক সঠিক সিদ্ধান্ত ল'বলৈ সহায় কৰে।

নৈতিক শিক্ষাৰ লগত সময়নিষ্ঠাৰো গভীৰ সম্পৰ্ক আছে। বিদ্যালয়সমূহত সৰস্বতী পূজাৰ সময়ত নিৰ্দিষ্ট সময়ত কাৰ্যসূচী সম্পন্ন কৰা, দায়িত্ব ভাগ-বতৰা কৰি কাম কৰা আদি অভ্যাস গঢ়ি তোলা হয়। এই অভ্যাসবোৰ ছাত্ৰ জীৱনৰ পৰিসীমা অতিক্ৰম কৰি পৰৱৰ্তী জীৱনত কৰ্মক্ষেত্ৰতো উপকাৰী হয়। সৰস্বতী পূজাৰ মাজেৰে গঢ়ি উঠা এই শৃংখলাবদ্ধতা নৈতিক শিক্ষাৰ এক ব্যৱহাৰিক দিশ।

সৰস্বতী পূজাই সমতা আৰু সহিষ্ণুতাৰ পাঠো দিয়ে। বিদ্যালয় বা সমাজত এই পূজাত সকলো শ্ৰেণী, বৰ্ণ আৰু অৱস্থাৰ মানুহ একেলগে অংশগ্ৰহণ কৰে। ইয়াত কোনো উচ্চ-নিম্ন ভেদাভেদ নাথাকে। সকলোৱে একে দেৱীৰ আৰাধনা কৰে, একে প্ৰসাদ গ্ৰহণ কৰে। এই সাম্যবোধে ছাত্ৰ-ছাত্ৰীসকলৰ মনত সামাজিক ন্যায় আৰু সমতাৰ নৈতিক শিক্ষা গঢ়ি তোলে।

নৈতিক শিক্ষাৰ ক্ষেত্ৰত পৰম্পৰা আৰু আধুনিকতাৰ সমন্বয়ো অতি প্ৰয়োজনীয়। সৰস্বতী পূজা এই ক্ষেত্ৰত এক উৎকৃষ্ট উদাহৰণ। প্ৰাচীন ধৰ্মীয় বিশ্বাসৰ সৈতে আধুনিক শিক্ষাৰ সমন্বয়ে এই পূজাই ছাত্ৰ-ছাত্ৰীসকলক শিকায় যে পৰম্পৰা মানে পশ্চাদপদতা নহয়, বৰঞ্চ মূল্যবোধ সংৰক্ষণ। একে সময়তে আধুনিক জ্ঞান আৰু বিজ্ঞানৰ সৈতে নৈতিকতাৰ সংযোগ স্থাপন কৰাটো যে অত্যাৱশ্যক, সেয়াও এই পূজাই বুজাই দিয়ে।

বৰ্তমান সমাজত নৈতিক অৱক্ষয়, অসৎ প্ৰতিযোগিতা, হিংসা আৰু স্বাৰ্থপৰতাৰ ঘটনা বৃদ্ধি পাইছে। এইবোৰ সমস্যাৰ মাজতে সৰস্বতী পূজাই নৈতিক পুনৰুত্থানৰ বাৰ্তা কঢ়িয়াই আনে। ই মানুহক স্মৰণ কৰাই দিয়ে যে সত্য, অহিংসা, সহানুভূতি আৰু দায়িত্ববোধেই মানৱ সভ্যতাৰ মূল আধাৰ। বিদ্যা যদি এই মূল্যবোধৰ সৈতে সংযুক্ত নহয়, তেন্তে সেই বিদ্যা অসম্পূৰ্ণ।

নৈতিক শিক্ষাৰ আন এক গুৰুত্বপূৰ্ণ দিশ হৈছে কৰ্তব্যবোধ। সৰস্বতী পূজাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ দায়িত্ব পালন কৰে— কোনোৱে সজোৱা-পজোৱা, কোনোৱে প্ৰাৰ্থনা, কোনোৱে শৃংখলা ৰক্ষা কৰে। এই দায়িত্ববোধে তেওঁলোকক জীৱনত কৰ্তব্য পালনত আগবঢ়াই নিয়ে। কৰ্তব্যবোধেই নৈতিক শিক্ষাৰ এক শক্তিশালী স্তম্ভ।

সৰস্বতী পূজাই ভাষা আৰু সংস্কৃতিৰ প্ৰতি সচেতনতা বৃদ্ধি কৰে। মাতৃভাষাৰ শুদ্ধ ব্যৱহাৰ, সাহিত্য-পাঠ, আবৃত্তি আদিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে ভাষাৰ সৌন্দৰ্য আৰু মৰ্যাদা বুজে। ভাষা শুদ্ধ হ'লে চিন্তাও শুদ্ধ হয়- এই সত্য উপলব্ধি কৰোৱাত সৰস্বতী পূজাৰ গুৰুত্ব অপৰিসীম।

সাৰ্বিকভাৱে ক'ব পাৰি যে নৈতিক শিক্ষা মানে কেৱল কিছুমান উপদেশ বা নীতি বাক্য নহয়। ই এক জীৱনচৰ্যা। সৰস্বতী পূজাই এই জীৱনচৰ্যাৰ অনুশীলনৰ সুযোগ প্ৰদান কৰে। এই পূজাৰ মাজেৰে মানুহে শিকি পায় কিদৰে বিদ্যা লাভ কৰি সৎ, বিনয়ী আৰু দায়িত্বশীল নাগৰিক হ'ব পাৰি।

সমাপ্তি অংশ হিচাপে ক'ব পাৰি- নৈতিক শিক্ষা আৰু সৰস্বতী পূজা একে উদ্দেশ্যৰ দিশে আগবঢ়া দুটা পথ। এই পূজাই মানুহক কেৱল বিদ্বান নহয়, মানৱিক আৰু নৈতিকভাৱে মহৎ হ'বলৈ প্ৰেৰণা দিয়ে। এখন উন্নত সমাজ গঢ়ি তুলিবলৈ যি নৈতিক ভেটি প্ৰয়োজন, সৰস্বতী পূজাই সেই ভেটি সুদৃঢ় কৰাত যুগ যুগ ধৰি অমূল্য ভূমিকা পালন কৰি আহিছে।

নৈতিক শিক্ষাৰ আন এক গুৰুত্বপূৰ্ণ দিশ হৈছে আত্মসংযম আৰু আত্মনিয়ন্ত্ৰণ। সৰস্বতী পূজাৰ আচাৰ-অনুষ্ঠানসমূহ সাধাৰণতে শান্ত, সংযত আৰু শৃংখলাবদ্ধ। উচ্চস্বৰে উল্লাস বা বিশৃঙ্খল আচৰণৰ পৰিৱৰ্তে মনোযোগ, ধ্যান আৰু প্ৰাৰ্থনাৰ ওপৰত গুৰুত্ব দিয়া হয়। এই পৰিৱেশে ছাত্ৰ-ছাত্ৰীসকলক শিকায় যে জ্ঞান লাভৰ পথ কোলাহলৰ নহয়, বৰঞ্চ স্থিৰতা আৰু একাগ্ৰতাৰ। এই আত্মসংযমৰ শিক্ষাই জীৱনৰ সকলো ক্ষেত্ৰতে মানুহক সঠিক সিদ্ধান্ত ল'বলৈ সহায় কৰে।

নৈতিক শিক্ষাৰ লগত সময়নিষ্ঠাৰো গভীৰ সম্পৰ্ক আছে। বিদ্যালয়সমূহত সৰস্বতী পূজাৰ সময়ত নিৰ্দিষ্ট সময়ত কাৰ্যসূচী সম্পন্ন কৰা, দায়িত্ব ভাগ-বতৰা কৰি কাম কৰা আদি অভ্যাস গঢ়ি তোলা হয়। এই অভ্যাসবোৰ ছাত্ৰ জীৱনৰ পৰিসীমা অতিক্ৰম কৰি পৰৱৰ্তী জীৱনত কৰ্মক্ষেত্ৰতো উপকাৰী হয়। সৰস্বতী পূজাৰ মাজেৰে গঢ়ি উঠা এই শৃংখলাবদ্ধতা নৈতিক শিক্ষাৰ এক ব্যৱহাৰিক দিশ।

সৰস্বতী পূজাই সমতা আৰু সহিষ্ণুতাৰ পাঠো দিয়ে। বিদ্যালয় বা সমাজত এই পূজাত সকলো শ্ৰেণী, বৰ্ণ আৰু অৱস্থাৰ মানুহ একেলগে অংশগ্ৰহণ কৰে। ইয়াত কোনো উচ্চ-নিম্ন ভেদাভেদ নাথাকে। সকলোৱে একে দেৱীৰ আৰাধনা কৰে, একে প্ৰসাদ গ্ৰহণ কৰে। এই সাম্যবোধে ছাত্ৰ-ছাত্ৰীসকলৰ মনত সামাজিক ন্যায় আৰু সমতাৰ নৈতিক শিক্ষা গঢ়ি তোলে।

নৈতিক শিক্ষাৰ ক্ষেত্ৰত পৰম্পৰা আৰু আধুনিকতাৰ সমন্বয়ো অতি প্ৰয়োজনীয়। সৰস্বতী পূজা এই ক্ষেত্ৰত এক উৎকৃষ্ট উদাহৰণ। প্ৰাচীন ধৰ্মীয় বিশ্বাসৰ সৈতে আধুনিক শিক্ষাৰ সমন্বয়ে এই পূজাই ছাত্ৰ-ছাত্ৰীসকলক শিকায় যে পৰম্পৰা মানে পশ্চাদপদতা নহয়, বৰঞ্চ মূল্যবোধ সংৰক্ষণ। একে সময়তে আধুনিক জ্ঞান আৰু বিজ্ঞানৰ সৈতে নৈতিকতাৰ সংযোগ স্থাপন কৰাটো যে অত্যাৱশ্যক, সেয়াও এই পূজাই বুজাই দিয়ে।

বৰ্তমান সমাজত নৈতিক অৱক্ষয়, অসৎ প্ৰতিযোগিতা, হিংসা আৰু স্বাৰ্থপৰতাৰ ঘটনা বৃদ্ধি পাইছে। এইবোৰ সমস্যাৰ মাজতে সৰস্বতী পূজাই নৈতিক পুনৰুত্থানৰ বাৰ্তা কঢ়িয়াই আনে। ই মানুহক স্মৰণ কৰাই দিয়ে যে সত্য, অহিংসা, সহানুভূতি আৰু দায়িত্ববোধেই মানৱ সভ্যতাৰ মূল আধাৰ। বিদ্যা যদি এই মূল্যবোধৰ সৈতে সংযুক্ত নহয়, তেন্তে সেই বিদ্যা অসম্পূৰ্ণ।

নৈতিক শিক্ষাৰ আন এক গুৰুত্বপূৰ্ণ দিশ হৈছে কৰ্তব্যবোধ। সৰস্বতী পূজাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ দায়িত্ব পালন কৰে— কোনোৱে সজোৱা-পজোৱা, কোনোৱে প্ৰাৰ্থনা, কোনোৱে শৃংখলা ৰক্ষা কৰে। এই দায়িত্ববোধে তেওঁলোকক জীৱনত কৰ্তব্য পালনত আগবঢ়াই নিয়ে। কৰ্তব্যবোধেই নৈতিক শিক্ষাৰ এক শক্তিশালী স্তম্ভ।

সৰস্বতী পূজাই ভাষা আৰু সংস্কৃতিৰ প্ৰতি সচেতনতা বৃদ্ধি কৰে। মাতৃভাষাৰ শুদ্ধ ব্যৱহাৰ, সাহিত্য-পাঠ, আবৃত্তি আদিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে ভাষাৰ সৌন্দৰ্য আৰু মৰ্যাদা বুজে। ভাষা শুদ্ধ হ'লে চিন্তাও শুদ্ধ হয়- এই সত্য উপলব্ধি কৰোৱাত সৰস্বতী পূজাৰ গুৰুত্ব অপৰিসীম।

সাৰ্বিকভাৱে ক'ব পাৰি যে নৈতিক শিক্ষা মানে কেৱল কিছুমান উপদেশ বা নীতি বাক্য নহয়। ই এক জীৱনচৰ্যা। সৰস্বতী পূজাই এই জীৱনচৰ্যাৰ অনুশীলনৰ সুযোগ প্ৰদান কৰে। এই পূজাৰ মাজেৰে মানুহে শিকি পায় কিদৰে বিদ্যা লাভ কৰি সৎ, বিনয়ী আৰু দায়িত্বশীল নাগৰিক হ'ব পাৰি।

সমাপ্তি অংশ হিচাপে ক'ব পাৰি- নৈতিক শিক্ষা আৰু সৰস্বতী পূজা একে উদ্দেশ্যৰ দিশে আগবঢ়া দুটা পথ। এই পূজাই মানুহক কেৱল বিদ্বান নহয়, মানৱিক আৰু নৈতিকভাৱে মহৎ হ'বলৈ প্ৰেৰণা দিয়ে। এখন উন্নত সমাজ গঢ়ি তুলিবলৈ যি নৈতিক ভেটি প্ৰয়োজন, সৰস্বতী পূজাই সেই ভেটি সুদৃঢ় কৰাত যুগ যুগ ধৰি অমূল্য ভূমিকা পালন কৰি আহিছে।

*স্নাতক চতুৰ্থ ষাণ্মাসিক*
*গোলাঘাট*

# ভোটাৰ তালিকাৰ বিশেষ সংশোধনীত খিলঞ্জীয়াৰ অস্তিত্ব বিপন্ন কৰাৰ

শইকীয়াই অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ পূৰ্বে চলি থকা ভোটাৰ তালিকাৰ বিশেষ সংশোধনী (Special Revision - SR) প্ৰক্ৰিয়াক লৈ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। তেওঁ দাবী কৰিছে যে বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰে ভোটাৰ তালিকাৰ নামত খিলঞ্জীয়া অসমীয়াৰ অস্তিত্ব নোহোৱা কৰাৰ এক ভয়ংকৰ ষড়যন্ত্ৰ চলাইছে। এই সন্দৰ্ভত তেওঁ বৃহস্পতিবাৰে ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্ত গণেশ কুমাৰলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। বিৰোধী দলপতি শইকীয়াই নিজৰ পত্ৰ আৰু প্ৰতিক্ৰিয়াত কয় যে, বিজেপি চৰকাৰে নিৰ্বাচন আয়োগৰ প্ৰতি বছৰে চলা ভোটাৰ তালিকা সংশোধনী প্ৰক্ৰিয়াক নিজৰ ক্ষমতা অক্ষুণ্ণ ৰখাৰ এক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি আহিছে। তেওঁ অভিযোগ কৰে যে, বিজেপিয়ে নিজৰ নিৰ্বাচনী প্ৰতিশ্ৰুতিবোৰ পূৰণ কৰিব নোৱাৰাৰ পিছত এতিয়া ভোট চুৰিৰ বাহিৰে আন কোনো বিকল্প নাই। সেয়ে ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ (SR) জৰিয়তে অসমত ভোট চুৰিৰ ব্যৱস্থা কৰা হৈছে বুলি তেওঁ দাবী কৰে। শইকীয়াই লগতে কয়, "বাহিৰৰ অনাঅসমীয়া লোকে যদি ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হয়, তেন্তে অসমীয়া জাতিৰ অস্তিত্ব বিপন্ন নহয়নে? ৰাজ্যখন ভাষাৰ ভিত্তিত গঠিত হৈছে। বিজেপিয়ে ভাৰতীয় জাতি নিৰ্মাণৰ নামত অসমীয়া জাতিৰ অস্তিত্ব বিপন্ন কৰিবলৈ কোনো কুণ্ঠাবোধ নকৰে।" তেওঁ এই ষড়যন্ত্ৰক অসমৰ খিলঞ্জীয়া লোকৰ অধিকাৰ আৰু অস্তিত্বৰ বিৰুদ্ধে এক গভীৰ ষড়যন্ত্ৰ বুলি অভিহিত কৰিছে। বিশেষকৈ নাজিৰা বিধানসভা সমষ্টিৰ উদাহৰণ দি শইকীয়াই কয় যে, আহোম ৰাজত্বৰ স্মৃতি বিজড়িত, মৈদাম ক্ষেত্ৰ আৰু ৬০০ বছৰীয়া ইতিহাস থকা এই সমষ্টিত আজি খিলঞ্জীয়া আৰু সংখ্যালঘু সম্প্ৰদায়ৰ ভোটাধিকাৰ কাঢ়ি লোৱাৰ চেষ্টা চলি আছে। জীৱিত মানুহক 'মৃত' সজাই আৰু জন্মগাঁৱত বাস কৰা লোকক 'স্থানান্তৰিত' বুলি ভুৱা তথ্য দি হাজাৰ হাজাৰ লোকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰা হৈছে। সংখ্যালঘু আৰু খিলঞ্জীয়া অসমীয়াসহ আন সম্প্ৰদায়ৰ লোকে শাসক দলৰ বিৰুদ্ধে ভোট দিব বুলি চিন্তা কৰি তেওঁলোকৰ নাম কৰ্তন কৰাৰ ব্যৱস্থা চলোৱা হৈছে বুলি তেওঁ অভিযোগ কৰে। তেওঁ আৰু কয় যে, বুথ লেভেল অফিচাৰ (BLO)ক অৱগত নকৰাকৈয়ে বিজেপি দলৰ কৰ্মীসকলে বিভিন্ন ব্যক্তিৰ নাম মৃত বা স্থানান্তৰিত বুলি ভুৱা তথ্য দি কৰ্তনৰ ব্যৱস্থা কৰিছে। ইয়াৰ ফলত ৰাজ্যত এক অৰাজক পৰিস্থিতিৰ সৃষ্টি হৈছে। ক্ষমতাত থিয় হৈ থাকিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ ৰাজ্যিক সভাপতিয়ে কি ধৰণৰ শাসন ব্যৱস্থা দাঙি ধৰিছে সেয়া স্পষ্ট হৈ পৰিছে বুলি তেওঁ মন্তব্য কৰে। শইকীয়াই কয়, "বিজেপিয়ে দুৰ্নীতি কৰিবলৈ, ছিণ্ডিকেট চলাবলৈ আৰু অসমৰ বিবেকবান মানুহৰ ভোটাধিকাৰ কৰ্তন কৰিবলৈ যি দুঃসাহস কৰিছে, তাৰ বিচাৰ অসমৰ জনসাধাৰণে নিশ্চয় ল'ব লাগিব।" তেওঁ নিজৰ সমষ্টিৰ কিছুমান উদাহৰণ দি নিৰ্বাচন আয়োগৰ উপৰিও ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া আৰু জিলা নিৰ্বাচনী বিষয়ালৈও পত্ৰ প্ৰেৰণ কৰিছে। এই অভিযোগৰ প্ৰেক্ষাপটত অসমত ভোটাৰ তালিকাৰ বিশেষ সংশোধনী প্ৰক্ৰিয়াৰ মাজতে ৰাজনৈতিক উত্তাপ বাঢ়ি আহিছে। বিৰোধী দলসমূহে 'ভোট চুৰি'ৰ অভিযোগ তুলি বিজেপি চৰকাৰক আক্ৰমণ কৰি আহিছে, আনহাতে চৰকাৰী পক্ষই এই অভিযোগসমূহক ভিত্তিহীন বুলি খণ্ডন কৰিছে। নিৰ্বাচন আয়োগে এই সকলো অভিযোগৰ সঠিক তদন্ত কৰি নিৰপেক্ষ ভোটাৰ তালিকা নিশ্চিত কৰিব লাগিব বুলি ৰাজনৈতিক মহলত দাবী উঠিছে।

প্ৰভাত বুঢ়া ভকতৰ আলমাৰিৰ পৰা লৈ গ'ল ২১ পুৰুষীয়া সম্পদ; আৰক্ষীৰ অনুসন্ধান আৰম্ভ

# মাজুলীৰ নতুন কমলাবাৰী সত্ৰত চোৰৰ সন্ত্ৰাস; সঘনাই হৈছে চুৰিকাণ্ড

**অসম বাৰ্তা, মাজুলী, ২২ জানুৱাৰী ঃ** মাধৱদেৱৰ গা বদলি পদ্মপানি আতাৰ প্ৰতিষ্ঠিত কমলাবাৰী থুলৰ অন্যতম নতুন কমলাবাৰী সত্ৰৰ প্ৰতিখন বহাত পুৰুষানুক্ৰমে সংৰক্ষিত হৈ আহিছে আপুৰুগীয়া সম্পদ। এই সত্ৰৰে মুখ্য ভাগৱতী বহাৰ ২১পুৰুষ অতিক্ৰমী বুঢ়া ভকতৰ দায়িত্ব বহন কৰা মাজুলীৰ এগৰাকী বিশিষ্ট শিল্পী, মাজুলী জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰভাত বুঢ়া ভকতৰ আলমাৰিৰ পৰা চুৰি কৰি নিয়ে পুৰুষানুক্ৰমে সংৰক্ষিত আ অলংকাৰ, সোণৰ মনিকে ধৰি প্ৰায় ছয় লক্ষাধিক মূল্যৰ ঐতিহাসিক সম্পদ। এই খবৰটোৱে হতভম্ব কৰিছে মাজুলীৰ বিদ্বৎ মহলক। বৰ্তমান সময়ত সকলো দিশতে অসমীয়া জাতিৰ স্বাভিমানৰ প্ৰতীক সমূহৰ অবক্ষয় ঘটিছে যদিও অসমৰ বিভিন্ন প্ৰান্তৰত অৱস্থিত সত্ৰ সমূহৰ নিজা প্ৰচেষ্টাৰে সংৰক্ষণ কৰি ৰখা সম্পদ সমূহ বিশ্বব্যাপী আকৰ্ষণ এতিয়াও ম্লান হোৱা নাই। এতিয়া চোৰৰ চকু এই সম্পদত পৰাৰ লগে লগে ভীতি গ্ৰস্থ হৈছে সত্ৰৰ ভকত সকল। বহু কেইখন সত্ৰত এনে ঘটনা সংঘটিত হৈছিল যদিও প্ৰশাসন আৰু আৰক্ষী বিভাগে নিৰাপত্তা দিবলৈ সক্ষম নোহোৱাত বিবুধিত পৰিছে ভকত বৈষ্ণৱ সকল। জানিব পৰা মতে কমলাবাৰী সত্ৰত এনে ধৰণৰ সৰু বৰ ঘটনা সংঘটিত হৈছিল যদিও সত্ৰৰ মৰ্যাদা বিনষ্ট হোৱাৰ আশংকাত আৰক্ষীক অৱগত কৰা নহৈছিল। বুঢ়াভকতে জানিবলৈ দিয়া মতে তেওঁৰ বহাত কেইবাটা টকা চুৰিৰ ঘটনা ঘটে। কিন্তু এই বাৰ আপুৰুগীয়া সম্পদত হাত দিয়াত আৰক্ষীৰ ওচৰ চাপিবলৈ বাধ্য হ'ল। যিখিনি সম্পদ চোৰৰ হাত লাগিল সেইখিনি বহাৰ প্ৰতিজন মুৰব্বীয়ে ভক্তি ভাবেৰে সংৰক্ষিত হৈ আহিছে। তেনে ক্ষেত্ৰত চোৰৰ লুণ্ঠনত হতাশাত ভাগি পৰিছে বুঢ়া ভকত। ইতিমধ্যে মাজুলীৰ আৰক্ষী বিভাগে অনুসন্ধান আৰম্ভ কৰিছে। ৰাইজে আশা কৰে জোৰদাৰ তদন্ত কৰি দোষীক দৃষ্টান্ত মূলক শাস্তি প্ৰদান কৰক আৰু ঐতিহাসিক সম্পদ সমূহ ৰক্ষা কৰিবলৈ নিৰাপত্তা প্ৰদান কৰক। এই বাতৰি লিখাৰ পৰলৈকে কোনো ধৰণৰ তথ্য আৰক্ষীয়ে সদৰি কৰা নাই।

চাপৰাকাটাত ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত উদ্ধাৰ বৰপেটাৰ জেলেকা বেগমৰ মৃতদেহ; চিকিৎসালয়ত যুঁজিছে তিনি যাত্ৰীয়ে

# বঙাইগাঁৱত মৰ্মান্তিক পথ দুৰ্ঘটনা; কলকাতাৰ পৰা মৃতদেহ কঢ়িয়াই অহা এম্বুলেঞ্চ দুৰ্ঘটনাত পতিত, তিনিজনৰ অৱস্থা সংকটজনক

**অসম বাৰ্তা, বঙাইগাঁও, ২২ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ চাপৰাকাটাৰ ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱাই এক শোকাৱহ পথ দুৰ্ঘটনা সংঘটিত হয়। কলকাতাৰ পৰা এজনী মহিলাৰ মৃতদেহ কঢ়িয়াই বৰপেটা অভিমুখে আহি থকা এখন দ্ৰুতবেগী এম্বুলেঞ্চ নিয়ন্ত্ৰণ হেৰুৱাই দুৰ্ঘটনাত পতিত হোৱাৰ ফলত পৰিৱেশ অত্যন্ত মৰ্মান্তিক হৈ পৰে। প্ৰাপ্ত বাতৰি অনুসৰি, বৰপেটা টাউনৰ নিবাসী জেলেকা বেগম নামৰ মহিলাগৰাকীৰ মৃত্যুৰ পিছত তেওঁৰ মৃতদেহটো কলকাতাৰ পৰা ঘৰলৈ আনি থকা হৈছিল। কিন্তু দুৰ্ভাগ্যবশতঃ গন্তব্যস্থান পোৱাৰ পূৰ্বেই বঙাইগাঁৱৰ চাপৰাকাটাত বাহনখন ভয়াবহ দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাটো ইমানেই শক্তিশালী আছিল যে এম্বুলেঞ্চখনৰ ভিতৰতে দীৰ্ঘসময় ধৰি জেলেকা বেগমৰ মৃতদেহটো আৱদ্ধ হৈ থাকে। এই ঘটনাত এম্বুলেঞ্চখনত থকা অন্য তিনিজন যাত্ৰী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। দুৰ্ঘটনাৰ শব্দ শুনি স্থানীয় ৰাইজ আৰু আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তেওঁলোকক উদ্ধাৰ কৰে। বৰ্তমান সংকটজনক অৱস্থাত তিনিউজনকে বঙাইগাঁও অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হৈছে। মৃতদেহ কঢ়িয়াই অহা বাহনখন এনেদৰে দুৰ্ঘটনাত পতিত হোৱা ঘটনাই বৰপেটাৰ শোকসন্তপ্ত পৰিয়ালটোৰ ওপৰত এক সৰ্বগ্ৰাসী দুখ নমাই আনিছে। আৰক্ষীয়ে ইতিমধ্যে দুৰ্ঘটনাত পতিত বাহনখন জব্দ কৰিছে আৰু মৃতদেহটো পৰিয়ালৰ হাতত অৰ্পণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

# পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ত নিয়োগ মেলা

**অসম বাৰ্তা, পুৰণিগুদাম, ২২ জানুৱাৰী ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ একমাত্ৰ উচ্চশিক্ষাৰ অনুষ্ঠান পুৰণিগুদাম ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ত আজি অনুষ্ঠিত হয় নগাঁও জিলা ভিত্তিত নিয়োগ মেলা। নগাঁও জিলা নিয়োগ বিনিময় কেন্দ্ৰ আৰু মডেল কেৰিয়াৰ চেণ্টাৰ নগাঁৱৰ উদ্যোগত ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ কেৰিয়াৰ গাইডেন্স চেলৰ সহযোগত অনুষ্ঠিত হয় এই নিয়োগ মেলাখনি। নগাঁৱৰ প্ৰায় ৫ টাকৈ আগশাৰীৰ ব্যৱসায় প্ৰতিষ্ঠান ক্ৰমে আৰ.ডি. মটৰছ, আৰোহন ফাইনেনছিয়েল চাৰ্ভিছ লিমিটেড, বজৰঙ্গ কাৰ ৱৰ্ল্ড, ব্লিংকিটৰ বাবে এই নিয়োগ মেলাখনি অনুষ্ঠিত হয়। বৃহত্তৰ পুৰণিগুদাম অঞ্চল আৰু দাঁতিকাষৰীয়া বিভিন্ন অঞ্চলৰ পৰা শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে এই নিয়োগ মেলাখনত। উল্লেখ্য যে, জিলা নিয়োগ বিনিময় কেন্দ্ৰ আৰু ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ যথেষ্ট আশাবাদী এই পদক্ষেপকলৈ। মেলাৰ আৰম্ভণিতে অনুষ্ঠিত হোৱা সভাৰ আঁত ধৰি মহাবিদ্যালয়ৰ কেৰিয়াৰ গাইডেন্স কোষৰ সমন্বয়ক ড° পুণ্যলতা গোঁহাইয়ে কয় যে, বৰ্তমান নিবনুৱা সমস্যাৰ দূৰ কৰাত চৰকাৰীভাৱে লোৱা এনে পদক্ষেপে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰিব। সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ নৃপেন চন্দ্ৰ দাস, উপাধ্যক্ষ ড° সোমনাথ বৰাই ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰি সজাগতা আৰু সংস্থাপনৰ পথ মুকলি হ'ব বুলি আশা ব্যক্ত কৰে। নিয়োগ বিনিময় কেন্দ্ৰৰ বিষয়া পৰেশ বৰদলৈয়ে নিয়োগ মেলাৰ আঁৰত থকা মহৎ উদ্দেশ্যৰ বিষয়ে অৱগত কৰে। সভাত নিয়োগ বিনিময় কেন্দ্ৰৰ চিনিয়ৰ এচিছটেণ্ট মনোজ কাকতি, পৱন কুমাৰ ভূএগৰ লগতে মহাবিদ্যালয়ৰ ক্ৰমে ড°জাহাঙ্গীৰ হুচেইন আলম, অংকুৰ প্ৰতীম মহন্ত, ভাৰ্গৱ দাস, চন্দন বৰা, চিৰঞ্জীৱ শৰ্মা আদি শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিত থাকে।

আৰক্ষীৰ অভিযানত চাৰি গো-ধন জব্দ

# বিলাসীপাৰাত বিলাসী বাহনেৰে গৰু চোৰৰ অভিনৱ কৌশল ফাদিল

**অসম বাৰ্তা, বিলাসীপাৰা, ২২ জানুৱাৰী ঃ** বিলাসীপাৰাত গৰু চোৰৰ এক বৃহৎ চক্ৰৰ অভিনৱ কৌশল ফাদিল হোৱাৰ লগে লগে অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলাই বস্তাৰ ভিতৰত গৰু সুমুৱাই বিলাসী বাহনেৰে সৰবৰাহ কৰা চাৰি গো-ধন জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, গৰু চোৰৰ দলটোৱে মাৰুতি ছুজুকি কোম্পানীৰ এখন বিলাসী বাহনত বস্তাৰ ভিতৰত গৰু সুমুৱাই কঢ়িয়াই নিয়াৰ চেষ্টা চলাইছিল। আৰক্ষীয়ে বাহনখন খেদি গৈ কাথালদি দ্বিতীয় খণ্ড গাঁৱত আটক কৰে। জব্দ কৰা বাহনখনৰ নম্বৰ হৈছে AS 01 MA 5522। কিন্তু আৰক্ষীৰ উপস্থিতিৰ উমান পাইগৰু চোৰৰ দলটো বাহনখন এৰি পলায়ন কৰে। আৰক্ষীয়ে বাহনখনসহ চাৰিটাকৈ চোৰাং গো-ধন জব্দ কৰি বিলাসীপাৰা থানালৈ লৈ যায়। বৰ্তমান জব্দকৃত বাহন আৰু গৰু কেইটা বিলাসীপাৰা থানাত ৰখা হৈছে আৰু ঘটনাটোৰ সন্দৰ্ভত আৰক্ষীয়ে গভীৰ তদন্ত আৰম্ভ কৰিছে। আৰক্ষী সূত্ৰে জানিবলৈ দিয়া মতে, এইটো এটা সংগঠিত গৰু চোৰৰ চক্ৰৰ কাম হোৱাৰ সম্ভাৱনা আছে আৰু পলাতক চোৰক ধৰিবলৈ অভিযান জোৰদাৰ কৰা হৈছে। এই ঘটনাই পুনৰবাৰ বিলাসীপাৰা অঞ্চলত গৰু চোৰৰ ঘটনাবোৰে মূৰ তুলি উঠাৰ বিষয়টো স্পষ্ট কৰি তুলিছে।

# ৫৫নং ধিং সমষ্টিত প্ৰাৰ্থীত্ব পত্যাশী অমৰজিৎ গোস্বামীৰ নেতৃত্বত বলিকটীয়াত বিজেপি দলৰ এক যোগদান সভা



**অসম বাৰ্তা, বটদ্ৰৱা, ২২ জানুৱাৰী ঃ** সমাগত ২০২৬চনৰ বিধানসভা নিৰ্বাচন সকলো ৰাজনৈতিক দলেই চলাইছে নিৰ্বাচনী তৎপৰতা। তাৰ সমান্তৰালকৈ ভাৰতীয় জনতা পাৰ্টীয়েও চলাইছে প্ৰস্তুতি। আজি ধিং সমষ্টিৰ অন্তৰ্গত বলিকটীয়াত বিজেপি দলৰ এক সভা অনুষ্ঠিত হৈ যায় উক্ত সভাত বিজেপি দলৰ ধিং সমষ্টিৰ প্ৰাৰ্থীত্ব পত্যাশী অমৰজিৎ গোস্বামীৰ উপস্থিতিত প্ৰায় দুই শতাধিক ৰাইজে অনুষ্ঠানিক বাবে যোগদান কৰে। আজি এই দলীয় সভাখনত সভাপতিত্ব বুথ কমিটিৰ সভাপতি অনুৱাৰ হুছেইনে। সভাখনত ওপৰ ডুমডুমীয়া গাঁওপঞ্চায়তৰ আঞ্চলিক সদস্য শিৱপ্ৰসাদ গোস্বামীয়ে বহু গুৰুত্বপূৰ্ণ ভাষণ প্ৰধান কৰে। আজি এই সভাখনত প্ৰায় দুই সহস্ৰাধিক ৰাইজ উপস্থিত থাকে।

আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদৰ কাৰ্য্যবাহী সদস্য ছিনেশ হেমব্ৰমৰ

# কোকৰাঝাৰৰ কাৰিগাঁৱৰ ঘটনা উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী, শান্তি সম্প্ৰীতি বজাই ৰাখিবলৈ প্ৰশাসনক কঠোৰ ব্যৱস্থা গ্ৰহণৰ আহ্বান

**অসম বাৰ্তা, গোসাঁইগাঁও, ২২ জানুৱাৰী ঃ** যোৱা পৰহি নামনি অসমৰ কোকৰাঝাৰৰ কাৰিগাঁৱত সংঘটিত অবাঞ্চিত ঘটনাক কেন্দ্ৰ কৰি যি অস্বাভাৱিক পৰিস্থিতিৰ সৃষ্টি হৈছে সেয়া লজ্জাজনক ঘটনা বুলি অভিহিত কৰে আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদৰ কাৰ্য্যবাহী সদস্য ছিনেশ হেমব্ৰমে। কাৰ্য্যবাহী সদস্য হেমব্ৰমে উক্ত ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্ত দাবী কৰে আৰু ঘটনাৰ লগত জড়িত ব্যক্তিক উপযুক্ত শাস্তি প্ৰদানৰ দাবী জনায়। তেখেতে যিকোনো ধৰণৰ অনুষ্ঠান বাতিল কৰিবলৈ আহ্বান জনায় আৰু একে ঠাইতে যাতে বহু মানুহৰ সমাগম হব নোৱাৰে তাৰ বাবে প্ৰশাসনক কঠোৰ ব্যৱস্থা ল'বলৈ আহ্বান জনায়। এই ঘটনাৰ আলম লৈ যাতে দুৰ্বৃত্তই যাতে কোনো কূটাঘাত মূলক কাৰ্য সম্পাদন কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি ৰাইজক নিজ নিজ গাঁৱত পহৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায় আৰু প্ৰশাসনক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে দাবী জনায়। এসময়ৰ অশান্ত পৰিৱেশৰ বিটিআৰত শান্তিৰ পৰিৱেশ ঘূৰি আহিছে, আৰু এই শান্তিৰ পৰিৱেশ অটুট ৰাখিবলৈ সকলোকে শান্তি সম্প্ৰীতি বজাই ৰাখিবলৈ বাৰুকৈয়ে আহ্বান জনায় আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদৰ কাৰ্য্যবাহী সদস্য ছিনেশ হেমব্ৰমে।

নাটঘৰৰ দ্বাৰ উন্মোচন কৰিলে চিএচিৰ কাৰ্যবাহী সদস্যা পূৰবী সৰকাৰে

# ঢালিগাঁৱত উলহ-মালহেৰে শ্ৰী শ্ৰী গণেশ পূজা উদ্‌যাপন পূজাৰ মাজেৰে প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ বিশেষ শ্ৰদ্ধাঞ্জলি; মহিলাৰ নাম-কীৰ্তনেৰে আধ্যাত্মিক পৰিৱেশ

**অসম বাৰ্তা, বঙাইগাঁও, ২২ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ ঢালিগাঁও সাৰ্বজনীন শ্ৰীশ্ৰী গণেশ পূজা উদযাপন সমিতিৰ উদ্যোগত আজি এক আধ্যাত্মিক আৰু উখল-মাখল পৰিৱেশত গণেশ পূজা সম্পন্ন হয়। আজি ২২ জানুৱাৰীত আয়োজিত এই পূজাৰ বিশেষ আকৰ্ষণ আছিল গণেশ মন্দিৰৰ নৱনিৰ্মিত নাটঘৰৰ দ্বাৰ উন্মোচন কাৰ্যসূচী। মন্দিৰ প্ৰাংগণত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উপস্থিত থাকি নৱ-নিৰ্মিত নাটঘৰৰ দ্বাৰ উন্মোচন কৰে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ (KAC) কাৰ্যবাহী সদস্যা পূৰবী সৰকাৰে। উল্লেখযোগ্য যে, গণেশ মন্দিৰৰ পুৰণি নাটঘৰটোৰ পুনৰ মেৰামতি (Repairing), মজিয়াৰ পকীকৰণ আৰু মন্দিৰৰ চিৰি নিৰ্মাণৰ বাবে বিশেষ পুঁজি যোগান ধৰিছিল কাৰ্যবাহী সদস্যা পূৰবী সৰকাৰে। তেওঁৰ এই উন্নয়নমূলক পদক্ষেপক স্থানীয় ৰাইজে উষ্ম আদৰণি জনাইছে। আজি পুৱা পূজাৰম্ভ হোৱাৰ পাছতে উদযাপন সমিতিৰ তৰফৰ পৰা অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি এক বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজন কৰা হয়। ইয়াৰ পাছতে স্থানীয় আইসকলৰ সমৱেত নাম-কীৰ্তনেৰে সমগ্ৰ অঞ্চলটোত এক পবিত্ৰ আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি হয়। ভক্তিৰসেৰে সিক্ত ঢালিগাঁৱৰ এই গণেশ পূজাত অঞ্চলটোৰ শ শ ভক্তই ভিৰ কৰি আশীৰ্বাদ গ্ৰহণ কৰা পৰিলক্ষিত হয়। উদ্‌যাপন সমিতিৰ বিষয়ববীয়াসকলে অনুষ্ঠানটো সফল কৰি তোলাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

# হিতাধিকাৰীক সন্তুষ্ট কৰিবৰ বাবে গোলাঘাট জিলা প্ৰশাসনে সলনি কৰিলে গণৰাজ্য দিৱসৰ স্থান

❑ গোলাঘাটৰ বিভিন্ন দল সংগঠনৰ প্ৰতিক্ৰিয়া ❑

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২২ জানুৱাৰী ঃ** কেৱল হিতাধিকাৰীক সন্তুষ্ট কৰিবৰ বাবেই গোলাঘাট জিলা প্ৰশাসনৰ নাভূত নাশ্ৰুত কাণ্ড। হিতাধিকাৰী আঁচনিৰ কায্যসুচীৰ বাবেই গণৰাজ্য দিৱসৰ দৰে ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ স্থান সলনি কৰিলে গোলাঘাট জিলা প্ৰশাসনে। ৰাষ্ট্ৰীয় অনুষ্ঠানক কৰা এই চৰম অপমানক লৈ তীব্ৰ প্ৰতিক্ৰিয়া মন্ত্ৰী অজন্তা নেওগৰ গোলাঘাট সমষ্টিত। হিতাধিকাৰী আঁচনি প্ৰথম নে ৰাষ্ট্ৰ প্ৰথম আমাৰ ভাৰতবৰ্ষত নিশ্চয় কৈ ৰাষ্ট্ৰ প্ৰথম বুলিয়ে সকলোৱে একে মুখে ক'ব। কিয়নো হিতাধিকাৰী আঁচনিৰ চেক বিতৰণৰ অনুষ্ঠান পাতিবৰ বাবে গণৰাজ্য দিৱসৰ কাৰ্যসুচীৰ পৰম্পৰাগত স্থান সলনি গোলাঘাট সমষ্টিত। মুখ্যমন্ত্ৰীয়ে উদ্যমিতা আচনিৰ দ্বাৰা মহিলা সকলক স্বাৱলম্বী কৰিবলৈ এক প্ৰয়াস হাতত লৈছে যাৰ বাবে অহা ২৯ জানুৱাৰীত গোলাঘাট সমষ্টিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আহিব উদ্যমিতা আচনিৰ চেক বিতৰণৰ বাবে। গতিকে জাক জমকতাৰে অনুষ্ঠান পাতিব লাগিবৰ বাবে গোলাঘাটৰ সম্বন্বয় ক্ষেত্ৰত গণৰাজ্য দিৱসৰ বাবে সাজু কৰা পেণ্ডেল ভাঙি উদ্যমিতা আঁচনিৰ কাৰ্যসূচীৰ বাবে সাজু কৰিছে পেণ্ডেল। সম্বন্বয় ক্ষেত্ৰৰ পৰিৱৰ্তে গোলাঘাটৰ বেজবৰুৱা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হব এইবাৰৰ গণৰাজ্য দিৱস। যুগ যুগ ধৰি গোলাঘাটৰ এই সম্বন্বয় ক্ষেত্ৰত পৰম্পৰাগত ভাবে স্বাধীনতা দিৱস আৰু গণৰাজ্য দিৱসৰ কাৰ্যসুচী অনুষ্ঠিত হৈ আহিছিল যদিও ৰাষ্ট্ৰীয় পৰ্যায়ৰ কাৰ্যসুচী চৰম অপমান কৰিবলৈ কুণ্ঠাবোধ নকৰি হিতাধিকাৰী আচনি কায্যসুচীক আগস্থান দিলে বুলি প্ৰশাসনে বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু গগৈয়ে। যোৱা ২৫ বছৰ ধৰি গোলাঘাট সমষ্টিৰ বিধায়িকা তথা মন্ত্ৰী অজন্তা নেওগেৰ ক্ষমতাই মুৰত ধৰিছে যাৰ বাবে মইমতালিৰে প্ৰশাসন যন্ত্ৰক ব্যৱহাৰ কৰি ৰাষ্ট্ৰীয় কাৰ্যসূচীক অপমান কৰিছে বুলি কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতা বিদ্যুৎ শইকীয়াই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। অন্যহাতেদি গোলাঘাট জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিয়ে উল্লেখ কৰে যে হিতাধিকাৰী প্ৰায় ৩৪ হাজাৰ মান হব গতিকে গণৰাজ্য দিৱসৰ স্থান সলনি কৰিব লগা হল বুলি গা এৰা মন্তব্য দিয়ে। জানিব পৰা মতে উদ্যমিতা আচনিৰ কাৰ্যসুচীৰ বাবে গোলাঘাট সমষ্টিৰ শিঙিজান পথাৰত সাজু কৰা হৈছিল যদিও শ্বহীদৰ স্মৃতি বিজড়িত শিঙিজান পথাৰত স্থানীয় একাংশই বিৰোধিতা কৰাত সম্বন্বয় ক্ষেত্ৰত এতিয়া উদ্যমিতা আঁচনিৰ অনুষ্ঠান পাতিবলৈ জিলা প্ৰশাসন উঠি পৰি লাগিছে। ৰাষ্ট্ৰীয় কাৰ্যসূচী গণৰাজ্য দিৱস যত হওক হৈ থাকক নিৰ্বাচনৰ আগত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সুখী কৰি উন্নয়নৰ ঢাক-ঢোল বজাব লাগে।

কোনে ক'ত টিকট পাব তাক লৈ চৰ্চা চলি থকাৰ সময়তেই বিজেপিৰ জেষ্ঠ নেতা ৰঞ্জিত দত্তই কৰিলে তাৎপৰ্যপূৰ্ণ মন্তব্য

# বিহালী, বিশ্বনাথত বলিছে ২০২৬ৰ নিৰ্বাচনী বতাহ



**অসম বাৰ্তা, বিহালী, ২২ জানুৱাৰী ঃ** "বিজেপি বহুত বেলেগ দল। কোন ক'ত যাব, কোন ক'ত উফৰি পৰিব, কোন আগবাঢ়ি যাব কোনেও নাজানে। নেতৃত্বই আমাক চোকা দৃষ্টিৰে চাই আছে। প্ৰমোদ বৰঠাকুৰে কি কাম কৰিছে, প্ৰমোদ বৰঠাকুৰে সমষ্টিত কি ধৰণে মানুহৰ মাজত সোমাইছে ৰাষ্ট্ৰীয় নেতৃবৃন্দই সকলো চাই আছে আৰু ইয়াৰ পৰীক্ষা হ'ব নিৰ্বাচনৰ সময়ত। প্ৰমোদ বৰঠাকুৰৰ জনম কুণ্ডলি আমি নিৰ্বাচনৰ সময়ত দেখিবলৈ পাম।" বিশ্বনাথত বিজেপিৰ যুৱ মৰ্চাই আয়োজন কৰা যুৱ সন্মিলনত অংশগ্ৰহণ কৰি এই মন্তব্য কৰে শোণিতপুৰৰ সাংসদ তথা জেষ্ঠ বিজেপি নেতা ৰঞ্জিত দত্তই। সাংসদ ৰঞ্জিত দত্তই লগতে কয় যে বিজেপিয়ে নতুন প্ৰজন্মক বিশেষকৈ যুৱক-যুৱতী সকলক অন্য দলতকৈ অধিক প্ৰাধান্য দিয়ে। যাৰ বাবে ৪৫ বছৰীয়া নীতিন, নবীন আজি বিশ্বৰ সৰ্ববৃহৎ ৰাজনৈতিক দলটোৰ সভাপতি। সমান্তৰালভাৱে অসমত ২৬ ৰ নিৰ্বাচনত টিকটৰ ক্ষেত্ৰত যুৱক-যুৱতী সকলে অগ্ৰাধিকাৰ পাব আৰু বহু কেইখন নতুন মুখে টিকট লাভ কৰাৰ সম্ভাৱনা আছে। ২৫ বছৰ ধৰি ৰঞ্জিত দত্ত বিধায়ক হোৱা বিহালী সমষ্টিটো নতুন মুখে লাভ কৰিব টিকেট। আমি পুৰনি সকলেই যে টিকট পাই থাকিব লাগিব তেনে কথা নাই। তেও লগতে কয় যে এইবাৰ বিহালীত যি গৰাকী প্ৰাৰ্থী হব তেও বিহালীতে জন্মগ্ৰহণ কৰা ব্যক্তি হব লাগিব আৰু এই বিষয়ে মই কেন্দ্ৰীয় নেতৃবৃন্দক জনাইছো। বিহালীৰ হাৱা পানী খাই বিহালীত কাম কৰা লোকে টিকট পাব লাগিব আৰু ৰাজ্যিক নেতৃবৃন্দকো মই এই বিষয়ে জনাইছো। কাৰণ স্থানীয় ৰাইজে বিহালীৰ স্থানীয় ব্যক্তিয়ে টিকট পোৱাটো বিচাৰিছে।

# বৰপেটাৰোড আৰক্ষীৰ ১৩ টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ সহ এজন যুৱকক আটক

**অসম বাৰ্তা, বৰপেটাৰোড, ২২ জানুৱাৰী ঃ** আজি বৰপেটাৰোড আৰক্ষীয়ে পুনৰ এজন ড্ৰাগছ সৰবৰাহকাৰী আটক কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰী বৰপেটাৰোডৰ আশেপাশে অঞ্চলসমূহত ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলাই আছিল। আজি বৰপেটাৰোড আৰক্ষীৰ এটি দলে গোপন খবৰ ভিত্তিত হাটে-লোতে ১৩টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ যুৱকজনক আটক কৰিবলৈ সক্ষম হয়। যুৱকজন হৈছে জাখলিবিলৰ শাহিনুৰ। ধৃত ড্ৰাগছ সৰবৰাহকাৰী শাহিনুৰক উত্তৰ বৰপেটাৰোডৰ পৰা ১৩টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰসহ আটক কৰে বৰপেটাৰোড আৰক্ষীয়ে। বৰপেটাৰোড আৰক্ষীয়ে ড্ৰাগছ আটক কৰাৰ পিছতেই সচেতন মহলে ভূয়সী প্ৰশংসা কৰে বৰপেটাৰোড আৰক্ষীৰ।

# জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ সিংহ পুৰুষ ললিত ৰাজখোৱাৰ মৃত্যু দিৱস পালন

**অসম বাৰ্তা, জাঁজী, ২২ জানুৱাৰী ঃ** শিৱসাগৰ জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত কালি জাঁজী নাট্য সমাজ কলা ভৱনৰ প্ৰাংগনত সিংহ পুৰুষ তথা প্ৰয়াত ছাত্ৰ নেতা ললিত চন্দ্ৰ ৰাজখোৱাৰ ৩৬ সংখ্যক মৃত্যু বাৰ্ষিকীৰ উপলক্ষে সন্ধিয়া এক বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ ৰূপায়ণ কৰা হয়। প্ৰয়াত ছাত্ৰ নেতাজন আছিল সেই সময়ৰ নৈবৃৈ দশকৰ অবিভক্ত শিৱসাগৰ জিলাৰ অন্তৰ্গত জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি তথা সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি আৰু প্ৰাক্তন উপদেষ্টা। জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা তথা সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক উজ্জ্বল দত্তই আঁত ধৰা উক্ত বন্তি প্ৰজ্বলন অনুষ্ঠানটিত মুখ্য বন্তিপ্ৰজ্বলক ৰূপে উপস্থিত আছিল জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা অসম কলেজ শিক্ষক সন্থাৰ প্ৰাক্তন সভাপতি জ্যোতি প্ৰসাদ গগৈ। ইয়াৰ উপৰিও কাৰ্যসূচীত আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অংকুৰ শইকীয়া উপ-সভাপতি চিত্ৰৰঞ্জন সন্দিকৈৰ লগতে আন আন বিষয়ববীয়া সকল উপস্থিত আছিল। অনুষ্ঠানটিত বন্তিপ্ৰজ্বলনৰ পাছতেই জ্যোতি প্ৰসাদ গগৈয়ে সিংহ পুৰুষ জনাৰ জীৱন আদৰ্শৰ লগতে তেওঁৰ সেই সময়ৰ কাৰ্যক্ৰমণিকা সমূহক সামৰি এটি তত্ত্ব গধুৰ ভাষণ প্ৰদান কৰে।

# অবিভক্ত শিৱসাগৰ জিলা ভিত্তিত দিহানাম প্ৰতিযোগিতা

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২২ জানুৱাৰী ঃ** যোৰহাট পশ্চিম অঞ্চলৰ সৰুচৰাই পৰ্বতীয়া গাঁৱৰ বৰনামঘৰৰ উদ্যোগত অঞ্চলটোৰ ৰাইজৰ সহযোগত ৩০ জানুৱাৰীত পৰ্বতীয়া গাঁৱৰ বৰনামঘৰত অবিভক্ত শিৱসাগৰ জিলা ভিত্তিত দিহানাম প্ৰতিযোগিতাৰ আয়োজন কৰিছে। পুৰস্কাৰৰূপে প্ৰথম দলক ত্ৰিছ হেজাৰ, দ্বিতীয় দলক বিছ হাজাৰ, তৃতীয় দলক দহ হেজাৰ, শ্ৰেষ্ঠ খোলবাদকক এহেজাৰ, শ্ৰেষ্ঠ নেগেৰা বাদকক এহেজাৰ টকাৰ লগতে মানপত্ৰ প্ৰদান কৰিব। আগ্ৰহীসকলে ৬০০০৪-৫৪০৭৫, ৭০০২৩-৯৩৭০৩ ত যোগাযোগ কৰিলে সবিশেষ জানিব পাৰিব। পৰিৱেশন কৰিবলগীয়া দিহানাম দিহামূলক হ'ব লাগিব।

# আজাদ হিন্দ ফৌজৰ মুক্তি যুঁজাৰু পূৰ্ণ বাহাদুৰ ছেত্ৰীৰ সোঁৱৰণত , ২৬ জানুৱাৰীৰ পৰা আন্তঃগাঁও ক্ৰিকেট টুৰ্নামেণ্টৰ আয়োজন গোৰ্খা ছাত্ৰ সন্থাৰ

**অসম বাৰ্তা, গোৰেশ্বৰ, ২২ জানুৱাৰী ঃ** তামোলপুৰ জিলাৰ গোৰেশ্বৰৰ ভোলাঝাৰ বাঙালীপাৰা উচ্চ ও মধ্য ইংৰাজী বিদ্যালয়ৰ খেলপথাৰত অহা ২৬ জানুৱাৰীৰ পৰা আজাদ হিন্দ ফৌজৰ মুক্তি যুঁজাৰু প্ৰয়াত পূৰ্ণ বাহাদুৰ ছেত্ৰীৰ সোঁৱৰণত দ্বিতীয় বাৰ্ষিক আন্তঃগাঁও ক্ৰিকেট টুৰ্নামেণ্টৰ আয়োজন কৰা হৈছে। সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ পূৱ ডেফেলী আঞ্চলিক সমিতিৰ উদ্যোগত তথা সমূহ শাখা সমিতিৰ সহযোগত আয়োজন কৰা হৈছে এই খেল প্ৰতিযোগিতাৰ। দেশৰ স্বাধীনতাৰ হকে যুঁজ দিয়া মুক্তি যুঁজাৰু প্ৰয়াত পূৰ্ণ বাহাদুৰ ছেত্ৰীক ক্ৰীড়াৰ যোগেদি নতুন প্ৰজন্মৰ মাজত চিনাকি কৰি দিয়াৰ লগতে বৰ্তমানৰ যান্ত্ৰিক যুগত যুৱ সমাজৰ মাজত ক্ৰীড়াৰ ক্ষেত্ৰত সজাগতা বৃদ্ধি কৰি ভাৰত-ভূটান সীমান্তৱৰ্তী বৃহত্তৰ অঞ্চলটোৰ যুৱ প্ৰতিভাক ক্ৰীড়া ক্ষেত্ৰখনত আগবঢ়াই লৈ যোৱাৰ মানসেৰে এই প্ৰতিযোগিতাৰ আয়োজন কৰা বুলি জানিবলৈ দিয়ে পূৱ ডেফেলী আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি বিশাল মৈনালী আৰু সাধাৰণ সম্পাদক দিগ্বজয় লুঁইটেলে। উক্ত প্ৰতিযোগিতাক সাফল্যমণ্ডিত কৰি তুলিবলৈ ক্ৰিকেট খেলুৱৈ দলসমূহৰ সক্ৰিয় অংশগ্ৰহণৰ লগতে ক্ৰীড়া প্ৰেমী ৰাইজৰ উপস্থিতিৰ বাবে আহ্বান জনাইছে আয়োজন সমিতিয়ে।

# দৰং ওদালগুৰি সীমান্তবৰ্তী নামখলাত "অগ্নিশিখা" সাংস্কৃতিক গোষ্ঠীৰ আখৰা শিবিৰ মুকলি

**অসম বাৰ্তা, খৈৰাবাৰী, ২২ জানুৱাৰী ঃ** দৰং ওদালগুৰি সীমান্তবৰ্তী নামখলাৰ লোক-নৃত্য আৰু লোক-বাদ্যৰ দল হেমন্ত কলিতাই প্ৰযোজক আৰু পৰিচালনা কৰা " অগ্নিশিখা"ৰ ২০২৬ আৰু ২০২৭ একাদশ বৰ্ষৰ আখৰা শিবিৰ নামখলাৰ সমবায় সমিতিৰ কাৰ্যালয় চৌহদত আজি আনুষ্ঠানিকভাৱে মুকলি কৰে। ৰাতিপুৱা মাঙ্গলিক ৰীতি-নীতিৰ মাজেৰে আখৰা শিবিৰ দ্বাৰ উন্মোচন কৰে মঙ্গলদৈ শান্তিপুৰ ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক গৌতম শৰ্মাই। আখৰা শিবিৰ মুকলি অনুষ্ঠানৰ পিছত প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে নামখলা আদৰ্শ জাতীয় বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰেমানন্দ বৰুৱাই। আখৰা শিবিৰ অনুষ্ঠানৰ লগত সংগতি ৰাখি ১১ গৰাকী জেষ্ঠ্য-কনিষ্ঠ শিল্পীক অগ্নিশিখাৰ বিভিন্ন সন্মান প্ৰদান কৰে। অগ্নিশিখাৰ একাদশ বৰ্ষৰ আখৰা শিবিৰ অনুষ্ঠানত প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ অগ্নিশিখা সন্মান, বিশিষ্ট কণ্ঠ শিল্পী মণিকা বৈশ্যলৈ জীৱনজোৰা সাধনা সন্মান, লোক-সংস্কৃতিৰ সাধক কনক চন্দ্ৰ হাজৰিকালৈ জীৱনজোৰা সাধনা সন্মান, অনাতাঁৰ আৰু দূৰদৰ্শনৰ স্বীকৃতি প্ৰাপ্ত বিশিষ্ট কণ্ঠশিল্পী সুদীপা দত্তক জীৱনজোৰা সাধনা সন্মান প্ৰদান কৰে। ইয়াৰ উপৰিও সাত গৰাকী প্ৰতিভাশালী শিল্পীলৈ "সাধনা সন্মান" প্ৰদান কৰে। যশস্বী নাগাৰা নামৰ পাঠক কৰিশ্মা নাথ, গুৱাহাটী দূৰদৰ্শনৰ বি. গ্ৰেড শিল্পী সত্ৰীয়া বিশাৰদ, জনপ্ৰিয় কণ্ঠ শিল্পী নৱ নিয়ৰ, জনগোষ্ঠীয় লোকনৃত্যৰ জনপ্ৰিয় নৃত্য শিল্পী জুৰি বড়ো, বিশিষ্ট বাঁহী বাদক নয়ন মনি ডেকা, লোকবাদ্যৰ যশস্বী শিল্পী মুনিন্দ্ৰ কলিতা আৰু জনগোষ্ঠীয় লোকনৃত্যৰ জনপ্ৰিয় নৃত্য শিল্পী বন্দনা ৰাভাক সাধনা সন্মান প্ৰদান কৰে। অন্যহাতে মুকলি সভা সঞ্চালনা কৰে উঁহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক নাৰায়ন বৰুৱাই। সভা উদ্বোধন কৰে খৈৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহঃ শিক্ষয়িত্ৰী জোনালী ৰাজবংশীয়ে। সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক ড° প্ৰবিত্ৰ শৰ্মাই। অন্যহাতে অতি গাম্ভীৰ্যপূৰ্ণ সভাত বিশিষ্ট অতিথিৰ আযন অলংকৃত কৰে নামখলা সহায়ক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসা আৰু স্বাস্থ্য বিষয়া ড° উপাসনা শইকীয়া। ইয়াৰ উপৰিও অগ্নিশিখাৰ সমূহ শিল্পীৰ লগতে নামখলা অঞ্চলৰ বিশিষ্ট ব্যক্তি সকলৰ উপস্থিতিত আখৰা শিবিৰ মুকলি অনুষ্ঠানৰ সফল সামৰণি পৰে।

# ৩১ জানুৱাৰীলৈ পিছুৱালে নামনি মাজুলীৰ হিন্দু সন্মিলন

**অসম বাৰ্তা, মাজুলী, ২২ জানুৱাৰী ঃ** সনাতন সংস্কৃতিক সমৃদ্ধ কৰি ৰখা হিন্দু ধৰ্মৰ অন্যতম ৰক্ষাকাৰী অনুষ্ঠান নামনি মাজুলীৰ "হিন্দু সন্মিলিন" খন পিছুৱাই দিয়া হৈছে। অহা ২৫ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া উক্ত হিন্দু সন্মিলিনখন অহা ৩১ জানুৱাৰীলৈ পিছুৱাই দিয়া হৈছে। নামনি মাজুলীৰ কৰতিপাৰ, শ্ৰীলোহিত আৰু চিলাকলা মণ্ডলৰ ৰাইজৰ সহযোগত অহা ৩১ জানুৱাৰীত উক্ত হিন্দু সন্মিলিনখন অনুষ্ঠিত হ'ব। নামনি মাজুলীৰ বালিচাপৰি মিলিত কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া উক্ত হিন্দু সন্মিলিনখনত ৰাইজৰ উপস্থিতি আয়োজক সমিতিৰ সভাপতি গোপাল বৰা, কাৰ্যকৰী সভাপতি জয়ন্ত নেওগ আৰু সম্পাদক ৰঞ্জিত শইকীয়াই কামনা কৰিছে। উল্লেখযোগ্য যে উক্ত হিন্দু সন্মিলিনখন অহা ২৫ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া আছিল যদিও অনিবাৰ্য কাৰণবশতঃ উক্ত হিন্দু সন্মিলিনখন ৩১ জানুৱাৰীলৈ পিছুৱাই দিয়া হৈছে। ৩১ জানুৱাৰীত পূৰ্বে নিৰ্ধাৰিত স্থানতে দুপৰীয়া ১১.৩০ বজাৰ পৰা উক্ত হিন্দু সন্মিলিনখন অনুষ্ঠিত হ'ব।

**বৰক্ষেত্ৰী সমষ্টিৰ ৩৩ হেজাৰ মহিলাক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২৪ জানুৱাৰীৰ দিনা প্ৰদান কৰিব মহিলা উদ্যমিতা আঁচনিৰ চেক**

# মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আদৰিবলৈ সাজু বৰক্ষেত্ৰীবাসী

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২২ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত বিভিন্ন প্ৰান্তৰ দলীয় কৰ্মীসকলৰ লগতে অঞ্চলটোৰ মহিলাসকলো উৎসাহী হৈ পৰিছে। উল্লেখ্য যে সমষ্টিটোৰ ৫৪ নং জাগাৰা নপ্তিপাৰা গাঁও পঞ্চায়তৰ অন্তৰ্ভুক্ত নপ্তিপাৰাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আগমনক লৈ অঞ্চলটোৰ উচ্চ মাধ্যমিক শিক্ষাৰ প্ৰতিষ্ঠান সুধাংশু গোস্বামী হাইস্কুলৰ গাতে লাগি থকা খেলপথাৰত চলিছে ব্যাপক আয়োজন। জানিব পৰা মতে, বৰক্ষেত্ৰী সমষ্টিৰ প্ৰায় ৩৩ হেজাৰ মহিলাক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২৪ জানুৱাৰীৰ দিনা প্ৰদান কৰিব মহিলা উদ্যমিতা আঁচনিৰ চেকসমূহ। বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত নপ্তিপাৰাত অনুষ্ঠিত হ'বলগীয়া 'মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনি'ৰ অধীনত সমষ্টিটোৰ অন্তৰ্ভুক্ত মহিলাসকলক চেকসমূহ আনুষ্ঠানিকভাৱে বিতৰণ কৰিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এই লৈ বৰক্ষেত্ৰী সমষ্টিৰ বিভিন্ন প্ৰান্তৰ দলীয় কৰ্মীসকলৰ লগতে অঞ্চলটোৰ মহিলাসকলো উৎসাহী হৈ পৰিছে। বিজেপি দলৰ বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডলৰ সভাপতি মহেশ বৰ্মণে কয় যে সমষ্টিটোৰ মহিলাসকলৰ সবলীকৰণৰ বাবে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মহিলা উদ্যমিতা আঁচনিৰ অধীনত চেকসমূহ বিতৰণ কৰিব। গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকাৰ প্ৰচেষ্টাত এই কাৰ্যসূচীৰ ব্যাপক প্ৰস্তুতি চলিছে বুলি জানিবলৈ দিয়ে বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডল বিজেপিৰ সভাপতি মহেশ বৰ্মণে। জাগাৰা নপ্তিপাৰা গাঁও পঞ্চায়তৰ কাউঞ্চিলাৰ দীনেশ বৈশ্য, নপ্তিপাৰা গাঁও নিবাসী স্থানীয় উদ্যমী যুৱক দেবজিত তালুকদাৰ(নূপুৰ)ৰ লগতে বিভিন্ন প্ৰান্তৰ দলীয় কৰ্মীসকলৰ উপস্থিতিত সমষ্টিটোৰ অন্তৰ্গত নপ্তিপাৰাত দিনে নিশাই কাম কাজসমূহ চোৱাচিতা কৰিছে। ইতিমধ্যে অহা ২৪ জানুৱাৰী শনিবাৰে অনুষ্ঠিত হ'বলগীয়া সভাত উপস্থিত থাকিব অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকা, নলবাৰী জিলা বিজেপিৰ সভাপতি জয়ন্ত বুজৰবৰুৱা, নলবাৰী জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তিসকল। দলীয় নেতা কৰ্মীসকল উপস্থিতিত মুকলি পথাৰত ইতিমধ্যে অস্থায়ী হেলিপেডৰো ব্যৱস্থা গ্ৰহণ কৰিছে। নলবাৰী জিলা প্ৰশাসনৰ লোকৰ লগতে বিভাগীয় বিষয়াসকলে প্ৰতি মুহূৰ্ততে কাম-কাজৰ খতিয়ান লৈছে। মুঠতে, অঞ্চলটোৰ বিজেপি দলৰ নেতাকৰ্মীসকলৰ লগতে মহিলাসকলো উৎসাহী হৈপৰিছে।

# ঘোৰামাৰা গাঁৱত ১৩৭ জনৰ নামত SR জাননীক লৈ তীব্ৰ প্ৰতিবাদ, নিৰপেক্ষ তদন্তৰ দাবী আমছুৰ



**অসম বাৰ্তা, ঢেকীয়াজুলি, ২২ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঘোৰামাৰা গাঁৱত মুঠ ১৩৭ গৰাকী লোকৰ নামত SR (ষ্টেট ৰেজিষ্টাৰ) সম্পৰ্কীয় জাননী লাভ কৰাৰ পাছতেই অঞ্চলটোত তীব্ৰ অশান্তিকৰ পৰিৱেশৰ সৃষ্টি হয়। অকস্মাৎ বৃহৎ সংখ্যক লোকৰ নামত এইধৰণৰ জাননী আহি পৰাত স্থানীয় ৰাইজৰ মাজত আতংক আৰু ক্ষোভৰ সৃষ্টি হোৱা দেখা যায়। উক্ত বিষয়টোক লৈ আজি দিনৰ অনুমানিক ১২ বাজি ৩০ মিনিটত ঘোৰামাৰা গাঁৱৰ পুৰুষ-মহিলা সহিতে বৃহৎ সংখ্যক লোক পথত উলাই আহি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰী সকলে SR প্ৰক্ৰিয়াত বিসংগতি থকাৰ অভিযোগ উত্থাপন কৰাৰ লগতে নিৰ্দোষ লোকক হাৰাশাস্তি নকৰিবলৈ দাবী জনায়। ইপিনে, ঘটনাস্থলীত উপস্থিত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু)ৰ প্ৰতিনিধি সকলে বিষয়টো সন্দৰ্ভত গভীৰ উদ্বেগ প্ৰকাশ কৰে। আমছুৰ ধলগুৰী আঞ্চলিক সমিতি ৰ সভাপতি আলামগীৰ হুছেইন, ধলগুৰী আঞ্চলিক সমিতি ৰ সম্পাদক ইছামদ্দিন আলম, আঞ্চলিক সমিতিৰ উপ সভাপতি মতিবোৰ ৰহমান, শোণিতপুৰ জিলা সমিতিৰ শিক্ষা সম্পাদক বিল্লাল হুছেইনৰ লগতে আমছুৰ নেতৃবৃন্দই কয় যে কোনো ধৰণৰ পক্ষপাতিত্ব নোহোৱাকৈ উক্ত ঘটনাৰ এক নিৰপেক্ষ আৰু ন্যায়সংগত তদন্ত কৰা উচিত। লগতে তদন্তত যদি লোকসকলৰ সকলো ঠিকেঠাকে থাকে তেন্তে সংশি-ষ্ট লোকসকলক তৎক্ষণাৎ সকাহ দিয়াৰ দাবী জনায় সংগঠনটোৱে। উক্ত ঘটনাৰ খবৰ পাই শিঙৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া চমদন স্বৰ্গীয়াৰীৰ নেতৃত্বত ঘটনাস্থলীত উপস্থিত হয় শিঙৰী আৰক্ষীৰ দ'ল। এই ঘটনাক লৈ ঘোৰামাৰা গাঁৱত এতিয়াও উত্তেজনাময় পৰিস্থিতি বিৰাজ কৰি আছে যদিও পৰিস্থিতি নিয়ন্ত্ৰণত ৰাখিবলৈ প্ৰশাসনে সতৰ্ক দৃষ্টিৰে পৰিস্থিতি পৰ্যবেক্ষণ কৰি থকা বুলি জানিব পৰা গৈছে।

**অন্তিম দিনা মুকলি সভা, অভিভাৱক সন্মিলন, বঁটা বিতৰণী অনুষ্ঠান**

# ৰূপহী আদৰ্শ জাতীয় বিদ্যালয়ৰ ৩০ সংখ্যক বাৰ্ষিক অধিৱেশনৰ সামৰণি




**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ২২ জানুৱাৰী ঃ** লখিমপুৰ জিলাৰ কদম ৰাজহচক্ৰৰ অন্তৰ্গত ৰূপহী আদৰ্শ জাতীয় বিদ্যালয়ৰ ৩০ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰে। যোৱা ১৯ জানুৱাৰীৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছিল অধিৱেশন। প্ৰথমদিনা পতাকা উত্তোলন কৰে ৰূপহী আদৰ্শ জাতীয় বিদ্যালয়ৰ সভাপতি হেমন্ত শইকীয়াই। বাৰ্ষিক অধিৱেশনৰ লগত সংগতি ৰাখি প্ৰথম তিনিদিনত সাহিত্য, কৃষ্টি আৰু ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ লগতে প্ৰাচীৰ পত্ৰিকা 'কাঁচিয়লি' উন্মোচন কৰে কবি, সাংবাদিক দিপ প্ৰতিম বৰাই। অন্তিম দিনা অনুষ্ঠিত মুকলি সভা, অভিভাৱক সন্মিলন আৰু বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে ৰূপহী আদৰ্শ জাতীয় বিদ্যালয়ৰ অধ্যক্ষা ভৱানী চেতিয়াই। অষ্টম শ্ৰেণীৰ ছাত্ৰীসকলে পৰিৱেশন কৰা সমবেত সংগীতেৰে সভাৰ শুভাৰম্ভ কৰা হয়। সাংবাদিক দিপ প্ৰতিম বৰাই আঁত ধৰা সভাৰ উদ্বোধন কৰে আৰ কে ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰৱক্তা ৰাজজ্যোতি শইকীয়াই। নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে পদুমণি জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰাতুল চুতীয়াই। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সমাজ সেৱক বিৰেণ বৰা, কৰকণি শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক দেৱী প্ৰসাদ উপাধ্যায়, জয়কিষাণ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী জুনুপ্ৰভা কাকতি উপস্থিত থাকে।

# আমগুৰিত কেন্দ্ৰীয় মে-ডাম-মে-ফীৰ আয়োজন

**অসম বাৰ্তা, আমগুৰি, ২২ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ আমগুৰিত অহা ৩১ জানুৱাৰীত বৃহত্তৰ আমগুৰি অঞ্চলৰ টাই আহোম জ্ঞাতি সকলৰ পৃষ্ঠপোষকতাত স্বদেশ আৰু স্বজাতিৰ মঙ্গলৰ অৰ্থে পুলিন পুথাও আৰু অন্যান্য 'ফী 'সকলৰ পৰা আশীৰ্বাদ বিচাৰি কেন্দ্ৰীয় ভাৱে আয়োজন কৰা হৈছে ধৰ্মীয় পৰম্পৰাৰে মে-ডাম-মে-ফী উৎসৱৰ। এই উৎসৱ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ অৰ্থে ইতিমধ্যে ৰাজেন গগৈক সভাপতি, জ্যোতিপ্ৰসাদ গগৈ, প্ৰমোদ হাজৰিকা আৰু পুলকেশ গগৈক কাৰ্যকৰী সভাপতি, মানস ফুকন আৰু উলয়াদিত্য বড়াক মুখ্য সম্পাদক হিচাপে লৈ এখন শক্তিশালী উদযাপন সমিতি গঠন কৰা হৈছে। কেইবাখনো উপসমিতিৰ সহযোগত এই মে-ডাম-মে-ফি উৎসৱৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। অহা ৩১ জানুৱাৰীৰ পুৱা ৯০০ বজাত আমগুৰি আউনীআটীয় হেম চন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত উদযাপন সমিতিৰ সভাপতি ৰাজেন গগৈয়ে পতাকা উত্তোলনেৰে মে-ডাম-মে-ফি উৎসৱৰ দিনজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। ইয়াৰ পিছতে মৈদাম তৰ্পণ কৰিব উদযাপন সমিতিৰ কাৰ্যকৰী উপসভাপতি জ্যোতি প্ৰসাদ গগৈয়ে। পুৱা ১০ বজাত ডাম-ফী তৰ্পণ কৰা হ'ব। দিনৰ ১২ বজাত উদ্‌যাপন সমিতিৰ সভাপতি ৰাজেন গগৈৰ সভাপতিত্বত অনুষ্ঠিত হব লগা মুকলি সভাত উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ প্ৰাক্তন সচিব তথা চাওলুং চ্যুকাফা ৮০০ বছৰীয়া জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি ড° কমলজ্যোতি গগৈ নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব। বক্তা গৰাকীয়ে আহোম সমাজৰ জাতীয় চেতনা আৰু মে-ডাম-মে-ফীৰ প্ৰাসঙ্গিকতা শীৰ্ষক বক্তৃতা আগবঢ়াব। দিনৰ ১ বজা পৰম্পৰাগত আই ছিং লাও, লাই লুং খাম নৃত্য, আৰু দেওধাই গাঁৱৰ নাঙ ছি চাও দলৰ টাই জেং বিহু প্ৰদৰ্শন কৰা হব। দিনৰ ২-০০ বজাত সমূহীয়া আহাৰ গ্ৰহণৰ পিছতে মে-ডাম-মে-ফী উৎসৱৰ সামৰণি মৰা হ'ব। আহোম জনগোষ্ঠীৰ গৌৰৱময় ঐতিহ্য, পৰম্পৰা, ৰীতি-নীতি ৰক্ষা কৰাৰ লগতে পূৰ্বপুৰুষসকলৰ পৰা 'জনমিং' বিচাৰি আয়োজন কৰা 'মে-ডাম-মে-ফী' উৎসৱৰ অনুষ্ঠানলৈ সকলোকে আমন্ত্ৰণ জনাইছে আয়োজক সকলে।

# সাংবাদিকক ভাবুকি সন্দৰ্ভত আৰক্ষীক স্মাৰকপত্ৰ শিৱসাগৰ জিলা গ্ৰাম্য সাংবাদিক সংঘৰ

**বিভিন্ন সংগঠনৰ প্ৰতিক্ৰিয়া**

**অসম বাৰ্তা, জাঁজী, ২২ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ গৌৰীসাগৰ আৰক্ষী থানাৰ অন্তৰ্গত জৰাধৰাত কালি এক মিছা অভিযোগত জাঁজীৰ এজন সাংবাদিক প্ৰসেনজিৎ গগৈক নিষিদ্ধ চুলাই ব্যৱসায়ী কুশ বৰুৱাৰ বাহিনীয়ে ভাবুকি প্ৰদান কৰাক লৈ সৰ্বত্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে কালি আবকাৰী বিভাগৰ এটা দলে নিষিদ্ধ চুলাই আৰু লালীগুড়ৰ বিৰুদ্ধে জৰাধৰাত অভিযান চলাই আৰু জৰাধৰা নিবাসী কুশ বৰুৱাৰ ঘৰত বহু অবৈধ লালীগুড় ধ্বংস কৰে। সেই সময়তে জাঁজীৰ এজন সংবাদকৰ্মী প্ৰসেনজিৎ গগৈ সেই গাঁৱতে থকা আত্মীয়ৰ ঘৰলৈ ব্যক্তিগত কামত গৈছিল। আবকাৰী বিভাগে নিজৰ কৰ্তব্য সম্পাদন কৰি প্ৰস্থান কৰাৰ পাছত সেই অভিযানত প্ৰসেনজিৎ গগৈ জড়িত বুলি কোনো দুষ্ট চক্ৰই প্ৰচাৰ চলায়। ইয়াৰ পাছতে কুশ বৰুৱাৰ বাহিনীয়ে সাংবাদিক জনৰ আত্মীয়ক ভাবুকি প্ৰদান কৰে। কুশ বৰুৱাৰ জোঁৱায়েক ধন বৰুৱা আত্মীয়জনৰ ঘৰলৈ আহিও সাংবাদিক গগৈৰ সন্মুখতে মিছা সন্দেহত দুয়োকে ভাবুকি প্ৰদান কৰি প্ৰস্থান কৰে। ইতিমধ্যে কেইবাজনো শুভাকাংক্ষীয়ে গগৈৰ আত্মীয়জনলৈ ফোনযোগে দিয়া বাৰ্তা অনুযায়ী সাংবাদিকজনে গম পাই যে তেওঁক আক্ৰমণ কৰিবলৈ কুশ বৰুৱাৰ মানুহে ৰাস্তাত খাপ পাতি আছে। এই অনাকাংক্ষিত পৰিস্থিতিত সাংবাদিক গগৈয়ে নিজৰ জীৱনৰ নিৰাপত্তাৰ কথা ভাবি ফোনযোগে সতীৰ্থ সাংবাদিক আৰু শুভাকাংক্ষী সকলৰ লগত আলোচনা কৰি স্থানীয় আৰক্ষীক ঘটনাৰ বিষয়ে অবগত কৰে। ফলত গৌৰীসাগৰ আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়া গৰাকীৰ নেতৃত্বত আৰক্ষীৰ দলে সাংবাদিক প্ৰসেনজিৎ গগৈক নিৰাপত্তা প্ৰদান ন কৰি স্বগৃহলৈ লৈ আনে। এই ঘটনাক লৈ এতিয়া সৰ্বত্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আজি এই সন্দৰ্ভত আমগুৰিত শিৱসাগৰ জিলা গ্ৰাম্য সাংবাদিক সংঘৰ এখন জৰুৰী বৈঠক অনুষ্ঠিত হয় আৰু সাংবাদিক সংঘটোৱে সাংবাদিকৰ নিৰাপত্তা সুনিশ্চিত কৰা আৰু দোষীক শাস্তি দিবলৈ দাবী জনাই আৰক্ষীক স্মাৰকপত্ৰ প্ৰদান কৰে। সংঘৰ ভাৰপ্ৰাপ্ত সভাপতি দিগন্ত শৰ্মা আৰু সম্পাদক সমীৰণ দুৱৰাৰ স্বাক্ষৰিত স্মাৰকপত্ৰখনত ভাবুকি প্ৰদান কৰা ব্যক্তিকেইজনক ক্ষমা খুজিবলৈ সাতদিনৰ সময় বান্ধি দিয়া হৈছে। অন্যথা সংঘই তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ল'ব বুলি কোৱা হৈছে। এই ঘটনাক লৈ অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সহ সম্পাদক আকাশ শইকীয়াই তীব্ৰ গৰিহণা দিয়াৰ লগতে অবৈধ লালীগুড় আৰু চুলাইৰ বিৰুদ্ধে প্ৰশাসনে অনতিপলমে ব্যৱস্থা ল'বলৈ দাবী জনায়। বীৰ লাচিত সেনাৰ উদয়াদিত্য বড়াই অবৈধ চুলাইৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী লোৱা হ'ব বুলি সকিয়াই দিয়ে।

# গোৱাত আমগুৰিৰ যুৱতীৰ ৰহস্যজনক মৃত্যু

**অসম বাৰ্তা, আমগুৰি, ২২ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ এগৰাকী যুৱতীৰ সুদুৰ গোৱাত যোৱা ১৪ জানুৱাৰীত ভাড়াঘৰত মৃত অৱস্থাত উদ্ধাৰ হোৱা ঘটনাই আমগুৰিত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিবপৰামতে যুৱতী গৰাকীৰ নাম মৃদুস্মিতা শইকীয়া। আমগুৰিৰ এগৰাকী অৱসৰী শিক্ষয়িত্ৰীৰ কন্যা ৪০ বছৰীয়া যূৱতী গৰাকীৰ মৃতদেহ যোৱা ১৪ জানুৱাৰীত গোৱাৰ এটা ভাৰাঘৰত উদ্ধাৰ কৰা হয়। জানিব পৰা মতে মৃদুস্মিতা শইকীয়া নামৰ যুৱতীগৰাকী কৰ্মসূত্ৰে বিগত ৪ বছৰ ধৰি গোৱাৰ আড়ম্বৰত এটা ভাড়াঘৰত বসবাস কৰি আছিল। যোৱা ১৪ জানুৱাৰীত মাঘ বিহুৰ দিনটোত দুপৰীয়া মৃদুস্মিতাৰ ভাড়াঘৰৰ মালিকে পৰিয়ালক মৃদুস্মিতাৰ মৃত্যুৰ কথা অৱগত কৰে। ইয়াৰ পিছতেই পৰিয়ালৰ লোক গোৱাত উপস্থিত হয় আৰু স্থানীয় আৰক্ষী থানাত এক গোচৰ তৰে। ইতিমধ্যে গোৱা আৰক্ষীয়ে এলেক্স লিঅ'নভ নামৰ এজন ৰাছিয়ান লোকক গ্ৰেপ্তাৰ কৰিছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে ২০০৬ চনত বিচিএ উত্তীৰ্ণ মৃদুস্মিতা শইকীয়াই গোৱাত সাংস্কৃতিক ক্ষেত্ৰত জড়িত হৈ আছিল।

**ৰাজহুৱা নাম-কীৰ্তন; গুণমালা পুথি বিতৰণ**

# আদি এলেঙী সত্ৰৰ নামলগোৱানী মাকন ভূঞাৰ স্মৃতিচাৰণ অনুষ্ঠান

**অসম বাৰ্তা, উজনী মাজুলী, ২২ জানুৱাৰী ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ আদিএলেঙী সত্ৰৰ নামলগোৱানী, বিশিষ্ট ধৰ্মপ্ৰাণা মহিলা, শিল্পী মহিলা মাকন ভূএগৰ আজি ৰাজহুৱা আদ্যশ্ৰাদ্ধ অনুষ্ঠান আদি এলেঙী সত্ৰৰ নিজা বাসভৱনত অনুষ্ঠিত হয়। যোৱা ৬ জানুৱাৰীত মৃত্যু হোৱা বিশিষ্ট শিল্পী মাকন ভূএগৰ আজি পবিত্ৰ আদ্য শ্ৰাদ্ধ উপলক্ষে বিভিন্ন আধ্যাত্মিক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিশিষ্ট মহিলাগৰাকীৰ উক্ত, আদ্যশ্ৰাদ্ধ উপলক্ষে আজি পুৱা ন' বজাত এখন স্মৃতি চাৰণ সভা অনুষ্ঠিত হয়। উক্ত, স্মৃতি চাৰণ অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে আদিএলেঙী সত্ৰৰ নামলগোৱা কৃষ্ণৰাম হাজৰিকাই। তাৰপিছত সদ্য প্ৰয়াত নামলোগোৱানীৰ ফটো উন্মোচন কৰা হয়। ফটো উন্মোচন কৰে কৃষ্ণৰাম হাজৰিকাই। তাৰপিছত এক বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। যদু কলিতাই আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিভিন্ন ব্যক্তিয়ে প্ৰয়াত শিল্পী, নামলগোৱানী মাকন ভূএগৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু তেওঁৰ কৰ্মৰাজিৰ ওপৰত আলোকপাত কৰা হয়। পুৱা দহ বজাৰ পৰা ৰাজহুৱা নাম কীৰ্তন পৰিৱেশন কৰা হয়। আদি এলেঙী সত্ৰৰ নামলগোৱা ভৱ বৰাৰ পৰিচালনাৰে পৰিৱেশিত উক্ত নাম কীৰ্তন অনুষ্ঠানত মাজুলীৰ বিভিন্ন প্ৰান্তৰ পৰা অহা কেইবাশতাধিক বৈষ্ণৱে অংশগ্ৰহণ কৰে। নাম কীৰ্তনৰ পাছত অনুষ্ঠিত হোৱা ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত আদিএলেঙী সত্ৰৰ পৰিচালনা সমিতি, গোপিনী সমাজ আৰু মাকন ভূএগৰ নাতি নাতিনীসকলে মাকন ভূএগৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জনাই শ্ৰদ্ধাঞ্জলি পত্ৰ প্ৰদান কৰে। তাৰপিছত গুণমালা পুথি অৰ্পণ অনুষ্ঠান অনুষ্ঠিত হয়। যদু কলিতাই আঁত ধৰা উক্ত গুণমালা পুথি অৰ্পণ অনুষ্ঠানটো শুভাৰম্ভ কৰে বিশিষ্ট সমাজকৰ্মী, আউনীআটী সত্ৰৰ বৈষ্ণৱ যুগল ভূএগই। অনুষ্ঠানটো শুভাৰম্ভ কৰি মাকন ভূএগৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী, বৈষ্ণৱ আৰু আই-মাতৃক পৰিয়ালৰ তৰফৰ পৰা এখনকৈ গুণমালা পুথি অৰ্পণ কৰা হয়। সন্ধিয়া বন্তি প্ৰজ্বলন আৰু মাকন ভূএগৰ স্মৃতিত পুনৰ নাম কীৰ্তন পৰিৱেশন কৰা হয়। অনুষ্ঠানত উপস্থিত ৰাইজক সম্বোধন কৰি শলাগ জ্ঞাপন কৰে মাকন ভূএগৰ জ্যেষ্ঠ পুত্ৰ শিক্ষক ৰাতুল ভূএগই।

# বেকী নৈ'ত খননৰ বিৰুদ্ধে বৰপেটাৰোড আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত ২ ঘণ্টীয়া অৱস্থান ধৰ্মঘট পাল

**অসম বাৰ্তা, বৰপেটাৰোড, ২২ জানুৱাৰী ঃ** আজি ৰাতিপুৱা ১১ বজাৰ পৰা আৰম্ভ কৰি দুপৰীয়া ১ বজালৈ বেকী নদী খননৰ বিৰুদ্ধে অৱস্থান ধৰ্মঘট পালন কৰে। গোৱৰ্ধনা অঞ্চলৰ দুখনকৈ গাঁও বেকী নৈ খননৰ বাবে ভাবুকি কঢ়িয়াই আনিছে। বছৰ বছৰ ধৰি আন্দোলন কৰি আহিছে গামাৰীগুৰী গাঁৱৰ ৰাইজে তথাপিও বন্ধ কৰিব পৰা নাই 'বেকী নৈ'ত খনন কাৰ্য। আজি এই খনন কাৰ্য্য চলোৱাৰ বাবে গোৱৰ্দ্ধনাৰ দুখনকৈ গাঁৱ গামাৰীগুৰী আৰু হটাপাৰা নদীৰ বুকুত জাহ যোৱাৰ অতিক্ৰম হৈছে। আজি গামাৰীগুৰী আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ ৰাইজ আৰু গোৱৰ্দ্ধনা আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, গোৱৰ্দ্ধনা আঞ্চলিক আঃসঃ, বৰপেটাৰোড আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে বৃহত্তৰ গামাৰীগুৰী, হটাপাৰা ৰাইজ উলাই আহিছে খনন বিৰুদ্ধে অৱস্থান ধৰ্মঘট পালন কৰিবলৈ বৰপেটাৰোড আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত। দুঘণ্টা অৱস্থান ধৰ্মঘট পালন কৰি বৰপেটাৰোড আঞ্চলিক বন বিষয়াক বেকী নৈৰ খনন কাৰ্য্য বন্ধ কৰাৰ বাবে স্মাৰক পত্ৰ প্ৰদান কৰে। 'বেকী নৈ' ৰ খনন কাৰ্য্য বন্ধ নহলে ইয়াতকৈ আৰু ভয়াবহ আন্দোলন গঢ়ি তুলাৰ হুৱাংকাৰ প্ৰদান কৰে। আজিৰ বেকী নৈ'ত খনন কাৰ্য্য বন্ধ কৰাৰ দাবীত দুঘণ্টীয়া সময় জুৰি অৱস্থান ধৰ্মঘট উপস্থিত থাকে অৰ্ণৱ জ্যোতি শৰ্মা, সভাপতি বৰপেটা জিলা ছাত্ৰ সন্থা, অণুপ জ্যোতি বৰ্মণ, সভাপতি গোৱৰ্দ্ধনা আঞ্চলিক ছাত্ৰ সন্থা, জিণ্টু মণি বৰ্মণ, সাধাৰণ সম্পাদক গোৱৰ্দ্ধনা আঞ্চলিক ছাত্ৰ সন্থা, চিন্ময় নাথ, কাৰ্যকৰী সভাপতি, গোৱৰ্দ্ধনা আঞ্চলিক ছাত্ৰ সন্থা, দিগন্ত পাঠক, সাধাৰণ সম্পাদক গোৱৰ্দ্ধনা আঞ্চলিক সমিতি, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ অখিম দৈমাৰী, সাংগঠনিক সম্পাদক, গোৱৰ্দ্ধনা আঞ্চলিক সমিতি, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নন্দেশ্বৰ বৰ্মণৰ লগতে গামাৰীগুৰী আৰু হটাপাৰা গাঁৱৰ পুৰুষ-মহিলা সকলে উপস্থিত থাকে।

# বিশিষ্ট শিক্ষাবিদ সকলৰ উপস্থিতিত পলাৰিছ একাডেমীৰ বৰ্ষপূৰ্তি অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, তেজপুৰ সদৰ, ২২ জানুৱাৰী ঃ** তেজপুৰৰ চহৰৰ নিকটৱৰ্তী পুৰণি আলিমূৰ গাঁৱত শিক্ষানুৰাগী লোকসকলৰ লগতে পাঁচমাইল কন্যা উচ্চ ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আলহাজ আলাউদ্দিন আহমেদৰ বিশেষ প্ৰচেষ্টাত পাঁচমাইল অঞ্চলৰ ছাত্ৰ ছাত্ৰীক সু শিক্ষা প্ৰদান কৰি প্ৰকৃত মানৱ সম্পদ হিচাপে গঢ় দিয়াৰ উদ্দেশ্যে ৭ বছৰ পূৰ্বে স্থাপন কৰিছিল পলাৰিছ একাডেমী। পলাৰিছ একাডেমীৰ ছাত্ৰ ছাত্ৰী সকলে হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বিগত বৰ্ষবোৰত উন্নত ফলাফল লাভ কৰি পলাৰিছ একাডেমীৰ লগতে পাঁচমাইল অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। যোৱা ১৯ জানুৱাৰী তাৰিখে পলাৰিছ একাডেমীৰ সপ্তম বৰ্ষপূৰ্তি অনুষ্ঠান অনুষ্ঠিত কৰে। পাঁচমাইল কন্যা উচ্চ ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আলহাজ আলাউদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত তেজপুৰৰ দৰং মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ পলাশমণি শইকীয়া, তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ হাজৰিকা, পাঁচমাইল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বিশ্বজ্যোতি বৰা, বিশিষ্ট সমাজসেৱক বুলু আহমেদ, তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক হিমাংশু দাস, তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক বিৰাজ মোহন গোস্বামী, পাঁচমাইল গাঁও পঞ্চায়তৰ সভানেত্ৰী জেছমিনা বেগম, দোলাবাৰী গাঁও পঞ্চায়তৰ সভাপতি আফতাব হুছেইন, চকীঘাট গাঁও পঞ্চায়তৰ সভাপতি মেহবুব আলম, জ্যেষ্ঠ সাংবাদিক তথা লেখক চিৰাজ খান, তেজপুৰ সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক ছাইদুল ইছলাম, যুৱ সাংবাদিক ছাকিব আলী, অধিবক্তা নুৰ উদ্দিন আহমেদৰ লগতে বিশিষ্ট ব্যক্তি সকল উপস্থিত থাকে। সঞ্চালক তাৰিক উদ্দিন আহমেদ আৰু ৰাকিব উদ্দিন আহমেদে আঁত ধৰা অনুষ্ঠানটোত ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন সাংস্কৃতিক কাৰ্য্যসূচী ৰূপায়ণ কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন